# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): Rameswar Borah | |
| Title: আসাম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Āsaāma Saāhaitaya Sabhaā Patāraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: |
| Year: 1940-41 (1862-63 Sak) | Edition: |
| Size: 22cm 122 pages | Genre: Magazine |
| Volumes: 9 - 3 issues | Condition of the original: Brittle |
| Remarks: First published in the year 1917 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য-সভা পত্ৰিকা

বহাগ-শাওণ, ১৮৬২ শক

নৱম বছৰ | মুঠ সংখ্যা—৩৮ | প্ৰথম সংখ্যা

## জনা গাভৰুৰ গীত।

(আগসংখ্যাৰ পৰা)

### নাৰীৰ লক্ষণ।

মধ্যযুগৰ গাঁৱলীয়া কবিয়ে তিৰোতাৰ লক্ষণবোৰ বৰ্ণনা কৰিবলৈ বৰ ভাল পাইছিল। হস্তিনী, শঙ্খিনী, চিত্ৰিনী, পদ্মিনী, আদি নানাবিধ তিৰোতাৰ লক্ষণ বিতং ভাবে বঙালী কবিয়ে বৰ্ণনা কৰিছে। শঙ্খিনী জাতি তিৰোতা হেনো সকলোতকৈ বেয়া।

জনা গাভৰুৰ কবিও নাৰী-চৰিত্ৰ শাস্ত্ৰত বৰ পাৰ্গত; তেওঁ নাৰী-চৰিত্ৰ আৰু সূক্ষ্ম ভাবে লক্ষ্য কৰিছে। গোপীচনৰ মাকে জনাৰ নিন্দা কৰিছে:—

"জনাৰ চুলিটাৰ জেঠি নেগুৰীয়া
তাইৰ মান শাগিনী নাই।
হিয়া ভাঙ্গি ভাঙ্গি খোজক বোলে তাই
তাইৰ মান কুলক্ষণী নাই॥
জনাৰ ভৰিযোৰ গৰমেগুৰীয়া
তাইৰ মান গজমুখী নাই।
পাচলৈ মানুহ চাই খোজক বোলে তাই
তাইৰ মান খাইমুখী নাই॥"

ইমানতে শঙ্খিনী জাতি নাৰীৰ লক্ষণ বৰ্ণনা কৰা হৈছে। আগেয়ে আমি তিৰোতাৰ সৌন্দৰ্য্যৰ বৰ্ণনা পাইছোঁ; পুৰুষে কেনে বিধ তিৰোতাক অপছন্দ কৰে তাৰ বৰ্ণনাও জনা গাভৰুত পাওঁ:—

"জনাৰ দাঁত চুপাৰি শঁখা এ কুল
চাহিলে আপচু দেখি।
* * * *
জনা গাভৰু এঙ্গাৰ কলীয়া
দেখিলে লাগিব ঘিণ।

জনা গাভৰু ওকন্ধা গলীয়া
কপালত কলা মাহৰ চিন॥
কেকোৰা চুলীয়া উজলা দাঁতিনী
তাইৰ মান আগচী নাই।"

## মাকৰ চেনেহ।

গোপীচন্দ্ৰে যেতিয়া মাকৰ কোনো কথা শুশুনিলে তেতিয়া উপায় নাপাই মাকে কান্দিবলৈ ধৰিলে :—

"এপতীয়াৰে পৰা ছপতীয়া কৰিলোঁ
সহায় কোম আছিলে তোৰ,
বুকুত বান্ধি বান্ধি ডাঙৰ কৰিলোঁ
যোপাই হাক দিয়া শুশুন মোৰ।"

গীৰলীয়া কবিয়ে মাতৃ চেনেহৰ করুণ সুৰ যেনে সুন্দৰ ভাবে সহজ সৰল ভাষাত বৰ্ণাব পাৰে মাৰ্জ্জিত ৰুচিৰ অনেক কবিয়েও নোৱাৰে। নিমাই সন্ন্যাসী হৈ যোৱাত শচীৰ কান্দোনৰ করুণ সুৰ মাৰ্জ্জিত ৰুচিৰ বঙালী কবিয়ে বৰ্ণনা কৰিলে :—

• • • •

শচীমাতা বলে নিমাই নিমাই।
প্ৰতিধ্বনি বলে নাই নাই নাই॥

চীলটৰ গীৰলীয়া কবিয়ে গীৰলীয়া ভাবেৰে সেই করুণ সুৰ সংযত আৰু সহজ ভাবে বৰ্ণনা কৰিছে :—

"শাওণ মাসেতে নিমাই ঘন বৰিষণ।
কাৰ বাড়ী গিয়া নিমাই খুজিবা আসন,
পৰাৰ মায়ে পৰাৰ বইনে তুলিয়া দিব গালি।
নিমাইৰ বেদন কে বুঝিব পৰাৰ জননী॥"

ময়নামতী গানৰ কবিয়েও প্ৰথমতে ময়নামতীক বৰ কঠোৰ ভাবেৰে চিত্ৰিত কৰি নিজেই যেন মনে মনে লাজ পালে—ই যেন নাৰীৰ স্বভাৱৰ বিপৰীত হৈ গল। সেই নিমিত্তে মাকৰ প্ৰৰোচনাতেই গোপীচন্দ্ৰ সন্ন্যাসী হৈ যোৱাৰ পিচত গৰ্ভধাৰিণী মাকৰ বুকুৰ কোমল প্ৰাণত আঘাত লাগিল। তেতিয়া

"কান্দে ময়নামতী সতী পুত্ৰশোক পাইয়া অতি
আহে পুত্ৰ গেলা কোন দেশ।
অভাগিনী মাএৰ মন দিবা ৰাত্ৰি পোৰে মন
আমা ছাৰি গেলা কোন দেশ॥

• • •

যেই দেশে গেলা তুমি সেই দেশে যাইমু আমি
পক্ষী হইয়া দেখিমু যে গিয়া।
তোমাৰ সুন্দৰ তনু যেন দিবাকৰ ভানু
চন্দ্ৰ জিনি বদন সুন্দৰ॥"

## মঙল চোৱা।

জনা গাভৰুৰ গীত যি কালত ৰচিত হৈছে সেই সময়ত অসমত মঙল চোৱাৰ প্ৰথা ৰজা প্ৰজা সকলোৰে মাজত প্ৰচলিত আছিল। তিনি প্ৰকাৰৰ মঙল চোৱা ৰীতি দেশত আছিল—প্ৰথম, প্ৰাচীন গাৱলীয়া ৰীতি—মাটীত আঁক পাৰি; দ্বিতীয়—গণক বা জোতিষীৰ চতুৰাই; তৃতীয়—বাইলুঙৰ বাবাই—কুকুৰা কাটি কুকুৰাৰ ঠেং চৈ... তৃতীয় ৰীতি আহোমসকলৰ ভিতৰত বেচি প্ৰচলিত আছিল। বঙ্গদেশত এই প্ৰথা সিমান প্ৰচলিত নাছিল হব পায়।

গোপীচন যেতিয়া গৰু বাটলৈ যাবই, তেতিয়া মাকে "চুলি ছিঙি আশীৰ্ব্বাদ" কৰিলে, কিন্তু মাকৰ প্ৰাণ... সৰা ডাঙৰ যোদ্ধা হলেও মাকৰ "মইনা"; সেই বাবে—

"জনাৰ নগৰে পঠিয়াম মইনা
মাটিৰ ঐ মঙ্গলক চাই"।

"তিনি পেলি" মাটিৰ মঙল চাই মাকে কোনো অমঙ্গল নেদেখিলে। তথাপিও গৰ্ভধাৰিণীৰ কোমল প্ৰাণ শান্তি নহল—

"মাটিৰে মঙ্গল চাই হেপাহ মোৰ নপলায়
গণক চোৱাবলৈ যাওঁ।"

গণকৰ আগত গৈ বৰ কাবৌ কাকুতি কৰি কোৱাত মাকে কলে—

অভাগীৰ কপালত এটি পুত্ৰ দেখা
আগলৈ পাচলৈ নাই

• • •



আগ গুৰি নাৰি তালকৈ চাৰি ভাই
কোঁৱৰত কিনো দোষ আছে।
কিবা স্বৰূপত ঘটনা এ হব,
ডিঙি কাটি মৰিম পাছে।"

গৰ্ভধাৰিণী মাকৰ হৃদয় বীণৰ তাঁৰেবোৰত স্বাভাৱিক ভাৱে পৰে পৰে যি যোৰ করুণ ভাবৰ ঢউ উঠি আছে, অতি সৰল ভাষাৰে বিনা আড়ম্বৰেৰে গীৰলীয়া কবিয়ে তাকে ব্যক্ত কৰি থৈ গৈছে।

## গণকৰ স্বভাৱ চৰিত্ৰ।

মঙল চোৱা গণকজন বৰ ধূৰ্ত্ত;—বিশেষতঃ মঙল চোৱাবলৈ গৈছে এজনী পুত্ৰবৎসলা নাৰী—ৰাজকোঁৱৰৰ মাক,—কাজেই গণকে বৰ সুবিধা পালে, কবিয়েও গণকৰ চৰিত্ৰ আঁকিবলৈ সুযোগ পালে।

ব্ৰহ্মা, বিষ্ণু, হৰি আদিক প্ৰণাম কৰি "ৰদৰ কাচলিত থহি" গণকে "মহাদষ্টি কৰি" গণিবলৈ ধৰিলে, আৰু নিজে নিজেই হাঁহৰ বলি, পাৰৰ বলি, ছাগলীৰ বলি মানি—পিচে সমিধান দিলে—

"সোণ-মান দানকে নযাৱ নোৱাৰি
খোজে বগা মহৰ বলি।"

উপায় নাই,—দিবই লাগিব,—ৰজাৰ মাকে ভয় নকৰে—

"যিহকে খুজিব তাকেই পূজিব
তাতে একো ভয় নাই।"

নানা প্ৰকাৰ ফুচুং-ফাচাং কৰি গণকে কৈ দিলে—সৰা কালতে অভিমন কোঁৱৰৰ লগত "খিলা খেলোতে" গোপীচনৰ হাতত অলপ আঘাত লাগিছিল; তাৰ ফলত গোপীচনৰ হাতৰ এটুপি তেজ মৰি হাতত জমি আছে। সেই তেজখিনি উলিয়াই দিব লাগে।

যি দিনত ৰজাৰ ঘৰৰ চালৰ কাঠ এডাল অকস্মাৎ ভাগি যোৱাৰ কাৰণে গণকে গণি দিব লাগিছিল, সেই দিনত আমাৰ কবিয়নো উপায় কি আৰু গোপীচনৰ মাকেই বা কৰে কি? তথাপি নাপিতক মাতি আনি সৰাৰ হাতৰ মৰা তেজ এটুপি উলিয়াই দিয়া হল—গোপীচনৰ দেহা নিৰ্দ্দোষ হল; এতিয়া তেওঁ যুদ্ধলৈ যাব পাৰে।

কিন্তু সোমবাৰ আবেলি মাকে যাবলৈ নিদিয়ে, মঙ্গলবাৰ—দিন বেয়া বুলি হাক দিলে, বুধবাৰ—বাপেকৰ মৃত্যু বাৰ—ঘৰৰ পৰা ওলাব নোৱাৰে—কাজেই বৃহস্পতিবাৰৰ দিনা গোপীচন কলিধনেৰে সৈতে গৰু বাটলৈ যাত্ৰা কৰিলে। বৃহস্পতিবাৰৰ বাৰ বেলাৰ কথা আমাৰ কবিৰ জনা নাছিল হব পায়।

## দেৱতাৰ প্ৰতি ভক্তি।

সেই কালত দেশত নানা ধৰণৰ দেৱ দেৱীৰ পূজা প্ৰচলিত আছিল। হাঁহ, পাৰ, ছাগলী বলি দিয়াৰ প্ৰথাও আছিল। আহোমসকলৰ ভিতৰত মৃত পিতৃ পুৰুষ সকলৰ উদ্দেশ্যে "ৰিকণ" নামেৰে এবিধ পূজা প্ৰচলিত আছিল। ৰজা বা ডাঙৰীয়াসকলে বৰ আড়ম্বৰেৰে বগা মহৰ বলি দি সেই পূজা কৰাৰ ৰীতি আছিল। শদিয়া অঞ্চলত তাম্ৰেশ্বৰী মন্দিৰত কেচাইখাতী গোসানীৰ আগত মানুহ বলি দিয়াৰ প্ৰথাও আছিল। —কাজেই—

চন্দ্ৰত এসেৱা কৰে গোপীচনে
শুকুৰত এসেৱা কৰে,
বাপেক মৰি গল, সিও হল দেৱতা,
তালৈ এসেৱা কৰে।
বাসুদেৱৰ স্থান কেচাইখাতী গোসানী
তালৈ এসেৱা কৰে;
উজনীত আছিলে তামৰে দেওঘৰ
তালৈ এসেৱা কৰে।
ওপৰত আছিলে পগলা পাৰ্ব্বতী
তালৈ এসেৱা কৰে,
গুৱাহাটীত আছিলে বুকৰ বাঁধী মাক
তালৈ এসেৱা কৰে।"

আৰু হাঁহৰ বলি, পাৰৰ বলি, বগা মহৰ বলি, নৰমনিষৰ বলিও মনতে আগ বঢ়াই ঘৰৰ পৰা ওলাল।

"বাপেক মৰি গল—সিও হল দেৱতা"—এই পদ ফাকিত বুৰঞ্জীমূলক অনেক তথ্য সোমাই আছে। ঋগ্বেদৰ এঠাইত পোৱা যায়, সৎকাম কৰা পিতৃপুৰুষ মৰি "ঋভূ" দেৱতা হয়,—কিন্তু কোনো ঠাইত মৰাৰ পিচত বাপেকক দেৱতা বুলি পূজা কৰাৰ নীতি নাই। কাম্বোডিয়া আৰু যাভা অঞ্চলত এটা বিশ্বাস আছে যে মানুহ মৰিলে তেওঁ তেওঁৰ আৰাধ্য দেৱতাৰ লগত মিলি গৈ নিজেও দেৱতা হৈ যায়। যাভাৰ ৰজা আৰলেঙ (১০১০—১০৪২ খৃষ্টাব্দ) আছিল বিষ্ণুভক্ত। তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ পাথৰ নিৰ্ম্মিত মূৰ্ত্তিক গৰুড়ৰ ওপৰত থকা অৱস্থাত তেওঁৰ বংশধৰ সকলে "আৰলেঙ বিষ্ণু" ৰূপে পূজা কৰিছিল। সেই মূৰ্ত্তি বৰ্ত্তমানেও বেলাহান নামক ঠাইত আছে।

আহোমসকল বৰ্ম্মাৰ উত্তৰৰ শান ৰাজ্যৰপৰা অসমলৈ আহিছিল। তেওঁলোকৰ লগত চীন বৰ্ম্মা যাভা আদি ঠাইৰ কৃষ্টিৰ কি কি বস্তু আহি অসমৰ কৃষ্টিৰ লগত মিহলি হল এই বিষয়ে গৱেষণা কৰিবলৈ আজিলৈকে বাকী আছে। "বাপেক মৰি গৈ দেৱতা" হোৱাৰ লগত যাভাৰ কৃষ্টিৰ আৰু আহোমৰ বিৰুণৰ লগত সেই কৃষ্টিৰ সম্বন্ধ আছে বুলি অনুমান হয়, আৰু তাৰ প্ৰভাৱ জনাগাভৰুৰ কবিৰ ওপৰতো পৰিছে বুলি মনে ধৰে।

## যুদ্ধ।

গোপীচনৰ যুদ্ধৰ সাজ আহোম বিধৰ :—

"জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি
মাজত বান্ধৰাজি কৰা,
ৰুকালত মাৰিলে জৰদৰ টঙালি
দেখিলে জিলমিল কৰা।
খুৰিয়াই পিন্ধি গ'ল ধলপাটৰ চুৰিয়া
মূৰত কাউকীয়া পাগ,
পিন্ধি উৰি পেলাই গোপীচন ওলালে
যেন পূৰ্ণিমাৰ চাঁদ।"

গাঁৱলীয়া কবি যুদ্ধ বিষয়ত বিশেষ অভিজ্ঞ নহয়; কাজেই বিশেষ যুদ্ধ নহল। জনাৰ লিগিৰীয়ে গোপীচনৰ "কাণকটা চৰ" আৰু "লাথি" খাই জনাক খবৰ দিলে, জনাই "শিলৰ আলিত" "হস্তিগমনে" খোজ কাঢ়ি আহি গোপীচন আৰু কলিধনক "বঙালি-কছাৰি" বুলি গালি দিলে; খঙতে গোপীচনে—

"ধৰে লৰ মাৰি জনাৰ হাতত
মাৰে পাচলৈ টান।"

আৰু তাৰ ফলত—"জনা গাভৰু লুটিখাই পৰিলে
দেহতো নাথাকে জ্ঞান।"

তাৰ পিচত জনা উঠি তিনটা পৰীক্ষা গোপীচনক দিলে। অতি সাধাৰণ আৰু অস্বাভাৱিক পৰীক্ষা—সেই যুগত সকলো দেশতেই এনে অস্বাভাৱিক পৰীক্ষা অমানুষিক বল আৰু বুদ্ধিৰ জোৰত পাৰ হব নোৱাৰিলে কোনো বীৰকে বীৰ বুলি গণ্য নকৰা হৈছিল। গোপীচনৰ অমানুষিক বল আৰু বুদ্ধি আছিল, কাজেই তেওঁ সহজে পৰীক্ষাত উঠি জনাক লাভ কৰিলে—জনাই গোপীচনক স্বামী বৰণ কৰিলে।

## নতুন জঞ্জাল।

কবিয়ে ইমানতে সামৰণি মাৰিলে ভাল আছিল। কিন্তু দেশত ৰুক্মিনীহৰণ কাহিনীটো প্ৰচলিত আছে। শ্ৰীকৃষ্ণই ৰুক্মিনীক হৰণ কৰি লৈ যাওঁতে ৰুক্মিনীৰ পিতা ভীষ্মকৰ আপত্তি নাছিল যদিও, তেওঁৰ পুতেক ৰুক্মই শ্ৰীকৃষ্ণক খেদি গৈ তেওঁৰ লগত যুদ্ধ কৰে, আৰু যুদ্ধত ৰুক্মৰ শেহত মৃত্যু হয়। অইন পিনে বঙালী কবিৰ গোপীচন্দ্ৰই উকৰা ৰজাৰ লগত যুদ্ধ কৰি তেওঁক পৰাস্ত কৰি তেওঁৰ জীয়েকক বিয়া কৰি আনে। কাজেই দেশত প্ৰচলিত এনে সুন্দৰ দুটা ঘটনাক কবিয়ে এৰি দিব নোৱাৰি, সেই দুই ঘটনাক মিহলাই, নিজৰ এটা স্বকীয়া কাহিনী কৰি ল'লে।

জীউৰাম বাৰীচোৱাৰ পৰা বুঢ়া ৰজাই শুনিলে "বঙালী বগুৰা" এজনে জনাক ধৰি নিলে, আৰু খঙতে অলি-পকি উঠি পুতেকক হুকুম দিলে জীয়েকক উদ্ধাৰ কৰি আনিবলৈ। অভিমনে কয়—গোপীচন "বঙালী কছাৰি" নহয়, সিও ৰজাৰ পুতেক, সি জনাক নিলে আপত্তিৰ একো কাৰণ নাই। বুঢ়াৰ খঙ দ্বিগুণ হৈ উঠিল, আৰু গাঁৱলীয়া ভাষাৰে পুতেকক গালি দিলে—



"থাৰ এমাহে পোৰ ছমাহে
তোৰ মুঠেই চেতনেই নাই।
• • •
বুঢ়া বাঘলৈ ভয় নকৰে
হৰিণাই চেলেকে গাল,
জনা গাভৰুক লোকে নিয়া হৈকে
তই নিয়াই আছিল ভাল।"

অভিমনৰ বৰ অপমান হ'ল, খঙতে গোপীচনৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ওলাল। যুদ্ধও আগৰ দৰে হ'ল—সাত দিন সাত ৰাতি ঘোৰ মৰামৰি চলাৰ পিচত পগলা-পাৰ্ব্বতী আকাশেদি ৰথত যাওঁতে মূৰৰ চুলি ছিঙি গোপীচনক আশীৰ্ব্বাদ কৰিলে; গোপীচনে অভিমনক ধৰি ওপৰলৈ তুলি মাটীত দলিয়াই পেলালে, "হাঁহৰ কণি"ৰ দৰে অভিমন মাটীত পৰি চুৰমাৰ হৈ গ'ল।

এনে সময়ত কবিৰ মনত পৰিল মহাভাৰতৰ জয়দ্ৰথ বধৰ কাহিনীটো...কাজেই—

"অভিমন কোৱৰৰ মূৰটো ছিগিগৈ
বাপেকৰ নগৰত পৰিল।
উঠে ধূপকৰে ভয়ঙ্কৰ শব্দেৰে
বাপেকে শুনি পায়।
• • •
অভিমনৰ মূৰটো দেখি বাপেকৰ
আকাশে উৰি গল জীউ।"

"বাৰেকুৰি হাতী লৈ" বুঢ়া ৰজা গোপীচনক "গড়কাই" মাৰিবৰ নিমিত্তে বৰ খঙেৰে ওলাল। ময়না-মতীৰ গানৰ গোপীচন্দ্ৰই "উকৰা" ৰজাৰ লগত যুদ্ধ কৰিছিল—কিন্তু জনা গাভৰুৰ গীতৰ গোপীচনে শহুৰেকক সন্মান কৰিলে;— যুদ্ধ নকৰি বুঢ়া ৰজা অহা বাটত কিছুমান "মায়াৰ বোদো বৰল" ৰাখি থলে আৰু ৰজা আহোঁতেই বোদো বৰলে বুঢ়া ৰজাক বাৰেকুৰি হাতীৰে সৈতে অস্থিৰ কৰি তুলিলে। ৰজাই পৰাজয় স্বীকাৰ কৰিলে, সন্তুষ্ট হৈ জনাক গোপীচনৰ লগত বিয়া দিলে।

## সতিনী শত্ৰু।

সমাজ সৃষ্টি হোৱাৰ লগে লগে হব পায় প্ৰতি সমাজতেই সতিনীক শত্ৰু বুলি বিবেচনা কৰা হয়। গোপীচনে জনা গাভৰুক লৈ নগৰলৈ উভতি যাওঁতেই চেনেহী মাকে উলাহেৰে ক'লে—

"যায় খৰে কৰি বাটত পৰি খৰি
মোৰ বোপাই আহিছে বুলি।"

কিন্তু গোপীচনৰ

"নপোণ লিগিৰী কান্দিব ধৰিছে
শতৰুক আনিছে বুলি॥"

## অদ্ভুত সৰস্বতী পূজা।

এই যুগৰ হিন্দু, মছলমান সকলো জাতিৰ কবিয়ে গীত ৰচনাৰ আৰম্ভণিতে সৰস্বতী দেৱীৰ বন্দনা গাইছে। সৰস্বতী সাত্বিক দেৱী; সৰস্বতী পূজাত কেতিয়াও মাছ মাংস নালাগে; কিন্তু জনা গাভৰুৰ কবিয়ে সৰস্বতী দেৱীলৈ "পাৰ" "চিতল" "চাউল, পিঠা, গুৰ" আগ কৰিও সন্তুষ্ট নহৈ "শুকুলা ছাগলী"কো আগবঢ়াইছে। এই আচৰণ বৰ অদ্ভুত। কিন্তু ইয়াৰ পৰা সহজে বুজিব পাৰি যে এই গান ৰচোঁতাজনে কেতিয়াও নিজে সৰস্বতী পূজা দেখা নাই, লোকৰ পৰা সৰস্বতী দেৱীৰ নাম শুনিছে, অইন পূজাত বলিৰ কথা শুনিছে, কাজেই হিন্দুৰ প্ৰত্যেক পূজাত বলি দিব লাগে বুলি ভাবি, সৰস্বতীলৈকো "বগা-ছাগলী" আগ বঢ়াইছে। ইয়াৰ পৰা স্পষ্ট বুজিব পাৰি এই গীত ৰচোঁতা এজন মছলমান। বঙ্গদেশৰ "গোৰক্ষ বিজয়" ৰচোঁতা সেখ ফয়জুল্লাই গনেশ, হৰি, নিৰঞ্জন প্ৰভুৰ বন্দনা কৰি গ্ৰন্থ আৰম্ভ কৰিছে।

## অশ্লীলতা।

গাঁৱলীয়া সমাজত সকলো বিধৰ ৰুচিৰ মানুহ থাকে, কবিয়ে সকলোকে সন্তুষ্ট কৰিব লাগে। সেই যুগৰ কবি সকলৰ ভিতৰত আদিৰসৰ বাহিৰেও অশ্লীলতা এটা উপভোগ্য ৰস আছিল বুলি মনত ধৰে। গোৰক্ষ বিজয়ৰ কবিৰ পাৰ্ব্বতীয়ে "পষ্মেত সুতিলা দেবী বিবস্ত্ৰ হইয়া।

ঊৰ্দ্ধমুখী দুই বাহু প্ৰকাশ কৰিয়া" ময়নামতীৰ গানৰ গোপীচন্দ্ৰে কুৰ্ব্বাইতৰ লগত গোটেই ৰাতি-"ৰতি যুদ্ধ" কৰে," কিন্তু জনা গাভৰুৰ কবি বৰ সংযত। জনা গাভৰুৰ ঘৰৰ ওচৰত শিল এডোখৰক মাটিৰ তলৰ্পৈ নিবৰ নিমিত্তে গোপীচাঁনে প্ৰথমতে "কুদ্ৰশৌচ" কৰিলে. কিন্তু ডেকা শ্ৰোতা সন্তুষ্ট নোহোৱাত অগত্যা 'মুতিলে।"

## ভাষা আৰু কবিত্ব।

গীতটো সংগ্ৰহ কৰা হৈছে চৈধ্য বছৰৰ আগতে এজন মানুহৰ মুখৰ পৰা; আৰু সংগ্ৰহকাৰকো এজন আধুনিক শিক্ষিত ডেকা, কাজেই আদিতে যি ভাষাৰে গীতটো ৰচিত হৈছিল আমি ঠিক সেই ভাষা পোৱা নাই; কিন্তু গ্ৰাম্য কবিৰ চকুৰ আগতে থকা অতি সাধাৰণ বস্তুৰ প্ৰতি লক্ষ্য কৰি তেওঁৰ কবিত্ব বিকাশৰ পৰিচয় বৰ পৰিষ্কাৰ ভাবে পোৱা যায়।

এজন গাঁৱলীয়া মানুহ কলগছৰ লগত সদায় পৰিচিত। সাধক কবিয়ে ৰাধীৰ ওচৰৰ "কলগছ এজুপি"ক "লোদৰ ভাই" বুলি ভাবে. বিহুগীতৰ কবিয়ে প্ৰেমিকাক প্ৰথম প্ৰেমৰ অভিনয় কৰোতে "আঠিয়াকলৰ পাত কাটোতে ছিটিকি পৰা এঠা"ৰ কথা সোঁৱৰাই দিয়ে, জনা গাভৰুৰ গীতৰ কবিয়েও "গধূলি পৰতে বস্তিৰ পোহৰত গীত আৰম্ভ কৰোতে ভাবে "জেঠৰ কই খোৱা লোদ্দাকল এজুপি"য়ে কেতিয়া "খোৰ মেলিব।"

সাহস কৰি কিবা এটা কাম কৰিবলৈ গৈ পিচে অকৃতকাৰ্য্য হৈ আহিলে গাঁৱলীয়া কবিৰ মনত কংস বা শিশুপালৰ কথা নাহে, জনা গাভৰুৰ কবিৰ তেতিয়া মনত পৰে "নাক কাণ কটা মাছখোৱা বিড়লী।"

শিয়ালে পশুৰাজৰ ৰাৰ কাঢ়ি লৈছে, গাঁৱলীয়া শ্ৰোতাই সহজে সুযুজে তেওঁলোকে বুজিব—

"চৰায়ে কৰিবৰ চিউ সৰিদেউ,
চৰায়ে কৰিবৰ চিঁ।
অপহীয়া তিৰীয়ে থাইছে ৰাজপাট,
কোঁৱৰ হৈ কৰিছা কি।

গোপীচন কোঁৱৰে "বাঁহ ফালি ফালি" 'চকোৱা' আৰু 'সূচি' কৰি 'জেওৰা' দিয়ে। পুব আকাশত সূৰ্য্যদেৱৰ ৰথৰ আগমনৰ নিমিত্তে নাভাৰি "জাপমাৰি" 'ডেকাগছৰ তামোল' আৰু 'মদাৰৰ পাণ-পাৰি' 'শৰাইত গুৱাপাণ' থাই 'পুৱতী নিশাতে কাউৰীয়ে নোছোঁৱে মাটি" কালতেই জনাৰ নগৰলৈ ওলাই যায়।

আমাৰ কবিয়ে সহজে পোৱা বস্তুৰ পিনে লক্ষ্য নকৰি নিজৰ মনৰ আচল বস্তু বিচাৰোতে ভাবে—মাছ মাৰিবৰ হলে 'শল' মাৰিব লাগে; সকলোৱে না না বস্তু সহজে লাভ কৰা দেখিলে—কোৱাই আৰু চিলাই পুঠিমাছ নিয়াৰ কথা তেওঁৰ মনত পৰে; কিবা ধুমুচ কৰি পৰিলে মনত পৰে—"গুৰি কঠালটোৰ" কথা; আচৰিত ৰকমৰ কথা শুনিলে কবিৰ মনত পৰে—'হঁলে বালি চৰাই গিলিল," 'লাও তললৈ গল,' 'শিল ওপঙল'; শক্তিমন্ত কোনোবা এজনক দমাবৰ হলে তেওঁ—"লাটিম ৰকৰাক ছাটিবলৈ যায়।"

## আধুনিকতা

মুখে মুখে চলি অহা গীতত বংশ পৰম্পৰাই না না ৰকম নতুন কথা সোমাই থাকে। জনা গাভৰুৰ গীততো তাৰ ব্যতিক্ৰম হোৱা নাই। সেই নিমিত্তে গোপীচানে 'ৰাতি দহে বজাত' ভাতপানী খাই শুবলৈ যায়, জনা-গাভৰুৱে 'তিনি গচাকৈ' চিনি বেনাৰচী খায়,' 'হেজাৰ সোণৰ জোতা' পিন্ধে। গোপীচনে মানৰ ৰণ বা 'চিং-ফৌৰ ৰণলৈ যাবলৈ ভয় নকৰে, আৰু কুঁৱৰীইতে 'খিৰিকিয়ে দেখালে' চকু ঠিৰ কৰি তাক চায়।

জনা গাভৰুৰ গীত মধ্যযুগৰ অসমীয়া গাঁৱৰ এখনি সুন্দৰ সামাজিক আৰু দৈনন্দিন জীৱনৰ নিখুঁত চিত্ৰ।

শ্ৰীৰাজমোহন নাথ,
বি ই. এ ই এচ.

---

# ১৯৪০-৪১ চনৰ অসম সাহিত্য-সভাৰ ১ম বাৰ্ষিক সাধাৰণ অধিৱেশনত পঠিত হোৱা সম্পাদকৰ ৰিপোৰ্ট।

বৰ্ত্তমান প্ৰচলিত সভাৰ নিয়মাৱলীৰ ২৭ (খ) নিয়ম মতে সভাৰ বাৰ্ষিক সাধাৰণ অধিবেশন বছৰৰ ২৫ চৈত্ৰৰ আগতে বহিব লাগিছিল। কিন্তু বহাগৰ বিহুৰ পিচৰ পৰা কোনো উপলক্ষে অফিচ আদি বন্ধ থকাত স্কুলৰ জৰৰ বন্ধৰ ভিতৰলৈ অধিবেশন চোঁচোকোৱা হ'ল। যথা সময়ত

যথা সময়ত ত্ৰুটি স্বীকাৰ

স্বীকৃত সভা আৰু সভ্যসকলৰ্পৈ এই অধিবেশনত আলোচনা কৰিবৰ কাৰণে বিষয় পঠাবলৈ ২৭ (গ) নিয়ম অনুসৰি দিয়া হৈছিল; কিন্তু শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱাৰ চিঠি আৰু শিৱসাগৰ সাহিত্য-সভাৰ এখনি কাৰ্য্য বিৱৰণীৰ বাহিৰে আন কাৰো পৰা কোনো উত্তৰ পোৱা নহল। ১।৭।৪০ তাৰিখে বহা কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে ২৭ (ঘ) নিয়মানুসাৰে এই অধিবেশনৰ আলোচ্য বিষয় বিলাক স্থিৰ কৰি দিয়ে আৰু সেই নিয়ম মতেই যথা সময়ত কাকতত প্ৰকাশ কৰোৱা হয়। স্বীকৃত সভা আৰু সভ্য সকলক নিমন্ত্ৰণ কৰা চিঠিতো সেই বিলাক বিষয় উল্লেখ কৰি দিয়া হৈছে। এই অধিবেশন চোঁচোকোৱা বাবে যি ত্ৰুটি হৈছে তাক যেন সভ্য সকলে মৰিষণ কৰে আৰু ওপৰত যি অসুবিধা উল্লেখ কৰা হৈছে তাৰ যেন কিবা প্ৰতিবিধান কৰে এয়ে অনুৰোধ।

১৯৩৯ চনৰ ৮ আৰু ৯ এপ্ৰেল তাৰিখে বহা অসম সাহিত্য-সভাৰ বিশেষ সন্মিলনৰ কাৰ্য্য বিৱৰণী সাহিত্য সভা পত্ৰিকাৰ অষ্টম বছৰৰ প্ৰথম বিশেষ সন্মিলন সংখ্যা কাকতত প্ৰকাশ হৈছে। সেই সন্মিলনত হোৱা কাৰ্য্যৰ চমু আভাস তলত দিয়া হল।

(১) তেজপুৰ আৰু গুৱাহাটীত বহা ১৬শ আৰু ১৭শ সন্মিলনত সময়ৰ নাটনিত আলোচনা কৰিব নোৱাৰা সভাৰ নিয়মাৱলী বিশেষ সন্মিলনৰ বিষয়বাচনী সভাই সংশোধিত, পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত কৰি দিয়া মতেই সন্মিলনত অনুমোদিত আৰু গৃহীত হয়। গৃহীত হোৱা নিয়মাৱলী ৯।৪।৩৯ তাৰিখৰ পৰাই বলবৎ হব বুলি সন্মিলনে সিদ্ধান্ত কৰে।

(২) সাহিত্য সন্মিলনৰ অষ্টাদশ অধিবেশন গোৱালপাৰত বহুৱাব নোৱাৰিলে যোৰহাটতে বহুৱাবলৈ সন্মিলনে সিদ্ধান্ত কৰে।

(৩) শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট ফণ্ডৰ পৰা প্ৰকাশিত হোৱা শ্ৰীশ্ৰীদামোদৰ দেৱ আৰু শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰ দুখনিৰ প্ৰচাৰ তেজপুৰত বহা ১৬ শ সন্মিলনৰ ৬ষ্ঠ প্ৰস্তাৱ মতে বন্ধ হোৱা, নৰদেৱ ট্ৰাষ্ট দলীলৰ সৰ্ত্ত আৰু গৱৰ্ণমেণ্ট উকীলৰ মত আলোচনা কৰি, অসঙ্গত হৈছে বুলি সন্মিলনে সিদ্ধান্ত কৰে আৰু ওপৰোক্ত প্ৰস্তাৱ ৰ'দ কৰি দুয়োখন পুথি পুনৰ প্ৰচাৰ কৰিবলৈ নিৰ্দ্দেশ দিয়ে।

(৪) সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতি সভাৰ ১৪ নিয়ম অনুসাৰে ১৫ জন স্থানীয় আৰু ১৫ জন মফ-চলীয়া সভ্যেৰে পুনৰ গঠিত হয়।

এই বিশেষ সন্মিলনৰ কাৰ্য্য আইন সঙ্গত হোৱা নাই বুলি জনদিয়েক সভ্য, ভূতপূৰ্ব্ব সভ্য আৰু শিৱসাগৰ সাহিত্য সভাই চিঠিৰে নাইবা বাতৰি কাকতৰ যোগে মত প্ৰকাশ কৰিছে আৰু সেই বাবেই এই সভাৰ আলোচ্য বিষয়ৰ তালিকাত এই বিষয়ে ঠাই পাইছে।

১৯৩৮ চনৰ আৰম্ভণৰেপৰা সভাৰ লিষ্টত নাম থকা সকলো সাধাৰণ সভ্য আৰু স্বীকৃত সভাৰ সম্পা-দকলৈ কেইবাবাৰো বাকী বৰঙনি আদায় কৰিবলৈ চিঠি লিখা হৈছিল। ১।৭।৩৮ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশ মতে বাকী বৰঙনিৰ ঠাইত প্ৰত্যেক সভ্যাই কেৱল মাত্ৰ ২ টকা, প্ৰত্যেক সভাই ৬ টকা বৰঙনি আদায় কৰিবলৈ আৰু ৩১।৮।৩৮ তাৰিখৰ আগতে সেই

বৰঙনি নিদিলে সভ্য আৰু স্বীকৃত সভা শ্ৰেণীৰ পৰা নাম বাদ দিয়া যাব বুলি জাননী দিয়া হৈছিল। তাৰ বাহিৰেও ১৬।৯।৩৮ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আদায়ৰ তাৰিখ ৩১।১০।৩৮ তাৰিখলৈকে বঢ়াই দিছিল। তথাপিও বেচি সংখ্যক সভ্য আৰু সভাই বৰঙনি আদায় নকৰিলে। সমিতিৰ নিৰ্দ্দেশ মতে বৰঙনি আদায় নকৰা সভ্য আৰু সভাবিলাক বাদ দি ১৯৩৭-৩৮ চনলৈকে বৰঙনি আদায় কৰা সভ্য আৰু ১৬ শ ( ১৯৩৫-৩৬ চন ) বছৰলৈকে বৰঙনি আদায় কৰা স্বীকৃত সভাবিলাকৰ এখনি লিষ্টি কৰি সাহিত্য সভা পত্ৰিকাৰ সপ্তম বছৰৰ ৪ৰ্থ সংখ্যা কাকতত প্ৰকাশ কৰা হৈছিল, আৰু লগে লগে লিষ্টত কিবা ভুল থাকিলে সম্পাদকক জনাবলৈ আৰু ১৯৩৯-৪০ চনলৈকে ৩ টকা বৰঙনি দিলে লিষ্টত বাদ পৰা সভ্য পুনৰাই সভ্য হ'ব পাৰিব বুলি আবেদন প্ৰকাশ কৰা হৈছিল। সেই সংখ্যা কাকত সভাৰ লিষ্টত নাম থকা সকলো সভ্য আৰু স্বীকৃত সভালৈ পঠোৱা হৈছিল। কিন্তু সকলো অনুনয়-বিনয়, ভয়-প্ৰদৰ্শন আশা-প্ৰদানে আশানুৰূপ ফল নিদিলে।

তাৰ পাচত ৪।১।৩৯ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিত ইষ্টাৰ বন্ধত যোৰহাটত এখনি বিশেষ সন্মিলন পতা স্থিৰ হয়। সেই সন্মিলনলৈ ১৯৩৬-৩৭ চনলৈকে বৰঙনি দিয়া সাধাৰণ সভ্য সকলক ১৫ শ বছৰলৈকে বৰঙনি দিয়া স্বীকৃত সভাৰ সম্পাদক বা একোজন প্ৰতিনিধিক আজীৱন, বিশিষ্ট আৰু হিতৈষী সভ্য, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্য আৰু সন্মিলনৰ ভূতপূৰ্ব্ব সভাপতি সকলক নিমন্ত্ৰণ দিয়া হয়। সৰ্ব্বমোট ১৯৫ খন নিমন্ত্ৰণী পত্ৰ পঠোৱা হয়। নিমন্ত্ৰণী পত্ৰত স্পষ্টকৈ লিখা হয় যে—"সেই সভাত সভাৰ গঠন, নিয়মাৱলী আৰু কাৰ্য্য-পদ্ধতি সম্বন্ধে বিশেষকৈ আলোচনা হ'ব।"

অতি দুখৰ বিষয় যে সভাই ইমান বিলাক প্ৰতি-বিধান লোৱা স্বত্বেও বিশেষ সন্মিলন বহাৰ পিচৰ পৰা ঠায়ে ঠায়ে কোনো কোনো লোকে সভাৰ বিৰোধ আচৰণ কৰি সভাক ক্ষতিগ্ৰস্ত কৰিছে। এইটো কথা মন কৰিব লগীয়া যে অসম সাহিত্য-সভা খনি ১৮৬০ চনৰ ২১ আইন মতে এখনি ৰেজিষ্টাৰ কৰা সভা আৰু সেই সভাৰ কাৰ্য্য-পদ্ধতিত সভাৰ সভ্য সকলৰহে মতামত গ্ৰাহ্য হয়। সভাৰ সভ্য শ্ৰেণীত ভুক্ত নোহোৱা বা নিয়মমতে বৰঙনি আদায় নকৰি সভ্য শ্ৰেণীৰ পৰা বাদ পৰা লোকৰ সভাৰ কাৰ্য্যত মতামত দিবৰ কোনো আইন-সঙ্গত অধিকাৰ নাই।

## THE SOCIETIES REGISTRATION ACT, 1860

### SECTION 15, ACT XXI OF 1860.

For the purpose of this Act a member of a society shall be a person, who having been admitted therein according to the rules and regulations thereof, shall have paid a subscription or shall have signed the roll or list of members thereof, and shall not have resigned in accordance with such rules and regulations; but in all proceedings under this Act no person shall be entitled to vote or be counted as a member whose subscription at the time shall have been in arrear for a period exceeding three months.

**Member defined.**

**Disqualified members.**

## গুৱাহাটীত বহা ১৭শ সন্মিলনৰ প্ৰস্তাৱ সমূহ।

সপ্তদশ সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ বিলাকৰ ভিতৰত শোক প্ৰকাশ কৰা ১ম প্ৰস্তাৱ, গুৱাহাটীত মিউজিয়েম ঘৰ নিৰ্ম্মাণৰ বাবে গৱৰ্ণমেণ্টে ১০ হেজাৰ টকা দান কৰাত ধন্যবাদ জ্ঞাপন কৰা ২য় প্ৰস্তাৱ, শ্ৰীযুত কালিৰাম মেধি ডাঙৰীয়াই "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব" লিখি প্ৰকাশ কৰাত কৃতজ্ঞতা জনোৱা ৩য় প্ৰস্তাৱ, দেৰগাঁৱত ছাত্ৰ সন্মিলনে ৺ হেমচন্দ্ৰ বৰুৱাৰ



সোঁৱৰণী ৰাখিবলৈ যত্ন কৰা কাৰ্য্যত সহানুভূতি প্ৰকাশ কৰা ৮ম প্ৰস্তাৱ, গোৱালপাৰা জিলাৰ ছাত্ৰ সন্মিলনে গোৱালপাৰাত অসমীয়া ভাষাৰে শিক্ষা দিয়া ব্যৱস্থা হ'ব লাগে বোলা প্ৰস্তাৱ অনুমোদন কৰা ১৬ শ প্ৰস্তাৱ আৰু চুৰমা উপত্যকাৰ পৰা সভালৈ প্ৰতিনিধি অহাত সন্তোষ প্ৰকাশ কৰা আৰু তাৰ বাবে সেই উপত্যকাৰ অসমীয়া ৰাইজক ধন্যবাদ জনোৱা ১৭ শ প্ৰস্তাৱৰ নকল যো যথা ঠাইলৈ সময় মতে পঠোৱা হল।

গুৱাহাটীত অসম বিশ্ববিদ্যালয় স্থাপন কৰা বিষয়ে পুনৰ বিবেচনা কৰিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰা আৰু সেই সম্বন্ধে এখনি পাণ্ডুলিপি তৈয়াৰ কৰি আইন সভাত উত্থাপন কৰিবলৈ শ্ৰীযুত মহীচন্দ্ৰ বৰা ডাঙৰীয়াক অনুৰোধ কৰা ৪ৰ্থ প্ৰস্তাৱৰ নকল সম্পাদকৰ চিঠিৰে সৈতে গৱৰ্ণমেণ্টলৈ আৰু শ্ৰীযুত বৰা ডাঙৰীয়ালৈ পঠোৱা হল। সেই সম্বন্ধে কাৰো পৰা কোনো উত্তৰ পোৱা নাই।

কলিকতা বিশ্ব-বিদ্যালয়ত অসমীয়া ভাষাক বি, এ আৰু এম, এ পৰীক্ষাত মুখ্য বিষয় হিচাবে স্থান দিবলৈ আৰু তাৰ বাবে ১২০০ টকাৰ এটি দান বিশ্ব-বিদ্যালয়ক দিবলৈ অনুৰোধ কৰা ৫ম প্ৰস্তাৱৰ নকল চিঠিৰে সৈতে গৱৰ্ণমেণ্টলৈ পঠোৱা হ'ল। তাৰ উত্তৰত ২৯।৩।৩৮ তাৰিখৰ চিঠিত গৱৰ্ণমেণ্টে লিখিলে—

"The Calcutta University is now prepared to recognise Assamese language as a 2nd language for the B. A. Examination. The University was also moved in the matter of inclusion of Assamese as a principal subject in the M. A. Examination. Steps have already been taken for the grant of a contribution to the University for the appointment of a lecturer in Assamese."

আকৌ ১৬।৮।৩৮ তাৰিখৰ ৪৩২৮ নং চিঠিত গৱৰ্ণমেণ্টে লিখিলে—"Assamese has been recognised by the Calcutta University as a principal modern Indian Language for the M. A. Examination of that University."

I.C.S. পৰীক্ষাত অসমীয়া দিয়া সম্বন্ধে লিখা চিঠিৰ উত্তৰত গৱৰ্ণমেণ্টে ৬।৯।৩৯ তাৰিখৰ ১৬৮৭-৬৩০৩ নং চিঠিত জনালে—

"The Federal Public Service Commission has been asked by Government of India to watch the results of the institutions at the Calcutta University of the course in Assamese literature, in particular the number of students it attracts. If in two or three years' time the Commission finds themselves in a position to formulate any conclusions the Secretary of State will be prepared to consider the matter further."

তাৰাপুৰৰ ( চিলচৰ ) অসমীয়া ছাত্ৰক প্ৰাইমেৰী স্কুলত অসমীয়া ভাষাৰ পাঠ্য পুথি বাধ্যতামূলক কৰি দিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰা ৬ষ্ঠ প্ৰস্তাৱৰ নকল গৱৰ্ণমেণ্টলৈ পঠোৱা হল। সেই প্ৰস্তাৱৰ নকল ডাইৰেক্টৰ চাহাবৰ কৰীয়তে চুৰমা আৰু পৰ্ব্বতীয়া উপত্যকাৰ ইনচ্পেক্টৰলৈ পঠোৱা হৈছে বুলি ৭।৩।৩৮ তাৰিখৰ ৬৬৬৩ নং চিঠিৰ দ্বাৰাই ডাইৰেক্টৰে সভাক জানিবলৈ দিলে।

অসম সাহিত্য সভাক পূৰ্ব্বে দিয়া ৩,০০০ টকাৰ দান পুনৰাই দিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰা আৰু সেই সম্বন্ধে এম, এল, এ সকলৰ দৃষ্টি আকৰ্ষণ কৰা ৭ম প্ৰস্তাৱৰ নকল সভাৰ এটি ইস্তাহাৰে সৈতে গৱৰ্ণমেণ্টলৈ আৰু অসমীয়া এম, এল, এ সকললৈ যথা সময়ত পঠোৱা হৈছিল আৰু এই সম্বন্ধে আইন সভাত প্ৰস্তাৱ উত্থাপন হৈছিল। শিক্ষা মন্ত্ৰী মাননীয় শ্ৰীযুত গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ ওচৰলৈ যোৰহাটত এটা ডেপুটেচনো গৈছিল। তাৰ ফল স্বৰূপে ১৯৩৯-৪০ চনত ১,০০০ টকা গৱৰ্ণমেণ্টৰ পৰা পোৱা হল আৰু এই বছৰতো ১০০০ টকা মঞ্জুৰ হৈছে বুলি জনা গৈছে। মাননীয় বৰদলৈ ডাঙৰীয়াই ডেপুটেচনৰ আগত কৈছিল যে যদি সাহিত্য-সভাই সময়োপযোগী সাহিত্য গঠন কৰিবলৈ যত্নবান হয় তেনেহলে তেখেতৰ গৱৰ্ণমেণ্টে সভাক মুক্ত হস্তে দান দিয়াৰ সাজু আছে।

স্বৰ্গীয় কমলাকান্ত ডাঙৰীয়াৰ সকলো প্ৰবন্ধ আৰু গ্ৰন্থ প্ৰকাশ কৰিবলৈ যুগুত ব্যৱস্থা কৰাৰ ভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক দিয়া ৯ম প্ৰস্তাৱ অনুসৰি ৺ভট্টাচাৰ্য্য ডাঙৰীয়াৰ সুযোগ্যা কন্যা শ্ৰীমতী উষা ভট্টাচাৰ্য্যলৈ লিখা হৈছিল। তেখেতে উত্তৰ দিলে যে সকলো প্ৰবন্ধ আৰু গ্ৰন্থ যুগুত আছে। লগে লগে সভাই কিমান টকাৰ সহায় দিব পাৰিব সুধি পঠালে। ২৩.৩।৩৮ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বৰ্ত্তমান অৱস্থাত সভাই সহায় দিবলৈ অপাৰগ বুলি দুখ প্ৰকাশ কৰি তেখেতক জনাবলৈ সম্পাদকক নিৰ্দ্দেশ দিলে।

নামঘোষা শাস্ত্ৰ খনি "ভজন কীৰ্ত্তন" নাম দি বঙালী এজনে নিজৰ প্ৰণীত বুলি প্ৰকাশ কৰা বাবে যথাবিহিত আইনসঙ্গত প্ৰতিকাৰ কৰিবলৈ তিনিজন ভদ্ৰলোকক অনুৰোধ কৰা আৰু সেই বিষয়ে যাবতীয় খৰচ বহন কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া ১০ম প্ৰস্তাৱৰ নকল উল্লিখিত ভদ্ৰলোক সকললৈ যথা সময়ত পঠোৱা হৈছিল আৰু তেখেত সকলক দুনাই সোঁৱৰাই দিয়াও হৈছিল; কিন্তু তেখেত সকলৰ পৰা কোনো মতামত এতিয়ালৈকে পোৱা নগল।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ বাবে অসমীয়া কিতাপ বাছি দিয়াৰ ভাৰ সাহিত্য সভাক দিয়া আৰু বিশ্ববিদ্যালয়ত ভাৰ্ণেকুলাৰ বৰ্ডত সন্মিলনে নাম দিয়া তিনিজন মেম্বাৰ লোৱা বিষয়ে কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষক আৰু অসম গৱৰ্ণমেণ্টক অনুৰোধ কৰা ১১ শ আৰু ১৩শ প্ৰস্তাৱৰ নকল যথা স্থানলৈ পঠোৱা হৈছিল। বিশ্ববিদ্যালয়ে ৪.৩।৩৮ তাৰিখৰ ২১৮৭-৪৫ নং চিঠিৰে জনালে—

"Text books in Assamese for various examinations of the University are prescribed after consulting experts on the subject. The boards of studies in different subjects are constituted by election from the members of the various faculties."

গুৱালপাৰাৰ চৰ অঞ্চলত প্ৰাইমেৰী আৰু মজলীয়া স্কুল বিলাকত অসমীয়া চলাবলৈ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা ১২শ প্ৰস্তাৱৰ নকল প্ৰথমে গোৱালপাৰা লোকেলবৰ্ডৰ চেয়াৰমেনলৈ পঠোৱা হয়। তেখেতে ২।৬।৩৮ তাৰিখৰ ১৭৩১ নং চিঠিৰ দ্বাৰাই জনালে—

"There is specific rule framed by Govt. in this respect. The Board cannot alter it at their will. The Sabha may move the Govt if they like."

প্ৰস্তাৱৰ নকলে সৈতে এই চিঠিৰ নকল মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰীলৈ পঠোৱা হল। উত্তৰ এতিয়ালৈকে পোৱা নাই।

পত্ৰিকাৰ ৬ষ্ঠ বছৰৰ ৪ৰ্থ সংখ্যাত ওলোৱা "মহাপুৰুষ শঙ্কৰদেৱ" প্ৰবন্ধ উঠাই লবলৈ ১৩শ প্ৰস্তাৱত দিয়া নিৰ্দ্দেশ মতে সপ্তম বছৰৰ প্ৰথম সংখ্যা পত্ৰিকাত উঠাই লোৱা হল।

বৈজ্ঞানিক পৰিভাষা সঙ্কলন সম্বন্ধে গৃহীত হোৱা ১৪শ প্ৰস্তাৱ ২।২।৩৮ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিত আলোচনা কৰি প্ৰস্তাৱত নাম দিয়াৰ বাহিৰেও আৰু জন দিয়েক বিশেষজ্ঞ ভদ্ৰলোকৰ নাম যোগ দি বেলেগ বেলেগ শাখাৰ কাৰণে বেলেগ বেলেগ সমিতি গঠন কৰি প্ৰত্যেকজন ভদ্ৰলোকলৈকে সন্মিলনৰ প্ৰস্তাৱৰ নকল পঠোৱা হৈছিল। কিন্তু কাৰো পৰা কোনো সম্বিধান এতিয়ালৈকে পোৱা নাই।

অসমীয়া ভাষা প্ৰচাৰৰ অৰ্থে গৃহীত হোৱা ১৫শ প্ৰস্তাৱৰ নকল প্ৰস্তাৱত নাম দিয়া ভদ্ৰলোক সকললৈ পঠোৱা হৈছিল। কাম কৰিবলৈ নিজ নিজ অসুবিধা দৰ্শাই দিয়া দুখন চিঠি দুজনৰ পৰা পোৱা হল। বাকী সকলে কোনো উত্তৰ নিদিলে। ইতিমধ্যে গুৱাহাটীত এটি প্ৰচাৰ বিভাগ খোলাৰ আয়োজন হোৱাৰ কথা শ্ৰীযুত কালীৰাম মেধি ডাঙৰীয়াৰ চিঠিৰ পৰা জানিব পাৰি সেই সম্বন্ধে পোৱা সকলো চিঠি পত্ৰ সম্পাদকে তেখেতলৈ পঠায়। সম্পাদকৰ কাৰ্য্য ১৭।৮।৩৮ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সভাই অনুমোদন কৰে।

**কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ কাৰ্য্য।**

১৯৩৮ চনত কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ৯ খন সাধাৰণ অধিবেশন বহিছিল। ক'ৰমৰ অভাৱত এখন



সভা স্থগিত থাকিব লগা হৈছিল। মফচলীয়া সভ্যৰ ভিতৰত ডিব্ৰুগড়ৰ শ্ৰীযুত বিষ্ণুকিঙ্কৰ কলিতা দুখন অধিবেশনত, নগাঁওৰ শ্ৰীযুত বসন্তকান্ত বৰ কাকতী এখন অধিবেশনত আৰু লক্ষীমপুৰৰ শ্ৰীযুত হৰিপদ দত্ত এখন অধিবেশনত উপস্থিত আছিল।

১৯৩৯ চনত ৬ খন অধিবেশন বহিছিল। ক'ৰমৰ অভাৱত ৩ খন অধিবেশন স্থগিত থাকিব লগা হৈছিল। মফচলীয়া সভ্যৰ কোনো একজনেই কোনো এখন সভাতে উপস্থিত নাছিল. নতুন নিয়মাৱলী মতে স্থানীয় সভ্যৰ সংখ্যা কমাই দিয়াত আৰু ক'ৰমৰ সংখ্যা মোট সভ্যৰ এক চতুৰ্থাংশ কৰাত ক'ৰমৰ অভাৱত কেইখনো সভা স্থগিত ৰাখিব লগা হৈছিল।

এই বছৰ এতিয়ালৈকে ৪ খন অধিবেশন বহিছে। ক'ৰমৰ অভাৱত এখন অধিবেশন স্থগিত ৰাখিব লগা হৈছে।

এই বিলাকৰ বাহিৰেও সময়ে সময়ে কেইবাখনো বিশেষ অধিবেশন বহুৱাব লগা হৈছে। এই সাধাৰণ আৰু বিশেষ অধিবেশন বিলাকত সাধাৰণতে কৰিব লগা কাৰ্য্যৰ বাহিৰে তলত দিয়া কাম বিলাক সভাই কৰিছে।

(ক)

শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা
ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা
ৰায়চাহাব নাৰায়ণ বৰুৱা
মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদ
শ্ৰীশ্ৰীযুক্ত নাৰায়ণ দেৱ অধিকাৰ গোস্বামী
শ্ৰীযুতা নাৰায়ণী সন্দিকৈ
শ্ৰীযুত সুৰেন্দ্ৰনাথ বেজবৰুৱা
ডাক্তৰ চাৰ ব্ৰজেন্দ্ৰনাথ শীল
শ্ৰীযুত তৰুণৰাম ফুকন
ৰায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালা
"   কনকলাল বৰুৱা, চি. আই, ই
খানবাহাদুৰ হাজি ফাইজুদ্দিন আহম্মদ
শ্ৰীযুত ভুবনচন্দ্ৰ গ'গৈ
মৌঃ দেৱাজুদ্দিন আহম্মদ।

এই সকলৰ মৃত্যুত শোক প্ৰকাশ।

(খ) পত্ৰিকা সম্পাদন সম্পৰ্কে কেইবাখনো অধিবেশনত আলোচনা কৰিব লগা হৈছিল। পত্ৰিকাৰ সম্পাদকৰ লগত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ মত নিমিলাত ১০।১০।৩৮ তাৰিখৰ অধিবেশনত পত্ৰিকা সম্পাদনৰ ভাৰ সমিতিয়ে পত্ৰিকাৰ সম্পাদকীয় বৰ্ডৰ ওপৰত দিব লগাত পৰিছিল। আৰু সেই মতেই ৭ম বছৰৰ ৪ৰ্থ সংখ্যা পত্ৰিকা প্ৰকাশ হৈছিল।

(গ) গৱৰ্ণমেণ্টে নিয়োগ কৰা অসমীয়া ভাষাৰ বানান কমিটিলৈ সভাৰ তৰফৰপৰা ৰায় বাহাদুৰ পদ্মনাথ গোহাঁই বৰুৱাক সভ্য নিয়োগ কৰি পঠাইছিল আৰু ১৯৩৯ চনৰ ২৯ আৰু ৩০ জুন তাৰিখৰ অধিবেশনত বানান কমিটিৰ আঁচনি আলোচনা কৰি মতামত দিছিল।

সমিতিৰ কাৰ্য্য-বিবৰণী নিয়মানুসাৰে সময়মতে বাতৰি-কাকতত প্ৰকাশ হৈ থাকে, সেইবাবে বহলাই উল্লেখ কৰা নহ'ল।

সভাৰ অফিচৰ পৰা ১৯৩৮-৩৯ চনত ১১৪৬ খন আৰু ১৯৩৯-৪০ চনত ৫৬৫ খন চিঠি পঠোৱা হয়।

১৯৩৮ চনৰ পৰা এতিয়ালৈকে সাহিত্য সভা-পত্ৰিকা সাত সংখ্যা প্ৰকাশ হৈছে।

১৯৩৯ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা হিচাব পৰীক্ষকে হিচাব চোৱা নাই। ১৯৩৭-৩৮ চনৰ পৰা আজিলৈকে সভাৰ মোটামুটি হিচাব তলত দিয়া হল।

## জমা

| | কি বাবদ | ১৯৩৭-৩৮ | ১৯৩৮-৩৯ | ১৯৩৯-৪০ | ১৯৪০-৪১, ২৬ জুলাইলৈকে |
|---|---|---|---|---|---|
| সভাৰ আয়-ব্যয় | ১। ভৰ্ত্তি মাচুল | ৮৲ | ... | ১৲ | ২৲ |
| | ২। সভ্য, সভা আৰু বৰ্ডৰ বৰঙনি | ৬৪৩৲ | ৬৯৬৲ | ৪৩২৲ | ২৪০৲ |
| | ৩। এককালিন দান | ৫০৲ | ... | ... | ... |
| | ৪। গৱৰ্ণমেণ্ট গ্ৰাণ্ট | ৬০০৲ | ৬০০৲ | ১০০০৲ | ... |
| | ৫। চেভিংচ বেঙ্কৰ সুদ | ১০।/১০ | ৯৶৪ | ১০৸/২ | |
| | ৬। অন্য উপাৰ্জ্জন | ১০৲ | ১৯০৸/০ | ৭২৸/৩ | ২৬৲ ৻৪ |
| | ৭। পত্ৰিকাৰ বৰঙনি | ... | ১৯৷৷০ | ৩৲ | |
| | মুঠ— | ১৩২২।/১০ | ১৫১৫৷৷৪ | ১৫১৯৷৷৶৮ | ২৬৮৲ ৻৪ |

ইয়াত কেৰেণীৰ প্ৰভিডেণ্ট ফণ্ড আৰু ট্ৰষ্ট ফণ্ড কেইটাৰ হিচাব দেখুওৱা হোৱা নাই।

১৯৩৮-৩৯ চনত তলত নাম দিয়া বৰ্ডবিলাকৰ পৰা সহায় পোৱা হয়।

| | | |
|---|---|---|
| গুৱাহাটী লোকেল বৰ্ড | ... | ৫০৲ |
| উত্তৰলক্ষীমপুৰ " | ... | ২৫৲ |
| গোৱালপাৰা " | ... | ৩০৲ |
| নগাঁও " | ... | ১০০৲ |
| তেজপুৰ " | ... | ১০০৲ |
| শিৱসাগৰ " | ... | ৭৫৲ |
| যোৰহাট মিউনিচিপেল বৰ্ড | ... | ১০০৲ |
| নগাঁও " | ... | ১০৲ |
| গুৱাহাটী " | ... | ৫০৲ |
| | | ৫৪০৲ |

সেই বছৰত ট্ৰষ্ট ফণ্ড কেইটাৰ পৰা অফিচৰ খৰচৰ বাবে ১৮০ টকা পোৱা যায়।

যি বিলাক স্বীকৃত সভাই বৰঙনি আদায় কৰিছিল সেই বিলাকৰ নাম তলত দিয়া হল।

| | | |
|---|---|---|
| চিলচৰ সাহিত্য সভা | ... | ৩৲ |
| দিগবৈ সাহিত্য সেৱা সমিতি | ... | ৬৲ |
| কাচাৰ ক্ষাপিৰবন্দ সাহিত্য সভা | ... | ১২৲ (দুবছৰৰ) |
| বিশ্বনাথ সাহিত্য সভা | ... | ৬৲ |
| নাজিৰা " " | ... | ১০৲ |
| ডিব্ৰুগড় " " | ... | ৬৲ |
| গড়ৰভিতৰ " " | ... | ৬৲ |
| তাৰাপুৰ " " | ... | ৮৲ |
| শিৱসাগৰ " " | ... | ৬৲ |
| মঙ্গলদৈ " " | ... | ৬৲ |
| | | ৭০৲ |

সাধাৰণ সভ্যসকলৰ পৰা মোটে ৮৬৲ টকাহে বৰঙনি আদায় হৈছিল।

১৯৩৯-৪০ চনত বৰঙনি দিয়া বৰ্ড বিলাকৰ নাম তলত দিয়া হ'ল।

| | | |
|---|---|---|
| গুৱাহাটী লোকেল বৰ্ড | ... | ৫০৲ |
| যোৰহাট " | | ১০০৲ (১৯৩৮-৩৯চনৰ বাকী) |
| লক্ষীমপুৰ " | ... | ২৫৲ |
| গুৱালপাৰা " | ... | ৩০৲ |
| যোৰহাট মিঃ বৰ্ড | ... | ১০০৲ |
| গুৱাহাটী " | ... | ৫০৲ |
| | | মুঠ—৩৫৫৲ |



ট্ৰাষ্ট ফণ্ড কেইটাৰ পৰা পোৱা হয় ৩৬৲ টকা।

এই বছৰ কোনো স্বীকৃত সভাই বৰঙনি দিয়া নাছিল, সাধাৰণ সভ্যৰ পৰা ১৭৲ বৰঙনি লোৱা হয়। আজীৱন সভ্য শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াই তেখেতৰ বাকী বৰঙনি ৬১৲ টকা এই বছৰতে আদায় কৰে।

সভাৰ নামত চেণ্ট্ৰেল বেঙ্কত জমা থকা সুদে সৈতে ৩০৷৷৵৩ পাই উঠাই আনি পোষ্ট অফিচ চেভিংচ বেঙ্কত জমা ৰখা হয়।

## খৰছ

| কি বাবদ | ১৯৩৭-৩৮ | ১৯৩৮-৩৯ | ১৯৩৯-৪০ | ১৯৪০-৪১ ( ১৯৪০ চনৰ জুলাইলৈকে ) |
|---|---|---|---|---|
| বিশেষ কামত | ২৫।০ | ... | ... | ... |
| সাধাৰণ খৰছ | ২৫৭৸/৩ | ২২৫৸৵০ | ১৫৩৷৷/০ | ১৫৮৵০ |
| কৰ্ম্মচাৰীৰ দৰ্ম্মহা | ৭৩০৸০ | ৭২০।৶০ | ৪৬৮৲ | ১৫৩৲ |
| পত্ৰিকাৰ বাবে | ২১৪৶০ | ৩৬০৷৷/৬ | ১৬৬৷৵০ | ৭৪৸/০ |
| কেৰেণীৰ পঃ ফঃ ত দিয়া | ২১৸৵০ | ২৩৵০ | ... | ... |
| অন্যান্য খৰছ | ... | ... | ১৬৩।/৬ | ... |
| মুঠ ... | ১২৪৯৸৵৩ | ১৩৩০৲ ৻৬ | ৯৫১।৬ | ১৭৩৷৷৶০ |

ইয়াত ট্ৰষ্ট ফণ্ড কেইটাৰ হিচাব দেখুৱা নাই

সভাৰ নিৰ্দ্দেশ মতে নবদেৱ ট্ৰষ্ট ফণ্ড আৰু কমলাদেৱী ট্ৰষ্ট ফণ্ডৰ হিচাব চেভিংচ বেঙ্কত সুকিয়াকৈ ১৯৩৮-৩৯ চনত খোলা হয়। সভাৰ হিচাবৰ পৰা নবদেৱ ট্ৰষ্ট ফণ্ডৰ বাকী জমা ৮১৯।০ আৰু কমলাদেৱী ট্ৰষ্ট ফণ্ডৰ ১৫।/০ উঠাই আনি সেই কেইটা হিচাবত জমা দিয়া হয়।

সভাই লোৱা নবদেৱ ট্ৰষ্ট ফণ্ডৰ ধাৰ ১৯৭৲ টকা কমলাদেৱী ট্ৰষ্ট ফণ্ডৰ ধাৰ ৫৮২৷৷/০ সভাৰ টকাৰ পৰা পৰিশোধ ১৯৩৯-৪০ চনত কৰি সেই কেইটা হিচাবত জমা দিয়া হয়।

১৯৩৯-৪০ চনত শ্ৰীযুত ৰাধুনাথ শৰ্ম্মাৰ ওপৰত সভাক দিব লগা ধাৰৰ বাবে গোচৰ কৰিব লগা হোৱাত ৪০৲ শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক ডাঙৰীয়াক দিয়া হয়। গোচৰত টকা ডিক্ৰি পোৱা হৈছে।

## নৱদেৱ ট্ৰাষ্ট ফণ্ড

১৯৩৮-৩৯ চনৰ পৰা বৰ্ত্তমান মাহলৈকে

| জমা— | | খৰচ— | |
|---|---|---|---|
| সভাৰ হিচাবত থকা— | ৮৩৭।০ | কৰ্ম্মচাৰীৰ দৰ্ম্মহা বাবদ— | ৪৮্ |
| ইম্পিৰিয়েল বেঙ্কৰ পৰা ঘূৰাই পোৱা— | ৫১৵০ | সাত্বত তন্ত্ৰ ছপাবৰ কাৰণ অগ্ৰিম— | ৭৫৮০ |
| ইনকম টেক্স ঘূৰাই পোৱা— | ১২৸৵০ | অন্যান্য— | ২্ |
| ৱাৰ বন্দৰ সুদ— | ২৪৮৸৵০ | মুঠ— | ১২৫৮০ |
| চেভিংচ বেঙ্কৰ সুদ— | ১৭৷৴৪ | বাকী জমা— | ১২৪১।৪ |
| সভাৰ ধাৰ পৰিশোধ— | ১২৭্ | | |
| | ১০৬৭্ ৫৪ | মুঠ— | ১০৬৭্ ৫৪ |

সভাৰ নিৰ্দ্দেশ মতে এই ফণ্ডৰ ইম্পিৰিয়েল বেঙ্কত থকা ৫০০০ টকাৰে ৪৪০০ টকাৰ ৪্ টকীয়া সুদৰ ৱাৰ বন্দ কিনা হয়। তাৰ বাবে ৫৯৪৮৷৴ অনা খৰচ হয়।

এই ফণ্ডৰপৰা সাত্বত তন্ত্ৰ নামে ভট্টদেৱৰ ৰচিত এখনি শাস্ত্ৰ ছপা কৰিবলৈ লোৱা হৈছে। ছপা কাৰ্য্য প্ৰায় সমাধা হৈছে। ৩০।১।৩৯ তাৰিখে বহা কাৰ্য্য নিৰ্ব্বাহক সভাৰ নিৰ্দ্দেশ মতে শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ পাণ্ডুলিখনি যুগুত হলেহে পুথিখনি প্ৰকাশ হ'ব।

## কমলাদেৱী ট্ৰাষ্ট ফণ্ড

১৯৩৮-৩৯ চনৰ পৰা বৰ্ত্তমানলৈকে

| জমা | | খৰচ | |
|---|---|---|---|
| সভাৰ হিচাবত থকা— | ৪৫।৴ | কৰ্ম্মচাৰীৰ দৰ্ম্মহা বাবদ— | ৭২্ |
| টাউন বেঙ্কৰ সুদ— | ২৫০্ | পুৰস্কাৰৰ বাবদ— | ৪০। |
| চেভিংচ বেঙ্কৰ সুদ— | ১১৵৩ | | ১১২।০ |
| সভাই ধাৰ পৰিশোধ কৰা— | ৫৮২।৴ | বাকী জমা— | ৭৭৬৸৩ |
| মুঠ— | ৮৮৯্৫৩ | মুঠ— | ৮৮৯্৫৩ |

এই ফণ্ডৰ সমুদায় ২৫০ টকা যোৰহাট টাউন বেঙ্কত জমা থোৱা হৈছিল। বেঙ্কে এতিয়ালৈকে প্ৰায় ৮১৯ শ মান টকা সুদো দিবলৈ বাকী আছে। সভাৰ নিৰ্দ্দেশ মতে বেঙ্কলৈ আৰু কো-অপাৰেটিভ ক্ৰেডিট চোচাইটিৰ ৰেজিষ্ট্ৰাৰলৈ গোটেই টকা পৰিশোধ কৰিবৰ কাৰণে অনেক বাৰ লিখা হৈছে। বৰ্ত্তমানত সকলো নিমাত। এই ফণ্ডৰ টকা উলিয়াবলৈ বছেৰেকীয়া অধিবেশনে যত্ন কৰা উচিত।

আগেয়ে জাননী দিয়া মতে পোৱা লৰা ছোৱালীৰ উপযোগী জীৱন চৰিত্ৰ তিনিজন পৰীক্ষকৰ হতুৱাই



পৰীক্ষা কৰাই ২৪।১।৪০ তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ছয় খনিৰ বিষয়ে পুৰস্কাৰ ঘোষণা কৰিছে আৰু তিনিখনি পৰীক্ষকে দেখুৱাই দিয়া আসোঁৱাহ শুধৰাই চুনাই সভালৈ পঠাবলৈ ঘূৰাই দিয়া হৈছে। পুৰস্কাৰ ঘোষণা কৰা চাৰিত্ৰৰ দুখনি ছপা হৈ ওলোৱাত সভাৰ নিয়মমতে লিখকক পুৰস্কাৰ দিয়া হৈ গৈছে।

পুৰস্কাৰ পোৱা জীৱনী ও লিখকৰ নাম।

১। গুণাভিৰাম বৰুৱা—শ্ৰীযুতা আজলীতৰা নেওগ।
২। লম্বোদৰ বৰা—শ্ৰীযুত জীৱনচন্দ্ৰ বৰুৱা
৩ সত্যনাথ বৰা—শ্ৰীযুত দীননাথ শৰ্ম্মা
৪। হেমচন্দ্ৰ বৰুৱা — ঐ
৫। হেমচন্দ্ৰ গোস্বামী—শ্ৰীযুত প্ৰেমধৰ ৰাজখোৱা
৬। আনন্দৰাম ঢেকীয়াল ফুকন—শ্ৰীযুত ফণীন্দ্ৰনাথ ভট্টাচাৰ্য।

১ আৰু ৬ এই দুখনি জীৱন চৰিত্ৰ প্ৰকাশ হৈ গৈছে।

বৰ্ত্তমান বছৰৰ কাৰণে পুৰাণ, কোৰাণ আৰু বাইবেলৰ কিছুমান সাধু কথা বিচাৰি জাননী দিয়া হৈছে।

### চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ড

চন্দ্ৰকান্ত অভিধান ছপা কৰোঁতে ৰায়বাহাদুৰ সন্দিকৈ ডাঙৰীয়াৰ পৰা লোৱা ধাৰ এতিয়াও পৰিশোধ হোৱা নাই সেই বাবে চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্টফণ্ডৰ পৰা সভাই নতুন কাম হাতত লব পৰা এতিয়ালৈকে হোৱা নাই। সেই বাবে এই ট্ৰাষ্ট ফণ্ডৰ কোনো হিচাব ইয়াত দিবলৈ নহল।

১৯৩৮-৩৯ চনৰ বাবে এই ফণ্ডৰ ট্ৰাষ্ট বৰ্ডে অনুগ্ৰহ কৰি সভাৰ অফিচৰ খৰচৰ নিমিত্তে মাহে ১৩ টকাকৈ দান দিয়াৰ নিমিত্তে আৰু ১৯৪০-৪১ চনৰ বাবে সেই অৰ্থে মাহে ১০ টকাকৈ দান দিবলৈ ৰায়বাহাদুৰ ডাঙৰীয়া সন্মত হোৱা বাবে বৰ্ডৰ সভ্যসকলক আৰু বিশেষকৈ ৰায়বাহাদুৰ ডাঙৰীয়াক সভাৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সভাৰ অফিচৰ কাৰ্য্য চলাবৰ কাৰণে নৱদেৱ ট্ৰাষ্ট বৰ্ডে ১৯৩৮-৩৯ চনৰ পৰা মাহে ২ টকাকৈ আৰু কমলাদেৱী ট্ৰাষ্ট বৰ্ডে মাহে ৩ টকাকৈ দান দিয়াৰ বাবে দুয়োটা ট্ৰাষ্ট বৰ্ডৰ সভ্যসকলক সভাৰ হৈ কৃতজ্ঞতা জনাইছোঁ।

১৯৩৭-৩৮ চনত সভাৰ যি অৱস্থা হৈছিল তাতকৈ এতিয়া বহুত টনকীয়াল হৈছে। কৰ্ম্মচাৰীসকলক যোৱা জুন মাহলৈকে বেতন দিয়া হৈ গৈছে। কেৱল মাত্ৰ ১৯৩৮-৩৯ চনত কাম কৰা চকিদাৰৰ দৰ্ম্মহা ৩০ টকা বাকী আছে। এই বছৰৰ গৱৰ্ণমেণ্টৰ গ্ৰাণ্ট পালে বৰ্ত্তমানলৈকে সকলো ধাৰ পৰিশোধ কৰি সভাৰ ৮০০মান টকা জমা ৰব। গোচৰৰ টকা আদায় হলে জমা আৰু বাঢ়িব।

তাৰ লগে লগে যদি লোকেল বৰ্ড আৰু মিউনিচিপেল বৰ্ডে যথাসাধ্য সাহায্য দিয়ে আৰু সভ্যসকলেও নিজা নিজা বৰঙনি দিয়ে তেনেহলে সভাই অতি সোনকালে ১৯৩০চনৰ আগৰ অৱস্থা লাভ কৰিব পাৰিব বুলি আশা কৰা যায়। ট্ৰাষ্ট বৰ্ড দুখনৰো, কাম কৰিবৰ কাৰণে, যথেষ্ট টকা জমা আছে।

অতি পৰিতাপৰ বিষয় যে সভাৰ নিয়ম মতে সাধাৰণ সভ্যসকলে আৰু স্বীকৃত সভাই বৰঙনী নিদিয়াত স্বীকৃত সভা আৰু সভাৰ সংখ্যা কমি গৈছে। ১৯৩৮ চনত সভাৰ বহিত নাম থকা ৩৯৮ জন সভ্যলৈ বাকী বৰঙনি বিচাৰি চিঠি দিয়া হয়। তাৰ ভিতৰত—

এবছৰৰ বৰঙনি বাকী থকা সভ্য ... ৪০ জন
দুবছৰৰ „ „ „ „ ... ৩৬ জন
তাতকৈ বেছি „ „ „ ... ৩১৯ জন

বৰঙনি নিয়ম মতে আদায় নকৰা স্বীকৃত সভা— ১৬ খন

১৯৩৯-৪০ চনত দুবছৰলৈকে বৰঙনি বাকী থকা স্বীকৃত সভা আৰু সভ্য ৰাখি আন সকল বাদ দি দেখা গ'ল যে —

২ বছৰ বৰঙনি বাকী থকা সভ্য ... ২৮ জন
১ „ „ „ „ ... ৩৫ „
২ „ „ „ স্বীকৃত সভা ... ৭ খন
১ „ „ „ „ ... ৭ „

সেই চনলৈকে বৰঙনি আদায় কৰা সভা ২ „

ইয়াৰ ভিতৰতে ৪খন সভা ১৯৩৮-৩৯ চনত স্বীকৃত সভা বুলি পৰিগণিত হোৱা।

বৰ্ত্তমান বছৰত এতিয়ালৈকে পোৱা গৈছে—

২ বছৰৰ বৰঙনি বাকী থকা সভ্য—৩৩ জন
১ „ „ „ „ „ —৯ „
বৰ্ত্তমানলৈকে বৰঙনী আদায় কৰা সভ্য—৫ „
(তাৰ ভিতৰত দুজন নতুন সভ্য)
২ বছৰৰ বৰঙনী বাকী থকা সভ্য—১০ খন

আজীৱন সভ্য ১৬ জনৰ ভিতৰত ৪ জনে এতিয়াও সম্পূৰ্ণকৈ বৰঙনি দি আজীৱন সভ্য হব পৰা নাই।

এই সকলো বিলাক কথা আলোচনা কৰি সভাই এটি নিৰ্দ্দিষ্ট প্ৰথা অবলম্বন কৰা আৰু লগে লগে স্বীকৃত সভা আৰু সভ্যৰ সংখ্যা বঢ়াবলৈ যত্ন কৰা উচিত বুলি বিবেচনা কৰোঁ।

সৰ্ব্বশেষত জনাও যে সম্পাদক হিচাবে কাম কৰাত মোৰ অনেক ত্ৰুটি হৈছে। বিশেষকৈ ১৯৩৯ চনৰ জুলাই মাহৰ পৰা মই নগৰৰ পৰা আতৰি থাকিব লগা হোৱাত বোধকৰো সভাও ক্ষতিগ্ৰস্ত হৈছে আৰু মোৰো অনেক অসুবিধা হৈছে। এই কথা জনাই দুবাৰকৈ পদ ইস্তফা দিয়াতো কাৰ্য্য-নিৰ্ব্বাহক সভাই ইস্তফা গ্ৰহণ নকৰিলে। মোৰ যি ত্ৰুটি হৈছে তাক যেন সভাই অনুগ্ৰহ কৰি ক্ষমা কৰে।

গৃহীত হল — শ্ৰীৰামেশ্বৰ বৰুৱা
স্বাক্ষৰ জেহিৰুদ্দিন আহমদ — প্ৰধান সম্পাদক,
সভাপতি। — অসম সাহিত্য সভা।
২৭।৭।৪০ — ২৬।৭।৪০

## পৰিশিষ্ট

# অসম সাহিত্য সভা

## ১৯৪০-৪১ চনৰ বজেট

### সভাৰ

**জমা—**

| | | |
|---|---|---|
| যোৱা বছৰৰ জমা— | ২৬৷৷২ পাই | |
| গৱৰ্ণমেণ্টৰ গ্ৰাণ্ট— | ১০০০৲ | |
| লোকেলবৰ্ড আৰু মিউনিচিপেল বৰ্ডৰ বৰঙনি— | ৪৫৮৲ | × |
| সাধাৰণ সভ্যৰ বৰঙনি— | ১১৮৲ | + |
| স্বীকৃত সভাৰ বৰঙনি— | ১০০৲ | ‡ |
| পত্ৰিকাৰ বৰঙনি— | ৭৲ | |

**অন্যান্য আয়—**

| | | |
|---|---|---|
| (১) কিতাপ বেচি পোৱা— | ৫৲ | × |
| (২) এক কালীন দান— | ১০০৲ | |
| (৩) (ক) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰষ্ট ফণ্ডৰ— | ১২০৲ | |
| (খ) নবদেৱ ট্ৰষ্ট ফণ্ডৰ— | ২৪৲ | |
| (গ) কমলদেৱী ট্ৰষ্টফণ্ডৰ— | ৩৬৲ | |
| (৪) পোষ্ট অফিচৰ সুদ— | ১১৲ | × |
| (৫) শ্ৰীযুত বাবুলানাথ ঠাকুৰৰ পৰা গোচৰৰ টকা আদায় হোৱা—.... | | |
| মোট— | ২০০৫৷৷২ পাই। | |

× যোৱা তিনি বছৰৰ গৰ
+ „ গৰৰ ৩ গুণ
‡ „ „ ১½ গুণ



**খৰচ—**

| | | |
|---|---|---|
| কেৰেণীৰ দৰ্মহা— | ৩০০৲ | + |
| চকিদাৰ আৰু মালীৰ দৰ্মহা— | ১৪৪৲ | × |
| খুচুৰা খৰচ— | ১১৭৲ | |
| সন্মিলনৰ খৰচ— | ৫০৲ | |
| মিউনিচিপেলিটিৰ টেক্স— | ৭৮৲ | × |
| চাকি আৰু পাঙ্খা— | ৫০৲ | |
| মাটিৰ খাজনা— | ৫৩/০ | |
| পত্ৰিকাৰ বাবে— | ৪৮০৲ | |
| পুথি ভড়াল— | ২০০৲ | |
| কিতাপৰ বাবে পুৰস্কাৰ— | ৩০০৲ | |
| সভাই হাতত লোৱা অন্যান্য কাৰ্য্যৰ বাবে— | ২০০৲ | |
| মোট— | ১৯৭২/০ অনা | |
| বাকী জমা— | ৩৩।৶২ পাই | |
| সৰ্ব্বমোট— | ২০০৫৷৷২ পাই। | |

+ কেৰেণীৰ দৰ্মহা মাহে ২০ টকাৰপৰা ২৫ টকালৈ কাৰ্য্য-নিৰ্ব্বাহক সভাই বঢ়াই দিয়ে যদি।

× যোৱা তিনি বছৰৰ গৰ।

### নবদেৱ ট্ৰষ্ট ফণ্ড

**জমা—**

| | |
|---|---|
| ইম্পিৰিয়েল বেঙ্কত ৱাৰ বণ্ডত— | ৪৪০০৲ |
| পোষ্ট অফিচ চেভিংচ বেঙ্কত— | ১২৪৮৶৫ |
| ৱাৰ বণ্ডৰ সুদ— | ১৭৪৷৷০ |
| চেভিংচ বেঙ্কৰ সুদ— | ১৬৵১১ |
| নতুনকৈ কিনিবলগা ৱাৰ বণ্ডত— | ৬০০৲ |
| মোট— | ৬৪৩৯৶৪ পাই |

**খৰচ—**

| | |
|---|---|
| অফিচৰ খৰচৰ বাবে ১৯৩৯-৪০ আৰু ১৯৪০-৪১ চনৰ— | ৪৮৲ |
| সাৰত তত্ত্ব প্ৰকাশৰ বাবে— | ১০০৲ |
| খুচুৰা— | ৫০৲ |
| ৱাৰ বণ্ড কিনাত— | ৬০০৲ |
| ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ প্ৰকাশত এতিয়ালৈকে দিবলৈ বাকী থকা— | ৫০৲ |
| কোনো নতুন পুথি প্ৰকাশৰ বাবে— | ৩০০৲ |
| মোট— | ১১৪৮ টকা |
| বাকী জমা— | ৫২৯১৶৪ পাই |
| সৰ্ব্বমোট— | ৬৪৩৯৶৪ পাই। |

### কমলাদেৱী ট্ৰষ্ট ফণ্ড

**জমা—**

| | | |
|---|---|---|
| টাউন বেঙ্কত জমা থকা মূল— | ২১৫০৲ | |
| টাউন বেঙ্কে দিব লগা বাকী সুদ— | ৮০০৲ | প্ৰায় |
| পোষ্ট অফিচ চেভিংচ বেঙ্কত— | ৭৬৫৷৷৶৭ | |
| চেভিংচ বেঙ্কৰ সুদ— | ১১৷৮ | |
| মোট | ৩৭২৬৶৩ পাই | |

**খৰচ—**

| | |
|---|---|
| অফিচৰ খৰচৰ বাবে ১৯৩৯-৪০ আৰু ১৯৪০-৪১ চনৰ— | ৭২৲ |
| ৯ খন জীৱনীৰ পুৰস্কাৰ— | ১৮০৲ |
| ৩০ টা সাধু কথাৰ বাবে পুৰস্কাৰ— | ১৫০৲ |
| সাধুকথা বিলাক প্ৰকাশৰ বাবে— | ৩০০৲ |
| খুচুৰা খৰচ— | ২৫৲ |
| মোট | ৭২৭৲ |
| বাকী জমা | ২৯৯৯৶৩ |
| সৰ্ব্ব মোট | ৩৭২৬৶৩ |

শ্ৰীৰামেশ্বৰ বৰুৱা
প্ৰধান সম্পাদক।

# অসম সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক সাধাৰণ অধিৱেশন।

## ( শনিবাৰ ১১ শাওন, ১৮২৬ শক ইং ২৭ জুলাই, ১৯৪০ )

## আবেলি ৪ বজাত, চন্দ্ৰকান্ত সন্দিকৈ হলত

( ১ ) মৌলবী জেহিৰুদ্দিন আহমদ চাহাবে সভা-পতিৰ আসন গ্ৰহণ কৰে।

( ২ ) প্ৰধান সম্পাদক শ্ৰীযুত ৰামেশ্বৰ বৰুৱা ডাঙৰীয়াই কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বাৰা অনুমোদিত যোৱা বছৰৰ বছেৰেকীয়া কাৰ্য্য-বিবৰণী পাঠ কৰে আৰু উক্ত কাৰ্য্য-বিবৰণী সৰ্ব্ব-সম্মতি ক্ৰমে গৃহীত হয়।

( ৩ ) ১৯৩৯ চনৰ ৮ আৰু ৯ এপ্ৰেল তাৰিখে যোৰহাটত বহা অসম সাহিত্য সভাৰ বিশেষ সন্মিলনৰ কাৰ্য্য-বিবৰণী আৰু উক্ত সন্মিলনত সংশোধিত হোৱা নিয়মাৱলীৰ সম্পৰ্কে পোৱা ( ক ) শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱাৰ ১২।৪।৪০ তাৰিখৰ চিঠি ( খ ) শিৱসাগৰ সাহিত্য সভাৰ ৩।৫।৪০ তাৰিখৰ চিঠি আৰু প্ৰস্তাৱ ( গ ) শ্ৰীযুক্ত ধনীন্দ্ৰ চন্দ্ৰ বৰুৱাৰ ১৬।৭।৪০ তাৰিখৰ চিঠি আৰু ( ঘ ) বিশ্বনাথ সাহিত্য সভাৰ ২০।৭।৪০ তাৰিখৰ চিঠি পাঠ কৰা হয়।

বিস্তৃত আলোচনাৰ পিচত তলত লিখা ছটি প্ৰস্তাৱ গৃহীত হয়—

( ক ) আজি অসম সাহিত্য সভাৰ এই প্ৰথম বাৰ্ষিক অধিৱেশনে সিদ্ধান্ত কৰে যে ৮।৪।৩৯ আৰু ৯।৪।৩৯ তাৰিখে যোৰহাটত হৈ যোৱা সাহিত্য সভাৰ বিশেষ সন্মিলন সম্পূৰ্ণ বৈধ আৰু আইনসঙ্গত আৰু উক্ত সন্মিলনৰ কাৰ্য্যাৱলীৰ বিৰুদ্ধে পোৱা আপত্তি সমূহ সম্পূৰ্ণ অমূলক।

( খ ) সভ্যসকলৰ, স্বীকৃত সভা সমূহৰ আৰু সৰ্ব্বসাধাৰণৰ অৱগতিৰ অৰ্থে তেজপুৰ সাহিত্য সন্মিলনৰ পৰা আৰম্ভ কৰি ১৯৩৯ চনৰ ৮ আৰু ৯ এপ্ৰিলত হোৱা বিশেষ সন্মিলন পৰ্য্যন্ত প্ৰাসঙ্গিক আৰু আনুসঙ্গিক সকলো কথা অন্তৰ্ভুক্ত কৰি নিয়মাৱলী সংশোধন আৰু বিশেষ সন্মিলন সম্পৰ্কীয় এটি সম্পূৰ্ণ বিবৃতি তৈয়াৰ কৰি বাতৰি কাকতত প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হয় আৰু এই বিবৃতি প্ৰকাশৰ ভাৰ প্ৰধান সম্পাদক ডাঙৰীয়াক দিয়া হয়।

( ৪ ) চাহ বাগিচাৰ স্কুল সমূহ বিলাকৰ সম্পৰ্কে মাননীয় ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা ডাঙৰীয়াই সমজুৱা সকলক নিজৰ ব্যক্তিগত চেষ্টাৰ বিষয়ে অলপ আভাস দিয়ে শেহত বিৰোধী আন্দোলন নিবাৰণৰ উদ্দেশ্যৰে এই সভাৰ পৰা কোনো প্ৰস্তাৱ গ্ৰহণ নকৰাই ভাল দেখি এই বিষয়ৰ আলোচনা বাদ দিয়া হ'ল।

( ৫ ) (ক) অহা ১৯৪১ চনৰ মাদুহ পিয়লত বাগিচাৰ বনুৱাবিলাক যাতে শুদ্ধ ভাৱেৰে পৰিগণিত হয় তাৰ নিমিত্তে আৱশ্যকীয় দিহা কৰিবলৈ মাননীয় ৰায় বাহাদুৰ শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা ডাঙৰীয়াক ভাৰ দিয়া হয়।

(খ) আৰু এই উদ্দেশ্য সাধনৰ অৰ্থে আৱশ্যকীয় সতৰ্কতামূলক ব্যৱস্থা অৱলম্বন কৰিবলৈ স্বীকৃত সভা সমূহক অনুৰোধ কৰা হয়।

( ৬ ) সভাৰ আৰ্থিক অৱস্থা উন্নত কৰিবৰ উদ্দেশ্যৰে সকলো শ্ৰেণীৰ সভ্যৰ সংখ্যা আৰু পত্ৰিকাৰ গ্ৰাহকৰ সংখ্যা বঢ়াবৰ নিমিত্তে গৱৰ্ণমেণ্টৰ পৰা আৰু লোকেল-বৰ্ড, মিউনিচিপেলবৰ্ড সমূহৰ পৰা সাহাৰ্য্য বঢ়াই পাবৰ নিমিত্তে, যথোচিত ব্যৱস্থা কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হ'ল।

( ৭ ) যোৰহাট অভ্যৰ্থনা সমিতিৰ প্ৰস্তাৱ আৰু কাৰ্য্য-নিৰ্ব্বাহক সভাৰ অনুমোদন সমৰ্থন ক্ৰমে পৰিৱৰ্ত্তী সাহিত্য সন্মিলন অহা ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে যোৰহাটত পাতিবলৈ স্থিৰ কৰা হল।

( ৮ ) সভাৰ যোৱা বছৰৰ আয়-ব্যয়ৰ হিচাপ



পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত নোহোৱা বাবে প্ৰধান সম্পাদক ডাঙৰীয়াই তৈয়াৰ কৰা আয়-ব্যয়ৰ হিচাপৰ আলোচনা আৰু অনুমোদন স্থগীত থাকিল। নতুন হিচাপ পৰীক্ষকে বৰ্ত্তমানৰ হিচাপ পৰীক্ষা কৰি দিয়াৰ পিচত উক্ত হিচাপ গ্ৰহণ আৰু শেষ মীমাংসাৰ নিমিত্তে কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ক্ষমতা দিয়া হ'ল।

( ৯ ) প্ৰধান সম্পাদক ডাঙৰীয়াই ১৯৪০-৪১ চনৰ নিমিত্তে প্ৰস্তুত কৰা আয়-ব্যয় তালিকা ( Budget ) পঢ়ি শুনায়; আৱশ্যকীয় আলোচনাৰ পিচত শ্ৰীশ্ৰীনৰদেৱ ট্ৰষ্ট ফণ্ডৰ মূল ৫,০০০ টকা পুৰাই পৰলৈ স্থিৰ কৰা হয় আৰু তদৰ্থে ওপৰঞ্চি ৬০০ টকাৰ চৰ্কাৰী Promissary note কিনিবলৈ প্ৰধান সম্পাদক ডাঙৰীয়াক নিৰ্দ্দেশ দিয়া হয়।

( ১০ ) এই বছৰৰ ( ১৯৪০-৪১ চনৰ ) ভিতৰত কোনো বিশেষ কৰ্ত্তব্য হাতত লবলগীয়া হলে তেনে কৰ্ত্তব্যৰ মীমাংসাৰ নিমিত্তে আৰু তদৰ্থে আৱশ্যকীয় ধন মঞ্জুৰৰ নিমিত্তে কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ক্ষমতা দিয়া হ'ল।

(১১) তলত লিখা মতে নতুন কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠন কৰা হয়:—

### যোৰহাট

(১) শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক—প্ৰধান সম্পাদক
(২) „ ধীৰেশ্বৰ ভট্টাচাৰ্য্য—সহঃ „
(৩) „ তুলসীনাৰায়ণ শৰ্ম্মা—পুথি ভঁড়ালী
(৪) „ ৰামেশ্বৰ বৰুৱা—( পত্ৰিকা সম্পাদক )
(৫) খান চাহেব মৌঃ জেহিৰুদ্দিন আহমদ—হিচাপ-ৰক্ষক ধন-ভঁড়ালী ) (৬) শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, সাহিত্যৰত্ন (৭) শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, আই-এচ-ও (৮) শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা, ৰায় বাহাদুৰ (৯) শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা (১০) শ্ৰীযুত দেৱানন্দ ভঁড়ালী (১১) শ্ৰীযুত জ্ঞানানন্দ বৰঠাকুৰ।

### বাহিৰৰ

(১২) শ্ৰীযুত ( সকল ) কালিৰাম মেধি, (১৩) যোগেন্দ্ৰনাথ বৰুৱা, (১৪) বিষ্ণুপ্ৰসাদ চলিহা, (১৫) নক্ষেশ্বৰ চক্ৰবৰ্ত্তী, (১৬) তাৰাপ্ৰসাদ চলিহা, (১৭) ৰায়চাহেব শ্ৰীযুত গঙ্গাৰাম চৌধুৰী, (১৮) শ্ৰীযুত মনকান্ত মহন্ত, (১৯) ডাঃ জীৱকান্ত শইকীয়া, (২০) শ্ৰীযুত হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য।

হিচাপ পৰীক্ষক—শ্ৰীযুত জীতেন্দ্ৰকুমাৰ দাস।

(১২) সৰ্ব্বশেষত সভাপতি ডাঙৰীয়াই সাহিত্য সভাৰ আৰ্থিক অৱস্থা বেয়াৰ পৰা ভাললৈ অনাৰ বাবে সম্পাদক ডাঙৰীয়া আৰু চৰ্কাৰী কামৰপৰা অৱসৰ লৈ সাহিত্য সভাৰ নিমিত্তে আশানুৰূপ যত্ন লোৱা বাবে শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা ডাঙৰীয়াক ধন্যবাদ জনায়।

(১৩) সভাপতি ডাঙৰীয়াক ধন্যবাদ জনোৱাৰ পিচত সভা ভঙ্গ কৰা হয়।

স্বাক্ষৰ—জেহিৰুদ্দিন আহমদ
সভাপতি,
২৮।৭।৪০।

শ্ৰীৰামেশ্বৰ বৰুৱা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

# লক্ষ্মীনাথ বেজবৰুৱা।

## যোৰহাট চৰ্কাৰী হাই স্কুলৰ ৺লক্ষ্মীনাথ বেজবৰুৱা-স্মৃতি সভাত সভাপতিৰ অভিভাষণৰ সাৰাংশ

২৭।৭।৪০

লক্ষ্মীনাথ বেজবৰুৱাৰ সোঁৱৰণি সভা পতাৰ হে, যোৰহাটৰ চৰ্কাৰী হাইস্কুলৰ ছাত্ৰসকলক মই বৰ মনেৰে অভিনন্দন জনাইছোঁ। স্বৰ্গীয় আনন্দৰাম ঢেকীয়াল ফুকনৰ দিনৰে পৰা আজিলৈকে, অসম দেশৰ কমকৈও ডকুৰি কি আঢৈকুৰিজন মান আগ শাৰীৰ কৃতী পুৰুষ হানি পৰিছে কিন্তু, তেওঁলোকৰ এজনৰো স্থায়ী ৰূপে কিবা সোঁৱৰণি-চিন ৰখা যে ন'হলেই, আনকি বছৰে প্ৰতি ডাঙৰকৈ একোখন স্মৃতি-সভা পতাৰো আজিলৈকে একো দিহা নহ'ল। ই বাস্তৱিকতে বৰ দুখৰ কথা। যি জাতিয়ে নিজৰ কৃতী লোকসকলৰ প্ৰতি ভক্তি-সন্মান দেখুৱাব নেজানে, তেওঁলোকৰ আহি লৈ চলিবলৈ দেশৰ মানুহক উদগনি দিবলৈ কাণ নকৰে, সেই জাতি জাতীয় উন্নতিৰ পথৰ পৰা অনেক আঁতৰত। দূৰৰ কথা নকৰেঁই, আমাৰ ঢাপৰ দাঁতিৰ বঙ্গ দেশতে, ৰামমোহন ৰায়, কেশৱচন্দ্ৰ সেন, ৰামকৃষ্ণ পৰমহংস, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, বঙ্কিম বাবু আৰু বিবেকানন্দ স্বামীৰ দৰে স্মৰণীয় পুৰুষসকলৰ স্মৃতি সভা আজিলৈকে বছৰে বছৰে মহা সমাৰোহেৰে হ'ব লাগিছে। নিজৰ পূৰ্ব্বপুৰুষৰ গুণ-গৰিমাই যেনেকৈ প্ৰত্যেক মানুহৰ মনত আত্মসন্মানৰ বোধ জন্মায়, সেই দৰেই দেশৰ উল্লেখযোগ্য প্ৰধান লোকসকলৰ কৰ্ম্ম কাহিনীয়েও দেশীয় মানুহৰ অন্তৰত গৌৰৱৰ ভাব সৃষ্টি কৰে, সাহস সোঁত বোৱায়, আৰু চকুৰ আগত ডাঙৰ আহি দাঙি ধৰে। আনন্দ ফুকন, আনন্দ বৰুৱা, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, জগন্নাথ বৰুৱা, দীনেশ্বৰ ভট্টাচাৰ্য্য, ভোলানাথ বৰুৱা, আব্দুল মজিদ, লক্ষ্মীনাথ বেজবৰুৱা আদি পুৰুষ সকল আমাৰ দেশৰ একো একোটি বহুমূলীয়া বস্তু। তেওঁলোকৰ জীৱনত আমি শিকিব লগীয়া অনেক কথা আছে। তাৰ পৰা আমাৰ উঠি অহা ডেকাসকলে, নিজৰ জীৱন গঢ়ি তুলিবলৈ অনেক সাহায্য পাব পাৰে। কবিয়ে কৈ গৈছে :—

"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত,
অভিনয় শেষ হ'লে আয়ু বেলি যাব গ'লে,
থৈ যাব পাৰো সোঁত সময় বালিত"।

—ই যথাৰ্থতে নিখুঁট সঁচা কথা। এনেবিলাক শ্ৰেষ্ঠ লোকৰ কথা সুঁৱৰিবলৈ আৰু লোককো সোঁৱৰাবলৈ আওকাণ কৰা আমাৰ অতি নিন্দাৰ, লাজৰ, পৰিতাপৰ আৰু অপলাগৰ বিষয়। দেশৰ সকলোখিনি অনুকৰণীয় লোকৰে গাইপতি বছৰে বছৰে একোখন স্মৃতি সভা পাতি, তেওঁলোকৰ কাৰ্য্যকলাপবোৰ সকলোকে ঘনাই সোঁৱৰাই থকাৰ নিতান্ত প্ৰয়োজন। এই কাম প্ৰায় সকলো ঠাইতে, ঘাইকৈ ছাত্ৰসকলৰ উদ্যমতেহে হয়। মই এই কামলৈ আমাৰ সকলো ছাত্ৰকে বিশেষ ৰূপে খাটিছোঁ। এই স্কুলৰ ছাত্ৰসকলে একে লালীয়ে আজি দুবছৰ বেজবৰুৱাৰ স্মৃতি-সভা পাতিছে। ই সন্তোষৰ কথা। কিন্তু, অকল ছাত্ৰৰ যত্নতে এই কাম বছৰেপতি থতি নোহোৱাকৈ হৈ থকা কিছু টান। কাৰণ উদ্যোগী ছাত্ৰসকলে স্কুল এৰি গলেই, বা কেতিয়াবা তেনে উদ্যোগী ছাত্ৰ নোহোৱা হলেই, এনেবোৰ অনুষ্ঠান চেচেৱা পৰি যায়। সেই বাবে এই চহৰতে মই শিক্ষকসকলকো এটি অনুৰোধ কৰোঁ, তেখেত সকলে যেন এই কামৰ গা-লাগি ধৰি ধৰে; আৰু অকল বেজবৰুৱাৰে নহয়, দেশৰ সকলোখিনি আদৰ্শ লোকৰে বছৰে বছৰে সমাৰোহেৰে স্মৃতি-সভা পাতিবলৈ এটি স্থায়ী অনুষ্ঠানৰ সৃষ্টি কৰে। তাৰ পৰা ছাত্ৰসকলৰ আৰু আন মানুহৰো অনেক উপকাৰ হ'ব। বীৰপূজা



ছাত্ৰৰ শিক্ষাৰো যে এক প্ৰধান অঙ্গ, এই কথা তেখেতসকলক বুজাবলৈকে যোৱাৰ প্ৰয়োজন নাই।

লক্ষ্মীনাথ বেজবৰুৱা আমাৰ দেশৰ এগৰাকী প্ৰধান দেশকৰ্ম্মী। দেশৰ উন্নতিৰ হকে সাধ্যমতে পুৰুষাৰ্থ কৰাটো শিক্ষিত মাত্ৰৰে ডাঙৰ কৰ্ত্তব্য। দেশৰ কাম অনেক বিধৰ আছে। আটাই মানুহ আটাই কামৰ উপযুক্ত নহয়। জগদীশ বসুৱে কবিতা লিখিবলৈ, ডাক্তৰ ৰমনে বাণিজ্য কৰিবলৈ, বা মহাত্মা গান্ধিয়ে চিপাহী হৈ ৰণ কৰিব লগা হ'লে, কিমান সফলতা লভিলে হেতেন, তাক ক'ব নোৱাৰি। গতিকে মানুহে নিজৰ ৰুচি সাধ্য আৰু সুবিধা বুজি, ভিন ভিন ক্ষেত্ৰত দেশৰ কাম কৰিব লাগে। সেই বাবেই কোনোৱে ৰাজনীতি, কোনোৱে ধৰ্ম্ম, কোনোৱে সমাজ, কোনোৱে সাহিত্য আৰু কোনোৱে শিল্প বাণিজ্য আদি, গাইপতি বিভিন্ন ক্ষেত্ৰত দেশৰ কাম কৰি দেশসেৱা কৰে। চৰ্কাৰৰ চাকৰিয়াল সকলেও তেওঁলোকৰ কৰ্ত্তব্য সুচাৰুৰূপে সম্পাদন কৰাটো দেশৰ এটা ঘাই কাম। গতিকে তেওঁলোকৰ কামো দেশসেৱা। লক্ষ্মীনাথ বেজবৰুৱাই দেশসেৱা কৰিলে সাহিত্য ক্ষেত্ৰত কাম কৰি, তেওঁৰ কাৰ্য্যকৰী ক্ষমতাৰ প্ৰায় সমস্তখিনিয়েই অকল সাহিত্য ক্ষেত্ৰতে আজীৱন কাললৈ আবদ্ধ আছিল। বাহিৰৰ ফেঁপা-ফুলা আৰু ভিতৰৰ খৰিয়াল এই দুইকো একেলগে অতিক্ৰম কৰি, যদি কিবা ৰূপে এই অসমীয়া জাতিটো তাস্তিব পাৰেগে, তেনেহলে ইয়াৰ বুৰঞ্জীত লক্ষ্মীনাথ বেজবৰুৱাৰ নাম ডাঙৰ সাহিত্যিক বুলি জিলিকি থাকিব।

সাহিত্যৰ কাম অনেকে কৰিছেও আৰু কৰিবও। কিন্তু বেজবৰুৱাৰ অৱস্থাত পৰি, এনে দৰে সাহিত্য চৰ্চ্চা কৰোঁতাৰ লেখ সৰহ নোলায়। বিদেশত বিয়া-বাক কৰাই, বিদেশতে নিগাজীকৈ থাকিবলৈ লৈ, ঘৰৰ ভিতৰে বাহিৰে অকল বিৰোধী বিদেশী শক্তিৰেই সদায় পৰিবেষ্টিত থাকি, আৰু তাৰ উপৰিও জীৱিকা নিৰ্ব্বাহৰ বাবে বিদেশত বাৰওঁহলীয়া কামত লাগি থাকিও, তেওঁ যেনে দৰে দেশৰ কাম কৰি গ'ল, তেনে কৰোঁতা আমাৰ মাজত কেই জন ওলাব? বিবিধ আহুকালৰ মাজতো, তেওঁ গোটেই জীৱনতে একান্ত চিতেৰে মাতৃ-সাহিত্যৰ পূজা কৰি, পূজাৰ ফুলেৰে মাতৃ-চৰণ ৰঞ্জিত কৰিলে। ঈশ্বৰৰ বিচিত্ৰ লীলা; স্বদেশ-বাসৰ পৰা বঞ্চিত কৰি মনত বিষাদ লগাই দি, তেওঁৰ হিয়াত দেশ সেৱাৰ বাউতি বঢ়াবলৈকে বা ঈশ্বৰে লক্ষ্মীনাথক আজুৰি নি বিদেশত পেলাইছিল—তাকো আমি বুজিব নোৱাৰোঁ।

বেজবৰুৱাই আমাৰ ভাষা আৰু সাহিত্যক সদায় আঁৱৰি ধৰি ৰাখি আছিল। তেওঁৰ তাপত, অসমীয়া সাহিত্যক বাহিৰৰ পৰাও কোনেও আক্ৰমণ কৰিব নোৱাৰিছিল; আৰু ভিতৰ ফালেও, তাত কোনেও কিবা মলি সানি বিকৃত ঘটাব নোৱাৰিছিল। ক'ৰবাত কোনোবাই অসমীয়া ভাষা বা সাহিত্যৰ বিপক্ষে ঘুণাক্ষৰেও কিবা লিখা বা কোৱা শুনিলে, তেওঁ তত্তালিকে প্ৰতিবাদ প্ৰচাৰ কৰি, যথাৰ্থ যুক্তিৰে তাক খণ্ডন কৰিছিল। তাহানি "জোনাকীত ওলোৱা তেওঁৰ "অসমীয়া ভাষা" শীৰ্ষক প্ৰবন্ধ কেইটা পঢ়ি চাবলৈ মই সকলো ছাত্ৰকে উপদেশ দিওঁ। তাত তেওঁ যেনে যুক্তিৰে আৰু যেনে ভাষাৰে অসমীয়া ভাষাৰ হক ৰক্ষা কৰিছে, তাক সকলোৱে পঢ়ি চোৱা উচিত। সেই প্ৰবন্ধ কেইটাত তেওঁৰ লনি আৰু ৰসাল ভাষাৰ, আৰু সবল সুযুক্তিৰ আস্বাদ পোৱা যায়; আৰু তাত অনেক জানিব লগীয়া কথাও আছে। লোকে লিখা কোনো খন কিতাপৰ বা একোটা প্ৰবন্ধৰ তেওঁ যেনে সমালোচনা কৰিছিল, তাকো সকলোৱে পঢ়া উচিত। কোনো অসমীয়া লিখক কিবা অবাটে যোৱা দেখিলে, তেওঁ যেনে ৰূপে চেকনি কোব শোধাইছিল, তাক সেই সমালোচনাবোৰ পঢ়িলেই জানিব পাৰি।

"জোনাকী" কাকত লক্ষ্মীনাথ আৰু চন্দ্ৰকুমাৰ উভয়ৰে ডাঙৰ কাম। তেওঁলোকেই সেই কাকতৰ জন্মদাতা। তেতিয়া তেওঁলোক কলিকতাত ছাত্ৰ আছিল। "জোনাকীয়ে" আন্ধাৰ অসমত কেনে দৰে জোনাক বিলালে, তাক সকলোৱে জানে। তাহানি সুৰেণ বানাৰ্জ্জী,

ফিৰোজ্ চা মেহতা আৰু বদ্ৰিয়ুদ্দিন আদিয়ে কংগ্ৰেচ পাতি থৈ নোযোৱা হ'লে, ভাৰতত মহাত্মা গান্ধি, মতিলাল, জহৰলাল আদি নেতাসকল নোলাল হেতেন। সেই দৰেই, জোনাকী নোহোৱা হ'লেও আজিৰ অসমীয়া সাহিত্য হ'ব নোৱাৰিলে হেতেন। মুঠতে, আজিৰ অসমীয়া সাহিত্যৰ মূৰ্ত্তিপনৰ সাৰপাৰৰ ভালোখনি সেই জোনাকী যুগৰ নিশান; আৰু তাৰ ঘাই শিল্পী আছিল লক্ষ্মীনাথ আৰু চন্দ্ৰকুমাৰ। এওঁলোকৰ আনবোৰ কাম এৰি দিলেও, অকল এইটো কামৰ বাবেই অসমীয়া জাতি এওঁলোক দুজনৰ ওচৰত নথৈ ধৰুৱা।

বেজবৰুৱাৰ সাহিত্যপ্ৰতিভা বহুমুখী আছিল। তেওঁৰ প্ৰতিভা সাহিত্যক্ষেত্ৰৰ কোন কোন বিভাগত ব্যাপৃত আছিল বুলি সোধাতকৈ, কোন কোন বিভাগত ব্যাপৃত নাছিল বুলি প্ৰশ্ন কৰিলেহে উত্তৰ দিবলৈ উজু হয়; কিয়নো, তেওঁৰ প্ৰতিভাই গল্প পদ্য ধৰ্ম্ম সমাজ নাটক ইতিহাস জীৱনী উপাখ্যানকে আদি কৰি সাহিত্যক্ষেত্ৰৰ অনেক বিভাগ সামৰি আছে। তেওঁৰ গভীৰ আধ্যাত্মিক ভাবৰ লিখাও আছে, আৰু "লিতিকাই"ৰ দৰে অতি কুচুৰি লিখাও আছে। তেওঁ ললিত আৰু মধুৰ ভাষাৰে ভক্তিযোগৰ কথাও লিখিছে, আৰু কৃপাবৰ বৰুৱাৰ "ক্ৰাইট্ৰ ফ্ৰৌট্ৰ" ভাষাৰে খুহতীয়া কথাও লিখিছে। খুহতীয়া লিখাত বেজবৰুৱাক অকল "সিদ্ধহস্ত"হে নেলাগে, পথপ্ৰদৰ্শকো বুলিব লাগে। তেওঁৰ পূৰ্ব্বে তেওঁৰ ধৰণৰ ব্যঙ্গ লিখা লিখোঁতা লোক নাছিল। তাৰ পাচত আমাৰ ভাষাত যি কেইখন ব্যঙ্গ ভাষাৰ কিতাপ ওলাইছে, সি বেজবৰুৱাৰ খুহতীয়া ভাষাই দিয়া প্ৰেৰণাৰেহে চিন।

বেজবৰুৱা পুৰণি মহাপুৰুষীয়া সাহিত্যত সুপণ্ডিত আছিল। আমাৰ শিক্ষিত সকলৰ ভিতৰত, সেই সাহিত্যৰ তেওঁৰ সমান চৰ্চ্চা কৰোঁতা লোক অতি বিৰল। মহাপুৰুষীয়া ধৰ্ম্ম সম্পৰ্কীয় তেওঁৰ লিখাবোৰ মধুৰ আৰু চিন্তাশীল।

লক্ষ্মীনাথ বেজবৰুৱা কৃতী পুৰুষ। তেওঁৰ সকলোখিনি লিখাই কৃতিত্বপূৰ্ণ আৰু আৰু আমাৰ অমূল্য সম্পদ। তেওঁৰ প্ৰত্যেকখন কিতাপ, প্ৰত্যেকটো প্ৰবন্ধই সাহিত্য হিচাবে ওখ থাপৰ।

সুলিখক বুলিলেই, বৰৰ পৰা সৰুলৈকে সকলোৰে লিখাৰ একোটা স্বকীয়া ঠাঁচ, বা "ষ্টাইল" থাকে। এজনৰ ষ্টাইল আন এজনে নৈতে প্ৰায়েই নিমিলে। চেক্চ্পিয়েৰৰে আৰু মিল্টন্ বা টেনিচনৰে, নতুবা মেকলে আৰু বৰ্কৰে, অথবা কালিদাস আৰু ভবভূতিৰে লিখাৰ ঠাঁচ একে নহয়। ঘাইকৈ এই ঠাঁচ বা ষ্টাইলেই প্ৰতি জন লিখকৰে বৈশিষ্ট্য বা বিশেষত্ব বা নিজস্ব। ডাঙৰ লিখকৰ এই নিজত্ব ইমান প্ৰবল যে, লিখাৰ ঠাঁচ দেখিয়েই তাক তেওঁৰ লিখা বুলি চিনিব পাৰি। চেক্চ্পিয়েৰৰ দুশাৰী লিখা বা কালিদাসৰ এটা শ্লোক পঢ়িয়েই, তাক তেওঁলোকৰ লিখা বুলি ধৰিব পাৰি। চেক্চ্পিয়েৰৰ লিখা সাধাৰণতে চুম্বক। Brevity is the soul of wit বুলি তেওঁ নিজে লিখি যোৱা কথাষাৰ তেওঁ নিজৰ লিখাতে আখৰে আখৰে পালন কৰিছে। চুথকতা, শব্দবাঙনি আৰু চৰিত্ৰ অঙ্কণ, তেওঁৰ লিখাৰ এই কেইটা বাছকবনীয়া গুণ। তাৰে পৰা তেওঁৰ লিখাবোৰ ফাকত জিলিকি জ্বলি থাকে। কালিদাসক চিনিব পাৰি তেওঁৰ ললিত লাবণ্যময় ভাষা আৰু মহিমাময় ভাবৰ গুণত। বেজবৰুৱাৰ লিখাৰ ঠাঁচ আনবিলাক অসমীয়া লিখকৰ ঠাঁচতকৈ পৃথক।

তেওঁৰ প্ৰথম বিশেষত্ব এয়ে যে, তেওঁৰ লিখাত হাস্য ৰসেই সৰহ থাকে। হাস্য ৰস প্ৰয়োগ কৰা প্ৰণালীত তেওঁ অদ্বিতীয়। গধুৰ লিখাৰ ভিতৰতো তেওঁ ইয়াক খাপ খুৱাই সুমাই দিব জানিছিল, অৰ্থাৎ গধুৰ ভাবৰ কথা লিখোঁতেও, তাৰ মাজে মাজে তেওঁ এনে কায়দা লগাই হাস্য ৰস সুমাব জানে যে, সি ৰচনাৰ গধুৰত্ব নষ্ট নকৰি, তাক পাঠকৰ অধিক প্ৰীতিকৰ কৰিহে তোলে।

তেওঁৰ দ্বিতীয় বিশেষত্ব হ'ল সুৰুচি বেজবৰুৱাৰ ৰুচি অতি সুমাৰ্জ্জিত, তেওঁৰ ঠাট্টা অতি ৰসাল, তেওঁৰ লিখাৰ প্ৰণালী অতি নিতোপন আৰু তাৰ শিক্ষাও অতি ফাকৰা আৰু লাগতিয়াল্। হাস্যৰস আৰু সুৰুচি। এই দুই গুণে তেওঁৰ ৰসৰাজ নাম যথাৰ্থতে সাৰ্থক কৰিছে।

বেজবৰুৱাৰ তৃতীয় বিশেষত্ব তেওঁৰ ভাষাৰ প্ৰাঞ্জলতা। তেওঁৰ শব্দাৱলী বৰ নিভাঁজ, খৰুৱা আৰু শুদ্ধ। তেওঁ পাৰিলে খৰুৱা অসমীয়া কথা এৰি সংস্কৃতীয় ডাঙৰ



শব্দবোৰ নিলিখিছিল। তাৰ মাজে মাজে ৰজিতা খোৱা যোজোনা সুমাই, allusion অৰ্থাৎ উল্লেখ-উক্তি দি, বিশুদ্ধ জতুৱা ঠাঁচ লগাই, তেওঁ ৰচনাক অতি মনোৰম কৰিব জানিছিল। তেওঁ লিখাত বৰ দীঘলীয়া একোটা বাক্যও পোৱা যায়। কিন্তু তেওঁৰ লিখা পোন পটীয়া গুণে, আৰু শব্দবোৰ খৰুৱা গুণে, সেই দীঘল বাক্য বোৰৰো অৰ্থ বুজিবলৈ তাক এবাৰতকৈ দুবাৰ পঢ়িব নেলাগে।

মানুহে ৰচনা গধুৰ কৰিবলৈ, অৰ্থাৎ ওপৰ থাপৰ সাহিত্য কৰিবৰ নিমিত্তে, তাক টান ভাষাৰে লিখাটো যুক্ত নহয়। ৰচনাত মানুহৰ ওখ ভাববোৰ সকলোৱে বুজিব পৰা উজু ভাষাৰে প্ৰকাশ কৰিব পৰাটোহে বাহাদুৰীৰ কথা। তাক কেতিয়াও লোকে সহজে বুজিব নোৱাৰা দুৰ্ব্বোধ্য বা অবোধ্য ভাষাৰে লিখিব নেলাগে। লিখাৰ প্ৰয়োজন অকল এই বাবে যে, লিখোঁতাৰ মনৰ ভাব পঢ়োঁতাই বুজিব লাগে। সৰল খৰুৱা কথাৰে আৰু জতুৱা ঠাঁচেৰে লিখিলে, লিখকৰ কথা পঢ়োঁতাৰ মনত সংজে সোমাব পাৰে, আৰু তাকে ভাল যুক্তিৰে লিখিলে, সি মনত খাপ খাই বহি যায়।

উক্ত ভাষাৰ, নিগুঢ়ি শব্দৰ চুটি ৰচনা অতি প্ৰীতিকৰ বস্তু। ই স্বভাৱজাত বনফুলৰ দৰে সৰল আৰু সুন্দৰ, আৰু আভৰণ নিপিন্ধা, ধুতি-শুচি, আঙলী ছোৱালীটিৰ দৰে শুকু পবিত্ৰ আৰু মনোহৰ। পাকৈত লিখকে তেনে উজু ভাষাৰেই জ্ঞান বিজ্ঞান ন্যায়-দৰ্শনৰ ওখ তত্ত্বও লিখিব পাৰে; আৰু তাতে অলঙ্কাৰ লগাই, উপমা খটাই, ৰসৰ বহণ ঢালি আৰু ভাবৰ ঢেউত চৰাই, তাৰেই ওখ থাপৰ নাটক উপন্যাস কাব্য আদিও লিখিব পাৰে।

এই সকলোবিলাক কথা বেজবৰুৱাই সুন্দৰকৈ বুজিছিল: আৰু সেই গুণেই লিখাবোৰ তেওঁ এনে ৰসাল কৰি তুলিব পাৰিছিল।

বেজবৰুৱা বৰ ৰংৰসৰ আৰু অতি অমায়িক স্বভাৱৰ লোক আছিল। লিখাৰ দৰেই তেওঁৰ কথাবোৰো আৰু চিঠি-পত্ৰবোৰো ধেমেলীয়া। কলিকতাত থকা কালত, ৰায়-বাহাদুৰ স্বৰ্গীয় জগন্নাথ বৰুৱা ডাঙৰীয়াই কেইজনমান অসমীয়া লোকক এদিন ভোজলৈ মাতিছিল। ভোজত বেজবৰুৱাই জীৱনৰাম ফুকনে দুয়ো ওচৰা-ওচৰিকৈ বহিছিল। জীৱনৰাম ফুকন তৰুণ ফুকনৰ ককায়েক; তেওঁ বিজ্নি ৰাজ্যৰ দেৱান আছিল। ৰায় বাহাদুৰ ডাঙৰীয়াই ক'লে বোলে "ফুকনে দেখোন ভালকৈ খোৱা নাই; লক্ষ্মীনাথ, তুমি তেওঁলৈ মন কৰিবা।" বেজবৰুৱাই "ভাল" বুলি মনে মনে থাকিল। তেখেতে সুধিলে বোলে "কি ক'লোঁ বুজিলানে?" বেজবৰুৱাই বোলে "হয় বুজিলোঁ, ভাল বাৰু মই তেখেতক সহায় কৰিম।" সিজনে পুনাই সুধিলে বোলে, "কি সহায় কৰিবা?" তেতিয়া বেজবৰুৱাৰ কথা শুনি কোনেও হাঁহি সামৰিব নোৱাৰিলে। তেওঁ বোলে, "ফুকনে অকলৈ নোৱাৰা যেন দেখিলে তেওঁৰ ভাগৰ বস্তুবোৰ মই নিজেই খাই, তেওঁক সহায় কৰি দিম।"

মই বয়সেও বেজবৰুৱাতকৈ বহুত সৰু। মোলৈ "আপুনি" বুলি চিঠি লিখাত, মই তেওঁলৈ লিখিলোঁ বোলো মোক "আপুনি" নুবুলিব। তেওঁ লিখি পঠিয়ালে বোলে "বাৰু তেন্তে, এতিয়াৰ পৰা আপোনাক তুমিকে বুলিম।"

এই দৰেই তেওঁ সকলো কথাতে ধেমেলীয়া আৰু প্ৰসন্ন মনৰ মানুহ আছিল। সেই প্ৰসন্নতাই তেওঁক সাহিত্য-চৰ্চ্চাত বিশেষ সহায় কৰিলে। সাহিত্যৰ কামলৈ ঘৰত শান্তি আৰু মনত সুখ লাগে।

বেজবৰুৱাৰ ধৰ্ম্মমত উদাৰ বিধৰ আছিল; আৰু তেওঁ চলন-ফুৰণ আৰু নীতি-নিয়ম আদিত এই যুগৰ উদাৰ মতৰ হিন্দুৰ দৰে চলিছিল। তেওঁ কলিকতাৰ ঠাকুৰ পৰিয়ালৰ ছোৱালী বিয়া কৰোৱাত, অনেকে তেওঁক আদি ব্ৰাহ্ম সমাজৰ ব্ৰাহ্ম বুলি ভাবিব পাৰে। কিন্তু, তেওঁ শেহলৈকে মহাপুৰুষীয়া পথৰ হিন্দু হৈয়েই থাকিল। সেই বাবেই, তেওঁৰ শ্ৰাদ্ধাদি ক্ৰিয়াও অসমীয়া হিন্দুৰ নিয়ম-নীতিৰেহে কৰা হ'ল।

স্বদেশ এৰি বিদেশত বহাৰ বাবে, বেজবৰুৱাৰ মনতো পাচত অনুতাপে ঠাই লৈছিল। গুৱাহাটীত বহা অসম ছাত্ৰ সন্মিলনৰ তেওঁৰ সভাপতিৰ অভিভাষণত তাৰ আভাস পোৱা যায়। সেই অভিভাষণত তেওঁ নিজক মাতৃভূমিৰ "অধম" সন্তান বুলি বৰ্ণাইছিল। যেই হওক, শেহত যে তেওঁ সেই মাতৃভূমিৰ কোলাতে হাড় শোধালেহি, ই তেওঁৰ আৰু আমাৰো পৰিতোষৰ কথা।

বেজবৰুৱাৰ সকলোবিলাক লিখাৰ স্বত্ত্বৰ অধিকাৰ তেখেতৰ জোঁৱায়েক শ্ৰীযুত ৰোহিনীকুমাৰ বৰুৱাৰ হাতত পৰিছে বুলি শুনিছোঁ। ই সন্তোষৰ কথা; কাৰণ এই অধিকাৰ সুযোগ্য লোকৰ হাততে পৰিছে। বেজবৰুৱাৰ সকলোবোৰ লিখা গ্ৰন্থাৱলী স্বৰূপে সোনকালে প্ৰকাশ কৰিবলৈ বৰুৱাদেৱক সকলো ৰাইজে অনুৰোধ কৰা উচিত। সেয়ে বেজবৰুৱাৰ স্মৃতি-চিহ্ন হৈও জিলিকি থাকিব, আৰু আমাৰ সাহিত্য-সম্পদো ৰক্ষা কৰিব। কিন্তু তাত বাজেও, ৰাজহুৱাকৈ স্থায়ী ভাবেৰে তেওঁৰ কিবা এটা স্মৃতি-চিহ্ন ৰাখিব নোৱাৰিলে, শিক্ষিত অসমীয়াই প্ৰত্যবায়ৰ হাত সাৰিব নোৱাৰে।

# মোৰ অসম।

এয়েই অসম মোৰ ঠাই গৌৰৱৰ ;
মহিমা-মণ্ডিত ভূমি শ্রেষ্ঠ জগতৰ।
জনমিলে ইয়াতেই কত মহাজন—
ৰাখিলে অক্ষয় কীৰ্ত্তি,—চিৰ অত্তগণ।
কামৰূপ নামে খ্যাত পুৰণি কালৰ
যোগ-সাধনাৰ ঠাই তাপস-সবৰ—।
ইয়াতেই মহাদেৱ যোগ-সিদ্ধ হয়,
যাৰ ক্রোধাগ্নিত পৰি "কাম" ভস্ম হয়।
বশিষ্ঠ, গালৱ, আৰু গোকৰ্ণ কপিলে—
ইয়াতে আশ্রম পাতি তপস্যা কৰিলে
—তপস্যাৰ সিদ্ধস্থান ঋষিসকলৰ
এয়েই অসম মোৰ অতি গৌৰৱৰ!

ভাৰ্গৱে মাতৃক বধি পিতৃ আদেশত
লিপ্ত হই মাতৃবধ মহা পাতকত—
অতি কষ্টে নানা তীৰ্থ কৰিলে ভ্রমণ
তথাপি পাপৰ পৰা ন'হল মোচন!—
ইদেশতে আহি তেওঁ পাপ মুক্ত হ'ল,
যাৰ কীৰ্ত্তি "ব্রহ্মপুত্র" চিৰকাল ৰ'ল!
মহা বলশালী বীৰ নৰক অসুৰে,
ই ৰাজ্যকে শাসিছিল মহা প্রতাপেৰে!—
এতিয়াও আছে যাৰ অতুল কীৰ্ত্তিৰ—
অনুপম চিন সৌ কামাখ্যা মন্দিৰ!
সিজনাৰ পুত্র ভগদত্ত বলবান্
ভাৰতৰ মহা-যুদ্ধে বিসৰ্জ্জিলে প্রাণ!

—পুণ্যভূমি এয়ে মোৰ অতি হেপাহৰ—
অতীত-কীৰ্ত্তিৰে ভৰা অসম নামৰ!
আছিল ইয়াতে ৰজা সেই বাণাসুৰ
যাৰ ৰাজধানী চিন সৌ তেজপুৰ!
যাৰ হস্তে যুদ্ধ হয় হৰি শঙ্কৰৰ,—
যাদৱ-বাহিনী সহ দানৱ সৈন্যৰ!

ই ৰাজ্যতে 'মণিপুৰ' বভ্রুবাহনৰ—
হইছিল যুদ্ধ য'ত লগে পাণ্ডৱৰ ;—
ভাৰতৰ শ্রেষ্ঠ যোদ্ধা বীৰ ধনঞ্জয়
বভ্রুবাহনৰ হাতে হ'ল পৰাজয়।
ইদেশতে জন্ম সেই ভক্ত "সুধনা"ৰ
দেখালে মাহাত্ম্য যেয়ে হৰি সাধনাৰ।
—জন্মস্থান মহাভক্ত, বীৰ-সকলৰ
এই অসমেই মোৰ অতি সাদৰৰ!

প্রবল-ক্ষমতাশালী ৰজা ভীষ্মকৰ,
আছে চিন এতিয়াও "কুণ্ডিল" নগৰ ;
তেওঁৰে দুহিতা সতী ৰুক্মিণী সুন্দৰী
নিছিল আগ্রহে যাক শ্রীকৃষ্ণই হৰি ;
হইছিল ইয়াতেই যুদ্ধ ভয়ঙ্কৰ—
ভীষ্মকৰ সেনা সহ যাদৱ সবৰ!
আছিল ইয়াতে ৰজা, বিজেতা 'সঙ্কল'
অসম বিক্রমশালী যাৰ সৈন্যবল,—
মহা পৰাক্রমী বীৰ আক্রামিয়াৰৰ
সহ যুদ্ধে দেখুৱালে চিন বীৰত্বৰ!
এয়ে সেই বীৰ-দেশ অতি গৌৰৱৰ,
মহিমামণ্ডিত ভূমি অসম নামৰ!

সাতশ বছৰ ব্যাপি মহা বীৰ্য্যবলে
শাসিছিল ইদেশকে আহোমসকলে.—
কৃষি-শিল্প, বাণিজ্য ও বিজ্ঞান-দৰ্শন
হইছিল ভালদৰে ইয়াতে চৰ্চ্চন ;—
কলিৰ "আগ্নেয়-অস্ত্ৰ" বন্দুকৰ খাৰ,
ইয়াতেই প্রথমতে হয় আবিষ্কাৰ।
ইয়াৰেই অস্ত্ৰ-শস্ত্ৰ যুদ্ধৰ কৌশল,
অসম সাহসী বীৰ যুঁজাৰুসকল ;—
লাগিছিল তথা দেখি পাঠান-মোগলে—
সিসবৰ সহ যুদ্ধে শিকনি শিকিলে!



লাগিছিল তথা দেখি পাঠান-মোগলে—
সিসবৰ সহ যুদ্ধে শিকনি শিকিলে!
বীৰশ্রেষ্ঠ পৰাক্রমী আহোম সবৰ—
এয়েই অসম মোৰ অতি গৌৰৱৰ!

পতি-হন্তাৰ প্রতিশোধ লবৰ কাৰণে
কৰিলে ভীষণ যুদ্ধ "তুৰবক" সনে—
বিসৰ্জ্জিলে শেষে প্রাণ সমৰ ক্ষেত্রত
সেই "মূলা-গাভৰু"ৰো জনম ইয়াত!
—ঘটুৱালে মোগলক ভীষণ যুদ্ধত
গুৱাহাটীৰ ওচৰৰ "শৰাইঘাটত,"
আজিও চিনাকি দিয়ে কৰ্ম্মে "লাচিত"ৰ
শত্রুৰ উদ্দেশে বন্ধা "মোমাই কটা গড়!
হইছিল জন্ম কত মহৎ লোকৰ
এই অসমতে মোৰ অতি গৌৰৱৰ!

জন্মিছিল ইদেশতে সতী জয়মতী—
কৰালে "লৰাই" যাক নানান্ দুৰ্গতি!
পূৰ্ণপক্ষ ধাৰাসাৰে যাতনা ভুগিলে,
তথাপি স্বামীৰ কোনো সম্ভেদ নিদিলে!
অৱশেষে "জেৰেঙা"তে বিসৰ্জ্জিলে প্রাণ—

এতিয়াও বিৰাজিছে সেই পুণ্যস্থান!
—সিজনাৰে কৰ্ম্মবীৰ সুযোগ্য সন্তান,
প্রবল প্রতাপী ৰুদ্র-সিংহ মতিমান্
জয়সাগৰ, জয়দ'ল, তলাতল ঘৰ,
তেওঁৰে নিৰ্ম্মিত সেই ৰঙ্গপুৰ নগৰ!
অতীত স্মৃতিৰে ভৰা ঠাই গৌৰৱৰ
এয়েই অসম মোৰ অতি মৰমৰ!

—এয়ে সেই জন্ম স্থান আনন্দ হেমৰ
সমুজ্জ্বল জোটা তৰা ভাষা-আকাশৰ,—
"আনন্দ" "মাণিক" "হেম" "গুণাভি" "সত্য"ৰ
ইদেশতে জন্ম হয় ইসব ৰত্নৰ!
স্বৰগ-সদৃশ দেশ নানা তীৰ্থে ভৰা
প্রাকৃতিক দৃশ্য আহা কেনে মনোহৰা!
শোভিছে ইয়াতে কত স্মৃতি অতীতৰ
আৰু কত নদ-নদী—শোভা মনোহৰ!—
পাহাৰ পৰ্ব্বতে ভৰা গছ-লতা বন
আহা কেনে বিনন্দীয়া কেনে বিতোপন!
নানা গুণে বিভূষিত, শ্রেষ্ঠ জগতৰ,
এয়েই অসম মোৰ ঠাই গৌৰৱৰ!

শ্রীমুকুটচন্দ্র বৃজবৰুৱা।

---

# সাহিত্য আৰু ধৰ্ম্ম।

সাহিত্য-গৃহৰ লাইখুটা ধৰ্ম্ম। অকল সেয়ে নহয়, পাৰিখুটা, চাল-বেৰ, চ'তি-মাৰলি আদিও প্রথমে ধৰ্ম্ম-বৃক্ষৰ ডাল পাত, ঠাল-ঠেঙুলীৰ পৰাই তৈয়াৰ হয়। নামজলা ফৰাচী সাহিত্যিক মঁচিয়ো ফাগুৱে কৈছে 'সাহিত্যৰ সৃষ্টি হয় ধৰ্ম্মৰ উপাদানত। সেই ধৰ্ম্ম প্রথম চোৰাত বিভীষিকাৰ উপাসনা, সৌন্দৰ্য্যৰ আৰাধনা মাথোন। পিচলৈ মানুহ স্তৰে স্তৰে যেনেকৈ উন্নত হয়, সাহিত্যয়ো তেনেকৈয়ে আকাৰ সলাবলৈ ধৰে। এই অসংখ্য 'স্তৰ' প্রকাশক সাহিত্য বিশ্বমানৱতাৰ ইতিহাস, দেৱত্বৰ উন্মেষ কাহিনী।"

মানুহৰ জীৱন লৈয়েই এই পৃথিৱী। অৱশ্যে পশু-পক্ষীৰ জীৱনো পৃথিৱীৰ অন্তৰ্ভুক্ত। কিন্তু ইয়াত আমি সেইবোৰৰ আলোচনা নকৰোঁ। এই পৃথিৱীৰ বুকুৰ ওপৰেদি নৈৰ সোঁতৰ দৰে বৈ আছে মানৱ-জীৱনৰ

সোঁত আৰু বৈ আছে. শিক্ষা-সভ্যতা, সাহিত্য ধৰ্ম্মৰ বলুকা আৰু তাৰ ক্ৰমোন্নতিৰ ইতিহাস। এই সৰাবো মূলত মানুহৰ অভূতপূৰ্ব্ব আত্মোৎসৰ্গ, বিচিত্ৰতাৰ প্ৰতি মানৱ-অন্তৰৰ স্বাভাৱিক আকৰ্ষণ।

মানুহ মাত্ৰেই প্ৰায় এক ভাবাপন্ন। মানুহ সদায় কল্পনাপ্ৰিয়। আদিম যুগৰ মানৱ-মানৱী সকলৰ কাপোৰ-কানি আছিল গছৰ ছাল-বাকলি,—গছৰ ছাল-বাকলিৰে তেওঁলোকে লাজ নিবাৰণ কৰিছিল। কিন্তু বিচিত্ৰতাৰ প্ৰতি স্বাভাৱিক আকৰ্ষণে তেওঁলোকক সেই ছাল-বাকলিৰো সৌকুমাৰ্য্য সাধন কৰিবলৈ উদ্‌গাই দিলে। কেৱল অঙ্গৰ আৱৰণ লৈয়েই নহয়, আভৰণৰ কাৰণেও তেওঁলোকৰ প্ৰচেষ্টাৰ সীমা নাছিল। পাত, ফুল, লতা আদিৰ ভিতৰত যিটো ভাল দেখে সেইটোকে অলঙ্কাৰৰ কাৰ্য্যত ব্যৱহাৰ কৰিছিল। আন কি গাৰ চাল বেজীৰে ফুটায়ো নক্সা আকি লৈছিল। এনে দৰে ধুনীয়া হব খোজা উদাহৰণ আজিও মানৱ জাতিৰ মাজৰ পৰা সমুদায় লুপ্ত হোৱা নাই। বৈচিত্ৰ্যতাৰ প্ৰতি যদি এই স্বাভাৱিক আকৰ্ষণ তেওঁলোকৰ অন্তৰত নেথাকিলহেঁতেন তেন্তে আজিৰ দিনৰ এই প্ৰচুৰতাৰ উদ্ভৱ কোনোমতেই হ'ব নোৱাৰিলেহেঁতেন। বৰ্ত্তমান সভ্যতাৰ সকলো বিভূতি-বিভৱ সেই অসভ্য আদি মানৱৰ অন্তৰতম প্ৰদেশৰ গভীৰতম গুহাত লিপিত থাই থকা আকুলন কল্পনাৰ ক্ৰমাম পৰিণতি। অতীতৰ সেই গুহা বা অৰণ্যবাসী আদি মানৱৰ অন্তৰত বিচিত্ৰ-কল্পনাৰ বীজ নিহীত নথকা হেতেন ইন্দ্ৰজাল তুল্য মানৱ—ঐশ্বৰ্য্যৰ সমাবেশ আজিকোপতি অন্ধকাৰৰ ঢাকনীৰেই ঢাক খাই থাকিল হেঁতেন। এই বৈচিত্ৰময় ধৰণীৰ বুকুত মানৱ-পশুসমাকুল অৰণ্যানিৰ বাহিৰে জনবাদৰ অভ্যুদয় হয়তো কোনো দিনেই নহলহেঁতেন।

গছৰ পাত-ফুল সৰি সৰি যেনেকৈ গুলি বা তাৰ ভাবি পো-পোৱালীৰ কাৰণে খাদ্য আৰু জীৱনী-শক্তি পৃথিৱীৰ বুকুত সঞ্চয় কৰে, তেনেকৈয়ে মৃত্যুৰ ভিতৰেদিয়েই মানুহে নতুন নতুন ৰূপে সভ্যতাৰ ইতিহাসক সমুজ্জল কৰি তোলে। কিমান দিনৰ, কিমান বছৰৰ সাধনাৰ ফলত এনে উন্নত সভ্যতাৰ যুগত আমি আহি উপস্থিত হৈছোঁহি আৰু তাৰ আঁৰত কিমান হাই-কাজিয়া, কিমান দুখ-দৈন্য, কিমান নিৰ্য্যাতন আৰু অবিচাৰৰ সকৰুণ কাহিনী ৰাশিকৃত হৈ আছে,—ইতিহাসে সেই বিষয়ে আমাক কিছু সঙ্কেত দিয়ে।

জীৱন-সমস্যা জীৱ মাত্ৰৰেই প্ৰধান সমস্যা। সেই গুণে জড়-জগতত মানুহে প্ৰথম অৱস্থাত বাহ্য-সম্পদকেই একান্ত প্ৰয়োজনীয় বুলি ভাবিছিল। কিন্তু তেওঁৰ কল্পনা-শক্তিয়ে তেওঁক আৰু অনেক প্ৰয়োজনৰ আৱশ্যকতা দেখুৱালে। সেই গতিকেহে মানৱে নহলেই নোহোৱা প্ৰয়োজনীয়তাৰ প্ৰেৰণাত অথবা দৈহিক মনৰ স্বভাৱজাত সুখ-বিলাস প্ৰবৃত্তিৰ অনুসৰণত সদায় আৱশ্যকীয় বস্তু-জগতৰ সৃষ্টি কৰিয়েই শাঁতিৰে থাকিব নোৱাৰিলে। তেওঁক লগা হল প্ৰত্যেকটি মানৱ-চিত্ত-গুহাত প্ৰবেশ কৰি অন্তৰৰ সূক্ষ্মাতিসূক্ষ্ম ভাব সমূহক বিশ্লেষণ কৰাৰ আনন্দ উপভোগ কৰিবলৈ। সেই আনন্দলাভৰ সাধনাতে মানৱৰ অন্তৰ্দৃষ্টি প্ৰকাশিত হ'ল। সেই অন্তৰ্দৃষ্টিৰ ফলতেই আবিষ্কৃত হ'ল মানৱ ধৰ্ম্ম আৰু তাক লিপিবদ্ধ কৰাৰ উদ্দেশ্যে ভাষাৰ বীণত আঙুলি বুলাওঁতেই বাজি উঠিল সাহিত্যৰ সুৰ। সেই সুৰৰ সুমধুৰ মূৰ্চ্ছনাত মুগ্ধ হৈ মানৱৰ জ্ঞানৰ বিভিন্ন ৰূপ আৰু কল্পনাই শ শ প্ৰস্ফুটিত পুষ্পৰ দৰে, ধ্যান আৰু ধ্যানৰ দ্বাৰা সৌন্দৰ্য্যৰ মাজেদি আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে। নানা প্ৰশ্ন আৰু লগে লগে সেই বিলাকৰ সমাধানৰো প্ৰয়াস হ'ল। সৃষ্টি প্ৰকৰণৰ ৰহস্য-উদ্‌ঘাটনৰ চেষ্টা চলিল,—ঋগবেদৰ সূক্ত সমূহে এই বিলাকৰ সাক্ষ্য দিয়ে। ক্ৰমে বহু দেৱবাদৰ পৰা একেশ্বৰবাদ মতাত্মক সূক্তবিলাক ৰচিত হ'ল। আৰু ক্ৰমে ক্ৰমে তপোবনৰ নিৰ্জ্জন আশ্ৰমত অৰণ্যবাসী ঋষিসকলে নিৰ্গুণ ব্ৰহ্মৰ সন্ধান পালে, —ব্ৰহ্মৰ মাজত নিজৰ অস্তিত্ব মিহলাই দিলে। এই ব্ৰহ্মবাদ ভাৰতীয় স্বাধাৰাৰ, ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ দান। ব্ৰহ্মৰ উপলব্ধি জ্ঞাপক উপনিষদৰ মহামন্ত্ৰটিয়ে বিশ্ব-জগতক,—বিশ্বৱাসীক নিজৰ কৰি লোৱাৰ মহান আদৰ্শ ব্যক্ত কৰিছে। উপনিষদৰ জড় আৰু চৈতন্য



সকলোৰে ভিতৰত একত্ববোধ, সকলোকে নিজৰ কৰি লোৱা,—এয়েই হৈছে ভাৰতৰ শ্ৰেষ্ঠ সম্পদ। এজন ইংৰাজ লিখকেও কৈছে বোলে—"India is not only a mother of civilization, she is pre-eminently a spiritual mother of Asia.

জ্ঞানৰ দানেই শ্ৰেষ্ঠ দান। সেই জ্ঞান আৰু শিক্ষাৰ মূলত হৈছে সাহিত্য। ভাৰতৰ সাহিত্যই ধৰ্ম্মৰ আশ্ৰয়ত শ্লোকেৰে, ছন্দ-ভঙ্গিমাৰে, ভাব-গৰিমাৰে, সৌন্দৰ্য্য আৰু কল্পনাৰে সাহিত্যৰ অপূৰ্ব্ব শ্ৰীক বিকশিত কৰিছে। উষা বৰুণ, ৰুদ্ৰ, ইন্দ্ৰ প্ৰভৃতি দেৱতাসকলৰ বৰ্ণনা বেদৰ ঋবিলাক পদত পোৱা যায়, সেইবিলাকৰ মাধুৰ্য্য অতুলনীয়। এইদৰেই উপনিষদ, ৰামায়ণ, মহাভাৰত, গীতা সকলোৰে ভিতৰত আছে সাহিত্যৰ প্ৰধান পুং। বেদৰ গল্প আৰু কাহিনী উপনিষদৰ আখ্যান, মহাভাৰত ৰামায়ণৰ অফুৰন্ত গল্প আৰু উপদেশ,—এই আটাইবোৰৰ ভিতৰতে ধৰ্ম্ম আৰু সাহিত্য এক হৈ ভাৰতবৰ্ষৰ বিৰাট সাহিত্যিক ৰূপ দিছে। অকল ভাৰতবৰ্ষতেইহে যে ধৰ্ম্মৰ প্ৰভাৱত সাহিত্য সৃষ্টি হৈছে সি নহয়; খৃষ্টান, মুছলমান, ইহুদী সকলো জাতিৰ, সকলো দেশৰ সাহিত্যৰ ভিতৰতেই ধৰ্ম্মৰ প্ৰভাৱ বিদ্যমান। এই বাবেই এইদৰে কথা কব পাৰি যে, সকলো দেশতে অতীত কালত—Religion in the past was supreme in power and authority in the field of literature.

শ্ৰীৰাজীৱলোচন বৰুৱা।

---

# হাফিজ।

"তুইতৰ সেই ধৰম-কৰম, নীতিৰ হাঁচাত, তৰ্কৰ জাল,
আৰু মাৰ এই মদৰ মৰম - নোৱাৰোঁ বুজিব কোনটো ভাল"।
( হাফিজ )

নিজক বুজিব নোৱাৰি, ধৰ্ম্মৰ ঘেৰপাক, বাক্যদৰ্শী দাৰ্শনিকৰ ব্যাখ্যা বুজিব নোৱাৰি, আৰু কিয় বুজিব নোৱাৰি—তাৰ কোনো মীমাংসা কৰি উঠিব নোৱাৰি 'হাফিজে' এদিন চিঞৰি উঠিছিল:—

'ভয় কৰোঁ মই মন্দিৰ মজিদ ভকতি পূজাৰ মন্ত্ৰণাদন,
বিচাৰিছোঁ সেয়ে জুই পূজাৰীৰ দেৱালয় আৰু 'ছাঁৰাৰ ধন".

সেইটো পাৰস্য সাহিত্যৰ সোণালী যুগ। ধৰ্ম্মৰ নামত বাহিৰা নৈষ্ঠিকতাৰ জয়ঢাক বজাই ব্যৱসায়ী ধৰ্ম্মধ্বজ 'চুফিৰ' দলে প্ৰকৃত সত্য, প্ৰকৃত ধৰ্ম্মৰ মুখ আন্ধাৰ কৰি পেলাইছে। নিজ অভিৰুচি মতে ধৰ্ম্মৰ ব্যাখ্যাক এটা প্ৰদৰ্শনীৰ গণ্ডীৰ ভিতৰত পেলাই, এই তথাকথিত 'চুফিৰ' দলে মানুহৰ দৃষ্টি এটা অতিমানৱীক ধৰ্ম্মৰ ফালে ঢাল খুৱাই দিছে। ধৰ্ম্মৰ নামত, চুফিবাদৰ নামত তেতিয়া পাৰস্যত চলিছে প্ৰবঞ্চনাৰ এটা বোলসনা প্ৰহসন। ইয়াৰ প্ৰতিবাদ কৰিবৰ কাৰণে হাতত কাপ লৈ ঠিয় দিলে নিজ 'চুফিবাদৰ' স্ৰষ্টা হাফিজ। হাফিজৰ চকুৰ পৰা এই প্ৰবঞ্চক চুফিদলৰ অভিসন্ধি-প্ৰসূত ধৰ্ম্মমতৰ অসাৰতা লুকাই নেথাকিল:—কিন্তু হাফিজ আছিল স্বাধীন মতাৱলম্বী; খোদাৰ নামত আন এটা সম্প্ৰদায়ৰ লগত কাজিয়া কৰিবৰ দুৰ্ব্বলতা তেওঁৰ নাছিল। সেই কাৰণে তেওঁ নিজৰ বিবেকক নিজৰ গুৰু কৰি আৰু কোৰাণক মাত্ৰ নিজৰ আদৰ্শ কৰি হাফিজে নিজৰ বাট বিচাৰি ললে। সৌন্দৰ্য্য-সাধক হাফিজৰ কাণত এদিন নিবিড় ৰাতি কোনোবা এটি শুভ মুহূৰ্ত্তত পৰিল এটি গানৰ সুৰ:—

"মনৰ ৰঙত কালি গ'ল ৰাতি
গালে চেনেহীয়ে মধুৰ গান,
সুৰটি শুনিলোঁ, শুনি এনে সুৰ,
বাঁচীৰ সুৰবো পুৰিব প্ৰাণ—.

গানৰ সুৰত নিজ পাহৰিলো ;
পাহৰিলো এই জগতখনি,
আকাশে বতাহে শুনিলো মাথোন
চেনেহীৰ সেই সুৰৰ ধ্বনি,
আছিলে লগত সুৰাৰ লগৰী,
সুৰৰ লগৰী চেনেহী চাকি,
দেখুৱালে মোক নানা দিন ৰাতি
ক'লা চুলিতাৰে মুখনি ঢাকি।
পিয়লাত মদ ঢালিলে বুৰাই
যেতিয়া দেখিলে হেপাহ মোৰ,
চপলা চাকিক দিলো আশীৰ্ব্বাদ,
দিলো দেখুৱাই সকলোবোৰ —
"পাহৰালা চাকি জীৱন-মৰণ,
থকা নথকাৰ জটিল স্মৃতি,
ঢালি ঢালি সুৰা পিয়লাত মোৰ,
ঢালি চুওঁঠত প্ৰাণৰ প্ৰীতি—"...

কবিপ্ৰিয়াৰ এই গানৰ সুৰে কবিক অভিভূত কৰি তুলিলে :—কবিয়ে দেখিলে প্ৰেমৰ প্ৰকৃত প্ৰকাশ হয়, আত্মবিলোপৰ সুৰাৰ ৰাগীত। এই সুৰাৰ সোঁতত নিজক সম্পূৰ্ণ উটাই দিব পাৰিলে, নিজক হেৰুৱাই পেলাব পাৰিলে কবিয়ে দেখা পাব কবিৰ ওঁঠ শীতল কৰি থোৱা মদিৰাও প্ৰেমৰ পৰশত ৰাঙলী হৈ উঠিছে ;— আত্মবিলোপৰ আবেশতে আত্মচেতনাৰ আয়োজন :—

"গুপুত ৰহস্য, ভেদৰ বাতৰি
মদৰ বলিয়া প্ৰেমিকে জানে,
নেজানে সাধক চুকি মহাজনে,
নেজানে পূজাৰ গোসাই পানে"।

কিন্তু এই সুৰাপ্ৰীতিৰ আৰম্ভ ক'ত ?

চৌদিশে কবিয়ে দেখিছে প্ৰিয়াৰ অনিন্দ্য ৰূপ। এই ৰূপৰ মাজত নিজক হেৰুৱাই পেলাবৰ কাৰণে কবিক লাগে ৰূপৰ প্ৰতি আপোনভোলা প্ৰীতি। অবৰ্ণনীয় যি ৰূপৰ চমক্ কবিৰ চকুত পৰিল, তাৰ পোহৰে কবিক উৎকণ্ঠিত, উৰাউল কৰি তুলিলে। প্ৰিয়াৰ ৰূপত কবিয়ে দেখিলে অনন্ত জীৱনৰ আসুৰ মদিৰা। প্ৰিয়াৰ ৰূপ প্ৰেমৰ আন এটি ৰূপান্তৰ মাথো। তেওঁ বাহ্যিক পূজা পাহৰি গ'ল, তেওঁৰ প্ৰাণ ভৰি কেৱল উদ্ভাসি উঠিল চিৰ ৰূপহীন অনন্ত ৰূপৰ অনাবিল মূৰ্ত্তি—ৰূপৰ মাজত তেওঁ নিজক হেৰুৱাই পেলালে :—

"তোমাৰ প্ৰেমৰ সুৰাৰ ৰাগীৰে হিয়া কালি ৰাত
আছিলে ভৰি
আৰু ক'ত পাওঁ পূজাৰ সময়, থাকোতে সুৰাৰ
ৰাগীত পৰি ?

হাফিজে দেখি আচৰিত হ'ল তেওঁৰ ভিতৰত অভাবনীয় ভাবে এটি পৰিবৰ্ত্তন আহি পৰিছে, যি মুহূৰ্ত্ততে তেওঁৰ আত্মাসৌন্দৰ্য্যৰ সংস্পৰ্শলৈ আহিল সি মুহূৰ্ত্ততে তেওঁ অনুভৱ কৰিলে তেওঁ যেন পৃথিবীখনক নতুন যেন দেখিছে—ধূনীয়া যেন দেখিছে। প্ৰিয়া-ৰূপৰ পৰশ-পাথৰে তেওঁৰ এই ধূলিৰ ধৰাক হিৰন্ময় কৰি পেলাইছে :—

"এই পৃথিৱীক আপোনাৰ বুলি
কোনো দিনে মই নেপালো ভাল
তোমাৰ মুখৰ ছবিটিয়ে আহি
তৰিলে ধৰাত ৰূপৰ জাল।

সিদিনাৰ পৰা কবি প্ৰেমিক সন্ন্যাসী, সিদিনাৰপৰা তেওঁৰ একমাত্ৰ সাধনা ৰূপৰ সেই অনন্ত-উৎসৰ সন্ধান লোৱা, তেওঁৰ ওঁঠত ওঁঠ ৰাখি কাল আৰু ঠাইৰ ( Time and Space ) ব্যাপ্তিৰ মাজত হেৰাই হৈ জীয়াই থকা—তাৰ কাৰণে তেওঁক লাগে.—প্ৰেমিকক লাগে—নিজ পাহৰোৱা তৰল মদিৰা :—

"বিচাৰিছ যদি 'আ'বে—হায়াত'
জীৱনৰ ৰস জীৱন ভৰি,
আঙুৰ—ৰসৰ স্ফটিক মদিৰা
কৰ পান তুমি উদং কৰি—

এই সুৰাতো কেৱল আঙুৰৰ ৰসেই নহয়, প্ৰেমিকৰ হাতৰ সুৰাৰ পিয়লাত প্ৰেমিকে দেখে তেওঁৰ প্ৰানপ্ৰেয়সীৰ ৰূপৰ প্ৰতিবিম্ব পিয়লাৰ তৰল মদিৰাত হাঁপোনৰ দৰে প্ৰতিবিম্বিত হৈ উঠে তেওঁৰ মানসীৰ মুখৰ ছবি—হৰষত—আবেগত তেওঁ তাক পি থায়, প্ৰিয়াৰ ছবিটো পি থায় :—

"চেনেহি প্ৰিয়াৰ ধূনীয়া ছবিটি
মোৰ পিয়লাত দেখিলো কঁপা,
নেপাৰিবি গালি সুৰাপায়ী বুলি,
এনুৱা সুৰাৰ মজাটো নেপা"।

প্ৰেম মদিৰাৰ এই ৰাগী যেতিয়া প্ৰেমিকৰ গোটেই অন্তৰ জুৰি বিয়পি পৰিল, তেতিয়া প্ৰেমিক মাতাল, এইবাৰহে যেন তেওঁ নিজৰ স্বত্ব অনুভৱ কৰি উঠিল, নিজক বুজি উঠিল। সুৰাৰ নিজৰাত স্নান কৰি যেন এইবাৰ তেওঁ জীৱনৰ গোটেই লুকাই থকা ৰহস্যবোৰক অতি সহজ ভাবে উপলব্ধি কৰি উঠিল :—

"নমৰে কদাপি সেই সুভগীয়া
প্ৰেমেৰে যিজনে জীয়ালে 'দিল',
জগতৰ সেই জীয়াৰ ফলিত
আমাৰো নামৰ হ'লহে মিল,
সুৰাত বলিয়া প্ৰেম বলিয়াক
চেনেহীয়ে মোৰ আদৰ কৰে,
মোৰ মৰমৰ ফুলনী সেৰেহে
বলিয়া-খাটৰ সীমাত পৰে"—

কবি বলিয়া, প্ৰিয়াৰ ৰূপৰ বিমল মোহত কবি আপোনহাৰা, কিন্তু তেতিয়াও কবিয়ে নিজৰ ক্ষুদ্ৰত্বৰ কথা পাহৰিব পৰা নাই। এই অসীম ৰূপক সম্পূৰ্ণ নিজৰ কৰি পাবলৈ বাঞ্চা কৰা যেন মূঢ়তা! গতিকে কবিৰ অনুশোচনা হয়—ইমান দুৰ্ব্বলেই যদি, ইমান ক্ষুদ্ৰই যদি কিয় তেওঁ এনাৰ তেওঁৰ ৰূপৰ মোহেৰে তেওঁক বলিয়া কৰি গ'ল! কিয় তেওঁৰ প্ৰেমৰ পঞ্চশৰেৰে কবিক আঘাট কৰি গ'ল!

"জোনাকীৰ দৰে হিয়াখনে মোৰ
মৰিছে জোনৰ প্ৰেমত পৰি,
কোন দিনা মোৰ ফুলিব কপাল,
ভাগ্য পখীটি আনিম ধৰি"

কিন্তু কবি নিৰাশ নহয়। কবিৰ আশা আছে ; এদিন যেতিয়া তেওঁৰ প্ৰেয়সীয়ে ধৰা দিলেই তেওঁ পুনৰ আহিব, প্ৰেমিকক এৰি তেওঁৰ প্ৰিয়া আতৰি থাকিব নোৱাৰে ; এদিনৰ কথা তেওঁৰ মনত আছে :—

"তোমাৰ মনত আছে সেই এটা দিন
হাঁহিছিলে সুৰা ধাৰে সোনালী লাজত,
জগতৰ যত বাণী কঁপিছিল আহি,
তোমা-মোৰ দুয়োটিৰ ওঁঠৰ মাজত"।

আকৌ এনে এটা দিন আহিব যিদিনা তেওঁৰ প্ৰিয়াই তেওঁৰ কাৰণে ব্যাকুল হৈ লৰি আহিব।

ওমৰ খায়ামেও জীৱন মৰনৰ ৰহস্য উদ্ঘাটন কৰিব নোৱাৰি এদিন হাফিজৰ দৰেই চিঞ'ৰি উঠিছিল :—

'For 'Is' and "Is-not" though with Rule and Line,
And 'up-and down' without, I could define,
I yet, in all I only cared to know,
Was never deep in anything but-wine'

নিজক বুজিব নোৱাৰি, নিজৰ দুৰ্ব্বলতাক ধিক্কাৰ দি, বিধতাৰ নিৰ্ম্মম আত্মগোপনক উপহাস কৰি এদিন খায়াম বিদ্ৰোহী হৈ উঠিছিল।

"স্বদ্ ছালা বা ইমতাহান গুনাহ খাহম্ কৰদ্ তা জোৰমে মনস্ত বেছ য়া ৰহমতে তু—"( খায়াম )

চিৰজীৱন শত শত বছৰ মই কেৱল পাপকে কৰি যাম, চাম তোমাৰ ক্ষমা, তোমাৰ কৰুণাই বেচি নে, মোৰ পাপ—মোৰ পাপ কৰাৰ ক্ষমতাই বেচি—"

খায়ামে নিবৃত্তি বিচাৰিছিল বিদ্ৰোহেৰে কিন্তু হাফিজে বিচাৰিছিল প্ৰেমৰ গভীৰ নিবিড়তাৰে। হাফিজৰ আছিল নিজৰ প্ৰেমৰ ওপৰত গভীৰ আস্থা।

যদিও কৰিলে প্ৰেমে আজি মোক
পথৰ ভিকহু, উছন ভেটি,
মোৰ জীৱনৰ ভেটিটি সেয়েই
কৰিলে অমৰ সপোন এটি ; (হাফিজ)

হাফিজৰ প্ৰেমত গৌৰৱ নাই, আছে কেৱল অন্তৰতম গভীৰতা। তেওঁৰ প্ৰেমত অভিমান আছে ; কিন্তু বিতৃষ্ণা

ৰা বিদ্ৰোহ নাই। তেওঁৰ পাঁচশৰো অধিক 'গজল' আৰু তিনিকুৰিৰ বেচি ৰোবাইয়াতত আমি পাওঁ এটি পৰম নিষ্ঠাৰ অনুভূতি, এটি নিবিড় ঐকান্তিকতা প্ৰকাশ। অনবৰতেই আমাৰ চকুত পৰে হাফিজৰ স্বাধীনতা। তথাকথিত চুফিৰ দলে হাফিজৰ আত্মস্তৰিতা দেখি প্ৰতিবাদৰ চেষ্টা কৰিছিল, হাফিজক দোষী সাব্যস্ত কৰিবৰ চেলু বিচাৰি ফুৰিছিল, হাফিজৰ কবিতাত এটি পাৰ্থিব কলুষৰ গোন্ধ উলিয়াবৰ চেষ্টা কৰিছিল, তেতিয়া হাফিজে দূৰত বৈ উপহাসৰ হাঁহি মাৰি সিহঁতক কৈছিল —

ভয় হয়—সাধু দল দুৰণিত থাকি
হাঁহে মোক সুৰাপায়ী বুলি
ভাবোতে ভাবোতে জানো মদপীৰ কথা
নিজ ইমানকে যায় ভুলি

আৰু এঠাইত:—

অকপট যিটো ফটিকাৰ দাস,
সৰল চিতেৰে মদিৰা পিয়ে ;
কপটী সাধুৰ বহু ওপৰত
যদিও মদপী, জানিবা সিয়ে"

সেইদিনা কবিয়ে বুজিলে—জীৱনটোৰ কাৰণে লাগে এটুপি আঙুৰৰ কেচা ৰস আৰু প্ৰিয়াৰ মুখৰ এটি হাঁহি। জগতে তেওঁক উপহাস কৰিব সুৰপায়ী বুলি, সমাজে তেওঁক দোষাৰোপ কৰিব সমাজক উলঙ্ঘা কৰিছে বুলি, কিন্তু তেওঁ জানে প্ৰিয়া প্ৰেমৰ বাগীত নিজক হেৰুৱাই পেলোৱাত কোনো দোষ নাই। তাত আছে তেওঁৰ গৌৰৱ, প্ৰেমৰ কাৰণে নিজ সত্বাক এটা উন্মাদৰ দৰে পথৰ ধূলিত মিলাই দিয়াত আছে এটা তৃপ্তি, তাৰ বাবে তেওঁ নিন্দনীয় নহয়।

"কিনো হল যদি তুমি আৰু মই
দুই এপিয়লা মদিৰা পিওঁ,
নহয় তোমাৰ, কেচা আঙুৰৰ
ৰাঙলী বুকৰ তেজহে সিও।"

সুৰাৰ মাজেদি, সুৰৰ মাজেদি প্ৰিয়াক পাবৰ কাৰণে হাফিজৰ সকলো কামনা। তেওঁৰে কাৰণে হাফিজে সকলো হেৰুৱাই পেলাইছে। কিন্তু প্ৰতিদানত কি পাইছে? সমাজৰ উপহাস, মানুহৰ ইতিকিং আৰু নিজ মানসীৰ হিয়াহীন উদাসীনতা —

"তোমাৰ মৰম ভিক্ষাৰী জনৰ
এনুৱা বিলায় কৰিলা প্ৰিয়,
ওঁঠত সানিলা ৰাঙলী ৰহন,
বুকত শিলৰ জপনা কিয়?"
তোমাৰ ৰূপৰ অগণিৰ তাপে
এখন দেশক মাৰিলে পুৰি,
কিবা লাভ হ'ল লোকক জলাই?
খিয়াতি বাঢ়িল জগত জুৰি।"

হিয়াহীনা প্ৰিয়াৰ এই প্ৰাণহীন নিৰাশক্তিৰ নিবৃত্তিৰ কাৰণে কবিয়ে বিচাৰে সুৰা:—

"উঠা ৰাকি দিয়া সুৰাৰ পিয়লা,
তৰল মদিৰা, পিগলা জুই,
কালৰ ভাবনা ঢাকি-ঢুকি থোৱা,
মনৰ মৰিছা পেলোৱা ধুই।"

কিন্তু কবিপ্ৰিয়াৰ এই ঔদাসীন্যৰ কাৰণে কবিয়ে তেওঁৰ প্ৰেয়সীক দোষাৰোপ নকৰে। কবিয়ে জানে তেওঁ এতিয়াও সামৰ্থ্য লাভ কৰা নাই, এতিয়াও প্ৰেমৰ উপযুক্ত হোৱা নাই, তেওঁ প্ৰকৃত ভাল পাবলৈ শিকা নাই। প্ৰেম-পূজাৰ ষোড়শোপচাৰৰ লগত প্ৰাণৰ নিষ্কাম ঐকান্তিকতাৰ অৰ্চ্চনা সানি দিব পৰা নাই:—

"তোমাৰ মুৰৰ ক'লা চুলিতাৰি,
মোৰ হাতে যদি নাপায় লাগ,
দোষী মাথো মোৰ বাওনা দুহাত,
আৰু কপালৰ কলীয়া দাগ।"

হাফিজৰ প্ৰেমত মিহলি আছে ভক্তিৰ এটা আভ্যন্তৰিক গভীৰ সোঁত। প্ৰিয়াৰ প্ৰেমৰ কাৰণে হাফিজে কান্দে, নিজৰ দুৰ্ব্বলতা স্বীকাৰ কৰে, নিজৰ দুৰ্ব্বলতাক ধিক্কাৰ দিয়ে, কিন্তু মানসীৰ ঔদাসীন্যক দোষী বুলি নাভাবে। হাফিজে নীৰৱ নিশা, নিজৰ প্ৰেমৰ কাৰণে কান্দে, কান্দোতে কান্দোতে চকুলোৰে চৌদিশ প্লাবিত হৈ উঠে, চকুলোৰে সেই লোণা সাগৰত হাফিজে আঙুলিৰে



মানসীৰ ছবি আঁকে—পানীত নেদেখা প্ৰিয়াৰ ছবি। চকুলো শুকাই যায় ছবি হেৰাই যায় কবি আকৌ আগৰ দৰেই উন্মাদ। নিৰ্থৰ আকাশৰ ফালে চাই চাই প্ৰেমিকে আপোন পাহৰি যায়, নিজৰ সীমাৰ কথা পাহৰি সীমাহীন আকাশৰ ব্যাপ্তিৰ চুকত নিজক লীন কৰি দিয়ে:—

"নীল আকাশৰ সাগৰ বুকত
ওপঙি ফুৰিছে জোনৰ নাও,
তাতে উঠি মই তীৰ্থ যাত্ৰী
চেনেহী 'কাবাৰ' হজলৈ, যাওঁ।

পাৰস্যৰ কাব্য সাহিত্যত প্ৰেম গাঁথাৰ প্ৰাচুৰ্য্যৰ বিষয়ে কোনোৱে নজনা নহয়; কিন্তু নিজৰ ব্যক্তি সাধনাৰ সৌষ্ঠৱ ভাব প্ৰকাশৰ সৰ্ব্বাঙ্গীন স্বচ্ছন্দতা, আৰু প্ৰেমৰ আন্তৰিক উচ্চতাই হাফিজৰ প্ৰেম কাব্যক পাচ্য কাব্যৰ ভিতৰত এটা অতি উচ্চ স্থান দান কৰিছে। হাফিজৰ নিৰ্ব্বান সাধনা অন্যান্য চুফিৰ সধানাতকৈ বহুত বেলেগ। খায়ামে যেতিয়া বুজিব নোৱাৰা বিশ্বৰহস্যৰ গোপনে কথাৰ কাৰণে চিন্তা কৰিছে, জীৱনক প্ৰেমৰ সোঁতত উটাই দিছে, তেতিয়া হাফিজে নিজক পথৰ ভিকহ কৰি মিলনৰ আশাত আগ বাঢ়ি গৈছে। —

নেপালো যদিও ছুভৰি তোমাৰ,
দুৱাৰ দলিতে কৰিছোঁ সেৱা
চেনেহ চকুৰে চাবা এটিবাৰ,
যদিওবা মোৰ ভকতি এৰা।

হাফিজৰ কাব্যই আমাক মোহিত কৰে। মানুহৰ মনৰ উচ্চতা আৰু মানৱ অন্তৰৰ ত্যাগ দেখি আমি নিজক আপোন কৰি চাবলৈ শিকোঁ, ডাঙৰ কৰি চাবলৈ শিকোঁ। সৃষ্টিৰ পূৰ্ব্বৰ পৰা চলি অহা আকাশৰ নিকস্তৰ মৌনভাব বুজিবলৈ কৰা চেষ্টাৰ কাৰনে আমিও হাফিজৰ লগত আমাৰ ভিতৰত লুকাই থকা সত্বাৰ সম্ভাবনাটোক নিজৰ বুলি কবৰ গৌৰৱ অনুভৱ কৰোঁ। দুৱাৰ মাৰি ভিতৰ সোমোৱা মাকক বিচাৰি, কান্দি কান্দি দুৱাৰ খুন্দিয়া অবুজ শিশুৰ দৰে আমিও হাফিজৰ লগতে নিবেদনৰ অনুৰোধ জনাওঁ:—

"দুৱাৰ খুন্দিয়া শুনিলে হাফিযে
দিবা মেলি সখি একেটি বাৰ,
তোমাৰ ৰূপৰে কৰোতে খিয়াল
কতনা বছৰ গ'ল যে তাৰ।

চৈয়দ আব্দুল মালিক।

ইয়াত ব্যৱহাৰ কৰা কাব্যপংক্তিবোৰ লিখকৰ হাতে লিখা হাফিজৰ অনুবাদৰ পৰা ব্যৱহাৰ কৰা হৈছে।

# স্বৰ্গগত অসম সাহিত্য-সেৱী জনদিয়েকৰ স্বদেশ-প্ৰেম।

যি দেশত "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি নিভিক চিত্তে ৰজাৰ আগত কোৱা বীৰ থাকিব পাৰে, যি দেশত দেশৰক্ষাৰ কাৰণে যুদ্ধক্ষেত্ৰত উপস্থিত হৈ শত্ৰুৰ লগত অতুল বিক্ৰমেৰে যুঁজিব পৰা তিৰোতা থাকিব পাৰে, যি দেশৰ পণ্ডিতে বিদেশৰ মহাসভাত মস্তক উত্তোলন কৰি নিজৰ দেশৰ গৌৰৱ-গৰিমা ঘোষণা কৰিব পাৰে, সেই দেশৰ সেই জাতিৰ স্বদেশ-প্ৰেম কিমান প্ৰবল হব পাৰে তাক নিজ জাতিৰ মানুহে বুজি নাপাব পাৰে, কিন্তু সেই স্বদেশ-প্ৰেমৰ অতুলনীয় চিত্ৰ জগৎ বুৰঞ্জীত চিৰকাল চিত্ৰিত হৈ থাকিব। সাহিত্য-ক্ষেত্ৰতো অসমীয়াৰ স্বদেশ-প্ৰেমৰ ভাৱধাৰা পূৰ্ণ ভাবে সমাবেশ হৈছিল।

মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱকে আদি কৰি আজিলৈকে বহু মনস্বী অসম সন্তানে অসমীয়া ভাষাৰ স্বৰ্ণমন্দিৰত অৰ্ঘ্য প্ৰদান কৰি আহিছে। বৈষ্ণৱী যুগৰ শঙ্কৰদেৱ, মাধৱদেৱ, বিস্তাৰযুগৰ হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকীয়াল ফুকন, আনন্দৰাম বৰুৱা আদি কৰি সাৰস্বত সকলে বাণীমন্দিৰত সেৱা কৰি কিদৰে শিল্প সৌন্দৰ্য্য খচিত কৰিছিল, কালে কালে জন্ম গ্ৰহণ কৰি লুপ্ত অসমীয়া প্ৰাণ সজাগ কৰি তুলিছিল, লুপ্ত প্ৰাণত শক্তিৰ সঞ্চাৰ কৰিছিল, প্ৰত্যেক অসমীয়াৰ প্ৰাণত অনুপ্ৰেৰণাৰ প্ৰবল প্ৰবাহ প্ৰবাহিত কৰিছিল সেইবিলাক সুধী সমাজৰ কাৰো অবিদিত নাই। সেই অমৰাত্মা সকলৰ অমৰ লিখনীৰে স্বদেশক উন্নত কৰিবলৈ, বিশ্বৰ মহাসভাত স্বদেশৰো উচ্চ আসন দিবলৈ কিদৰে যত্ন কৰিছিল তাক দেখুৱাবলৈ চেষ্টা কৰাটোৱেই লিখকৰ উদ্দেশ্য।

যি জনা প্ৰতিভাশালী পুৰুষে নিজৰ লেখনী নিঃসৃত পদ্যসাহিত্যৰে আজি অসমীয়া ভাষা চহকী কৰিলে যি জনা মহাপুৰুষে অসমলৈ এটি প্ৰেমময়, প্ৰীতিময়, পবিত্ৰতাময় ধৰ্ম্মৰ কোবাল সোঁত বোৱাই আনিলে, সেই শঙ্কৰদেৱৰ স্বদেশ-প্ৰেম জুখিবলৈ যোৱা ধৃষ্টতা মাত্ৰ। কিন্তু সেই ধৰ্ম্মবীৰ কৰ্ম্মবীৰ মহাপুৰুষে অসমীয়াক দিলে কি? দিলে সাহিত্যৰ মাজেদি বিশ্ব প্ৰেমৰ এটি জাননী। আজি কুৰি শতিকাৰ যুগাৱতাৰ মহামানৱ মহাত্মা গান্ধীয়ে অস্পৃশ্যতা বৰ্জ্জনৰ যি কণ্ঠভেৰী নিনাদিত কৰিছে সেই অস্পৃশ্যতা বৰ্জ্জনৰ বাট আজি প্ৰায় ৪০০ বছৰৰ আগেয়ে মহাপুৰুষ শঙ্কৰদেৱে দেখুৱাই গৈছে।

সেই ভাবৰ মৰ্ম্ম শঙ্কৰদেৱে অসমীয়াক কেতিয়াবাই দি গৈছে। যেনে :—

"সমস্ত ভূততে দেখিবেক নাৰায়ণ।
আত্মপৰে আনধৰ্ম্ম সবে বিড়ম্বন॥"

স্বদেশ উদ্ধাৰৰ মহান ব্ৰতত ব্ৰতী হবলৈ হলে, স্বদেশৰ কল্যাণৰ হকে কামনা কৰিবলৈ হলে, স্বজাতিৰ পৰস্পৰে পৰস্পৰক ঘৃণা কৰিব নালাগিব—সকলোৱেই সেই পৰম পিতাৰ সন্তান। স্বদেশৰ কল্যাণ সাধনত জাতিগত বৰ্ণভেদ, জন্মগত বৰ্ণভেদ নাই। শঙ্কৰ দেৱে কৈছে :—

"কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাক লাগে কিক॥
স্বৰোক মাত্ৰ হৰি দিলে ৰাতি।
নবাছে ভকতি জাতি অজাতি॥"

আৰু

"কুকুৰ খায় হেন ম্লেছ গণে।
সিও শুদ্ধ হোৱে হৰি কীৰ্ত্তনে॥
চণ্ডালো হৰি নাম লৱে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ॥

এইদৰে তেওঁ এই পুণ্যভূমিত একধৰ্ম্ম, একজাতি, এক সিংহাসন প্ৰতিষ্ঠিত কৰিবলৈ উচ্চ আদৰ্শৰ মহতী বাণী ঘোষণা কৰিছিল।

সমূহ অসমীয়া জাতি এক জাতিসঙ্ঘত পৰিণত হবলৈ হলে সকলোৱে মূল এটা ধৰ্ম্ম-ভেটি লব লাগিব, কাৰণ তেওঁ বুজিছিল প্ৰথমে ধৰ্ম্ম তাৰ পাচতহে দেশ। ইয়েই আছিল শঙ্কৰদেৱৰ স্বদেশপ্ৰীতিৰ শেষ পৰিণতি, ইয়েই



আছিল তেওঁৰ চৰম লক্ষ্য আৰু উদ্দেশ্য আৰু ইয়েই আছিল তেওঁৰ উদাৰ হৃদয়ৰ একমাত্ৰ সাধনা।

শঙ্কৰদেৱে বিশ্ব-প্ৰেমৰ জাননী দিবলৈ যাওঁতেও তেওঁ যে অসম সন্তান তাক পাহৰিব পৰা নাই। শঙ্কৰদেৱৰ জন্ম হৈছিল বৰদোৱাত; যি বৰদোৱাৰ, শঙ্কৰ শিলিখাই শ্ৰীশঙ্কৰৰ কীৰ্ত্তি কাহিনী আজিও ঘোষণা কৰিব লাগিছে, যি বৰদোৱাৰ শিলৰ অঙ্কিত পদচিহ্ন আজিও বৰ্ত্তমান, যি বৰদোৱাৰ কাষেদি এদিন পূতঃসলিল ব্ৰহ্মপুত্ৰ প্ৰবাহিত হৈছিল। এই বৰদোৱাতেই শঙ্কৰদেৱে শৈশৱৰ স্বপ্নময় দিনবোৰ অতিবাহিত কৰিছিল, এই বৰদোৱাতেই তেওঁ অমিয়া লেখনীৰে গীত ভটিমা, ডুলড়ী, লেছাৰি লাগ অসমীয়া সাহিত্যৰ ভেটি স্থাপন কৰিছিল। সেই কাৰণে তেওঁৰ জন্মভূমিৰ স্মৃতি অন্তৰৰ অন্তৰতম্ প্ৰদেশত অন্তঃশিলা ফল্গুনদীৰ দৰে প্ৰবাহিত হৈছিল আৰু সেই বাবেই নিজৰ জন্ম স্থানৰ চিনাকি দিয়াত তেওঁ লিখিছিল —

"বড়দোৱা নামে গ্ৰাম শস্যে মৎস্যে অনুপাম
লোহিতৰ অতি অনুকুল"।

শঙ্কৰদেৱে দেখুৱা পথ অনুসৰণ কৰি যি কেইজনা ধৰ্ম্মপ্ৰাণ মহাপুৰুষে স্বদেশ প্ৰীতিৰ ধাৰা অসমীয়া সাহিত্যৰ মাজেদি বোৱাই দিছিল, তেওঁলোকৰ ভিতৰত মাধৱদেৱ আৰু অনন্ত কন্দলিয়েই প্ৰধান। সাহিত্য ভঁড়ালৈ তেওঁলোকেও বহু ৰত্ন দান কৰি গৈছে। এই কেইজনা মহাপুৰুষেই পবিত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ ভাৱধাৰা অসমীয়া সাহিত্যৰ তপত মৰুভূমিত তৃণ শস্যৰ শ্যামল শোভাৰে সুশোভিত কৰি বোৱাইছিল। সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ বিজয় ডঙ্কা বজাই নাটক আৰু সাহিত্যৰ মাজেদি প্ৰত্যেক অসমীয়াৰ হৃদয় আলোড়িত কৰিছিল। সেই মনোহৰ ভুবন ভুলোৱা সুৰ সঞ্চাৰ লগোৱা ধৰ্ম্ম সাহিত্যৰ ৰস পান কৰিয়েই আজিও কোটি কোটি অসমীয়াৰ প্ৰাণ ভোৰ —আজিও কোটি কোটি অসমীয়াৰ ভক্তি আৰু প্ৰীতি সেই শাস্ত্ৰ সমূহে আকৰ্ষণ কৰিব পাৰিছে

এই মহাপুৰুষসকলৰ তিৰোভাৱ হোৱাৰ পিচত বহু দিনলৈকে অসমীয়া ভাষাৰ বাণীমন্দিৰ অতিৰঞ্জিত কৰোঁতা সেৱকৰ অভাৱ পৰিছিল। অসমৰ ৰাজনৈতিক ক্ষেত্ৰত নানা প্ৰকাৰ বেমেজালি ঘটাত অসমৰ সাহিত্য আকাশৰ গৌৰৱ সূৰ্য্য ম্লান হ'ল আৰু তাৰ ফলত অসমীয়া ভাষাৰ শ্ৰী ক্ৰমে হ্ৰাস পাবলৈ ধৰিলে। উপযুক্ত পূজাৰিৰ অভাৱত অসমীয়া সাহিত্য-মন্দিৰত জয়ঘণ্টা শঙ্খধ্বনিৰ কলৰৱ তল পৰি আহিবলৈ ধৰিলে। এনে সময়তে অসম মাতৃৰ কেইজনমান স্বদেশ হিতৈষী পুত্ৰই জন্ম গ্ৰহণ কৰিলে; অসমীয়া ভাষা আগৰ দৰে আকৌ সঞ্জীৱিত হৈ উঠিল; তেওঁলোকৰ শঙ্খধ্বনিয়ে অসমৰ সুনীল গগণ কম্পিত কৰিলে। তেওঁলোক হৈছে হেমচন্দ্ৰ বৰুৱা আনন্দৰাম ঢেকীয়াল ফুকন আৰু গুণাভিৰাম বৰুৱা।

স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাই, স্বদেশপ্ৰেমিকতাৰ নিদৰ্শন স্বৰূপে "অৰুণোদয়ৰে" পৰা আৰম্ভ কৰি "হেমকোষ"লৈকে অসমীয়া সাহিত্যক্ষেত্ৰত নাটক আলোচনী, ব্যাকৰণ, অভিধান আদিৰ শ্যামল শস্যৰাজি ৰোপণ কৰি গৈছে।

"হেমৰ কোষেৰে ওখদোল বান্ধি
ভাষাক শাৰথি কৰি
দুমাব লগীয়া অসমীয়া নাম

উজ্জলকৈ জলাই" থৈ গৈছে। যদি অসমীয়া সাহিত্যলৈ কোনোবাই আজি যুগান্তৰ আনিছে তেওঁ হেমচন্দ্ৰ বৰুৱা, যদি অসমীয়া সাহিত্যত কোনোবাই প্ৰাণ দি গৈছে তেওঁ হেমচন্দ্ৰ বৰুৱা, যদি অসমীয়া সাহিত্য কোনোবাই কিবা প্ৰকাৰে চহকী কৰি থৈ গৈছে তেওঁ সেই অসম আইৰ কৃতী সন্তান হেমচন্দ্ৰ বৰুৱা—দুঃখদৰিদ্ৰতাৰ কোলাত ডাঙৰ হৈও অসমীয়া সাহিত্য সেৱা কৰা সেই হেমচন্দ্ৰ বৰুৱা—নতুন সাহিত্য আনয়ণকাৰী স্বাধীনচেতা সেই ঋষি হেমচন্দ্ৰ বৰুৱা—তেওঁৰ পবিত্ৰ আদৰ্শ আৰু সহৃদয়তাই অসমীয়া সাহিত্যত যাৱৎচন্দ্ৰ দিবাকৰ উজ্জ্বল আলোক প্ৰদান কৰি থাকিব। ভবিষ্যতৰ অসম-সন্তান আদৰ্শস্থানীয় হওক, অসমীয়া জাতি মহীয়ান হৈ গৌৰৱ মণ্ডিত হওক, ইয়েই আছিল হেমচন্দ্ৰ বৰুৱাৰ শ্ৰেষ্ঠ কল্পনা আৰু আশা।

"মই যি দেশত উপজিছোঁ, যি দেশৰ হাবা-পানী খাই মই জীৱিত হৈ আছোঁ, সেই দেশক হিয়াভৰি উবুৰিয়াই ভাল পাবলৈ শিকিম—সেই দেশ সুন্দৰ নহলেও ভাল পাবলৈ শিকিম। যি সমাজত মই জন্মিছোঁ, সেই সমাজৰ ত্ৰুটি দোষ সংস্কাৰ কৰিবলৈ যত্ন কৰিম—অসম জননী ছুখুনী ভিকহু হলেও তেওঁক ঘৃণা নকৰিম। যি দেশৰ ফলেমূলে মোৰ দেহ পৰিপুষ্ট, যি দেশমাতৃকাৰ স্তন্যপানেৰে মই বৰ্দ্ধিত, সেই দেশমাতৃক যথাসাধ্য সেৱা কৰিম—প্ৰাণভৰি এবাৰ "আই" বুলি সম্বোধন কৰিম"—এই বাতৰি হেমচন্দ্ৰ বৰুৱাই ঘোষণা কৰি গৈছে।

হেমচন্দ্ৰ বৰুৱাৰ ভেৰীয়ে যি সময়ত সাহিত্য আকাশ কম্পিত কৰিছিল, সেই সময়ত আৰু এজন প্ৰেমিক সন্তানৰ প্ৰেৰণাৰ তানে অসমীয়াৰ সুকোমল চিত্ত আলোড়িত কৰিছিল। সেই প্ৰেৰণাত উন্মত্ত হয়েই অসমীয়াৰ সুপ্ত হৃদয় নতুন আশাৰে ভৰপুৰ হৈছিল। তেওঁ হৈছে আনন্দৰাম ঢেকীয়াল ফুকন।

জাতীয় অধঃপতন, জাতীয় সাহিত্যৰ প্ৰতি অৱহেলাৰ কথা স্মৰণ কৰি এই জনা স্বদেশহিতৈষীৰ চিন্তা জাগি চুৰমাৰ হৈছিল। তেওঁ দেখিছিল পৃথিৱীৰ আন আন জাতিৰ নিদ্ৰা ভাগিছে, সকলো জাতিয়েই জাতীয় গৌৰৱত জাগৰিত, সকলো জাতিয়েই উন্নতি মাৰ্গত ধাৱমান, কিন্তু এই অসমীয়া জাতিৰ টোপনি আজিও ভগা নাই। সেই কাৰণেই তেওঁ নিৰ্জ্জীৱ অসমীয়া প্ৰাণত শক্তিৰ সঞ্চাৰ কৰিবলৈ ভগৱানৰ ওচৰত কাতৰ ভাৱে প্ৰাৰ্থনা কৰিছিল :—

"যি সময়ত অসম হাবি জুপবাৰি হব, নৈত ডোঙ্গা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি শিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পঢ়াশালি, জ্ঞানৰ সভা চিকিৎসালয়, দুখিয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব, আৰু আৰু যি কালত লোকসকলে পৰস্পৰে হিংসা নকৰি আটাইয়ে আটাইক ভাতৃৱৎ চেনেহ কৰিব, কেৱে ফুটকা কানিৰ সলনি মিছা সাখি নিদি লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেটি পাইও কাৰো অন্যায় নকৰিব—সেই সময় হে পৰম পিতা জগদীশ্বৰ শীঘ্ৰে ঘটোৱা।"

হেমচন্দ্ৰ বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যুৰ পাচত তেওঁলোকৰ শূন্য-সিংহাসন শূন্য হৈ থাকিবলৈ নাপালে। তেওঁলোকৰ বিক্ত সিংহাসনত আৰোহণ কৰিছিল গুণাভিৰাম বৰুৱাই। গুণাভিৰাম বৰুৱাই "আসাম বন্ধু"ৰ জন্ম দি অসমীয়াক সাহিত্য-ক্ষেত্ৰলৈ আহ্বান কৰে। তেওঁৰেই লিখিত অসম বুৰঞ্জী অসমীয়া সাহিত্য ভড়াললৈ তেওঁৰ এটি অপূৰ্ব্ব দান। তেওঁ স্বদেশ আৰু স্বজাতিৰ প্ৰতি কিমান আকৃষ্ট আছিল তাক স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ তলত লিখা কথাৰ পৰা সম্পূৰ্ণৰূপে বুজিব পৰা যাব :—

"গুণাভিৰাম বৰুৱাৰ স্বদেশপ্ৰেম ইমান প্ৰবল যে অসমীয়া মানুহৰ কেনেকৈ উন্নতি হব, অসমীয়া ভাষা আৰু সাহিত্যৰ কেনেকৈ উন্নতি হব, তেওঁ সদায় তাকেহে ভাবিছিল আৰু পাৰেমানে তাক নিজেও কৰিছিল। কলিকতাৰ আলিত ফুৰোতে হঠাৎ এদিন গঙ্গাৰ ঘাটত এটা সাধাৰণ অসমীয়া মানুহৰ মাত শুনি তেওঁ সেই মানুহটোক মৰমত সাবটি ধৰিলে আৰু ক'ৰ মানুহ কি কথা সকলো সুধিলে। অসমীয়া ভাষা আৰু সাহিত্যৰ বিষয়ে তেওঁ যি কৰি গৈছে তাক সকলোৱে জানে। সেই বিষয়ে স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা আৰু স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ পাচতে বৰুৱা ডাঙৰীয়াই আসন পাবৰ যোগ্য তেওঁৰেতৰ আসাম বুৰঞ্জী অমাৰ অসমীয়া সাহিত্য ভঁড়ালৰ এখনি বহুমূলীয়া বত্ন। তেৱেঁই "আসাম বন্ধু"ৰ জন্ম দি অসমীয়াক অতীজতে আলোচনী কাকতৰ চানেকি দেখুৱায় আৰু ডেকা লিখক সকলৰ পৰা প্ৰবন্ধ পদ্যাদি তাত ছপাই তেওঁবিলাকক উৎসাহ দি অসমীয়া সাহিত্যলৈ তেওঁবিলাকৰ ৰাপ জন্মায়।

এই তিনিজনা পুৰুষে স্বদেশৰ হকে এইখিনি নকৰা হলে অসমীয়া ভাষাৰ অস্তিত্ব আজি নাথাকিলহেঁতেন। তেওঁলোকৰ অক্লান্ত আৰু অবাধিত পৰিশ্ৰম আৰু সাধনাৰ ফলতেই অসমীয়া ভাষাৰ আজি ইমানখিনি উৎকৰ্ষতা। মাতৃভাষাৰ লগত জাতীয় জীৱনৰ সম্বন্ধ কি তাক তেওঁলোকে সাহিত্যত পৰিস্ফুটিত কৰি তুলিছে। অসমীয়া ভাষাৰ নৱ-গঙ্গা আনয়ণকাৰী ভগীৰথ আছিল তেওঁলোকেই।



অসমীয়া ভাষাই বৰ্ত্তমান যি এটা ঠাচ লৈছে সেই ঠাচৰ গুৰি বঠা তেওঁলোকেই পোনাই দিছিল। যিমান দিনলৈকে অসমীয়া ভাষা থাকিব, যিমান দিনলৈকে অসমীয়া সাহিত্য থাকিব, যিমান দিনলৈকে অসমীয়াই সাহিত্যৰ মোল বুজি পাব, তিমান দিনলৈকে তেওঁলোকৰ নাম স্মৰণীয় হৈ থাকিব ; তিমানদিনলৈকে অসমীয়াৰ মানস পটত তেওঁলোক ঝিলিকি থাকিব।

যি জন পুৰুষৰ প্ৰতিভা আজি সাত সমুদ্ৰ তেৰ নদীৰ সিপাৰে সুদূৰ ইউৰোপত প্ৰতিধ্বনিত হৈছে, সংস্কৃত সাহিত্য সেৱা কৰি কাব্যামৃত পান কৰা ইউৰোপৰ মনীষী সকলে যাক আজি আগ্ৰহ আৰু ভক্তিৰ চকুৰে চাইছে সেই পাশ্চাত্য শিক্ষাৰে শিক্ষিত অসমৰ পোন প্ৰথম চিভিলিয়ান আৰু বেৰিষ্টাৰ অসম আইৰ সুযোগ্য সন্তান আনন্দৰাম বৰুৱাই দেৱভাষা সংস্কৃত সাহিত্য ৰচনা কৰোঁতেও অসম মাতৃক পাহৰিব পৰা নাই। তেওঁ কোনো তেজস্বিনী আৰু ওজস্বিনী ভাষাৰে অসমীয়া সাহিত্যৰ মাজেদি বীৰৰস বা ৰৌদ্ৰৰসৰ ধাৰা বোৱাই দি তেওঁৰ অন্তৰৰ মাজত লুকাই থকা গভীৰ স্বদেশপ্ৰেম জগতৰ আগত প্ৰচাৰ কৰা নাই সঁচা, কিন্তু

"জানকী ৰামযোদৰ্য্যা তুল ভাগৰ্গনন্দনঃ।
আনন্দৰাম বৰুৱা প্ৰাগ জ্যোতিষপুৰ নন্দনঃ॥"

আৰু

"ভ্ৰাত পৰশুৰামস্ত লৌহিত্যাতট জন্মনঃ।" পঢ়ি কোন অসমীয়াই স্বীকাৰ নকৰিব যে আনন্দৰাম বৰুৱাৰ স্বদেশ প্ৰেম নাই ? আনন্দৰাম বৰুৱাৰ ইচ্ছা মহৎ আছিল—বিশ্বৰ মহাসভাত অসম আইক উচ্চ আসন দিয়াটোৱেই। অসমীয়াৰ আজি এই খিনিতেই গৌৰৱ যে আনন্দৰাম বৰুৱাৰ দৰে এজন প্ৰতিভাশালী পুৰুষকো অসম মাতৃয়ে জন্ম দিছিল।

"স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ স্বদেশপ্ৰেম কিমান আছিল তাক তলত দিয়া মন্তব্যৰ পৰাই বুজা যায়.

বুৰঞ্জীবিদ ৺হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া জাতি, অসমীয়া সাহিত্য আৰু অসম দেশখনৰ গৌৰৱ দেশে বিদেশে প্ৰচাৰ কৰিছিল ; অসমীয়া জাতিটোৰ অতীত কেনে গৌৰৱময় আছিল তাক দেশবাসীক জ্ঞাত কৰালে আৰু পৰদেশীৰ ওচৰত প্ৰশংসা গোৱালে। অসমীয়া সাহিত্যক গীতিযুগ, মন্ত্ৰ আৰু ভণিতাযুগ, প্ৰাক্‌বৈষ্ণৱীযুগ, বৈষ্ণৱীযুগ, বিস্তাৰযুগ, বৰ্ত্তমানযুগ আদি বিভিন্ন যুগত ভাগ কৰি, যুগে যুগে অসমীয়া সাহিত্যৰ গদ্য পদ্য সংগ্ৰহ কৰি সাহিত্য চানেকী নামেৰে বৃহৎ গ্ৰন্থ সঙ্কলন কৰিলে। কোন পৰিব্ৰাজকে কেতিয়া আহি ক'ত কেনেকৈ অসম দেশৰ গুণ গাইছিল, চীন পৰিব্ৰাজক হিউৱেনচাঙে অসমৰ কি বিৱৰণ লিখিছিল, ভাৰত সম্ৰাট হৰ্ষবৰ্দ্ধনে প্ৰাগজ্যোতিষপুৰৰ অধিপতি কুমাৰ ভাস্কৰবৰ্ম্মাক কি দৰে পঞ্চবাৰ্ষিক উৎসৱত সম্বৰ্দ্ধনা কৰিছিল, ডাক্তৰ ট্ৰেভেনিয়াৰে অসম সম্পৰ্কে কি কৈছিল, ৰামসিংহই শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ কাৰ্য্য-কৌশল কিদৰে প্ৰশংসা কৰিছিল, কোন মুছলমান কাকতীয়ে ফাৰ্চী সাহিত্যত অসমীয়া জাতি সম্বন্ধে কি লিখি গৈছে, অসমীয়া জাতিটোৰ লক্ষণ আৰু জাতীয় সম্পদ কি, শৰাইঘাটৰ যুদ্ধত দেশপ্ৰেমিক লাচিত ফুকনে কিদৰে অসমৰ ভাগ্যলক্ষ্মীক ৰক্ষা কৰিবৰ অৰ্থে কি নকৰিলে, দেশৰ শিলৰ ফলি আৰু তামৰ ফলিবোৰত আমাৰ বুৰঞ্জীৰ কি কথাৰ সন্ধান আছে, প্ৰাচীন সাহিত্যত অসমীয়াৰ গৌৰৱ কিমান, কথা বা গদ্য সাহিত্যত অসমীয়াই কেনেকৈ আগ ভাগৰ উপযুক্ত, কোন ধৰ্ম্মপ্ৰচাৰকে কোন ধৰ্ম্ম প্ৰচাৰ কৰিলে, ইত্যাদি অসমীয়া জাতিৰ সকলো ৰকমৰ গৌৰৱৰ কথাবোৰ অক্লান্ত পৰিশ্ৰমেৰে উদ্ধাৰ কৰি অসমীয়া জাতিৰ অক্ষয় কীৰ্ত্তি স্থাপন কৰিলে।"

"A nation without fancy, without some romance never did, never can, never will hold a great place under the sun."

ইয়াকে বুজি স্বজাতিৰ হৃদয়ত স্বদেশ প্ৰেমকতাৰ কোবাল ঢৌ বোৱাই তোলা আৰু স্বজাতিৰ মাজত জাতীয় ভাৱৰ উদ্দীপনা জাগৰিত কৰাটোৱেই হেমচন্দ্ৰ গোস্বামীৰ মূলমন্ত্ৰ আছিল আৰু এয়েই আছিল তেওঁৰ অন্তৰৰ গভীৰ স্বদেশ প্ৰেমৰ অপূৰ্ব্ব নিদৰ্শন।

বঙ্গদেশত মাইকেল মধুসূদন দত্তই যি দৰে কাব্যৰ বাবাই স্বদেশ-প্ৰীতিৰ ধাৰা দেশময় বোৱাই দিছিল

সেইদৰে অসমতো স্বৰ্গীয় ভোলানাথ দাসে অসমীয়াত নতুন ছন্দৰ অৱতাৰণা কৰি স্বদেশ-প্ৰীতিৰ নিদৰ্শন তেওঁৰ সাহিত্যত দি গল। অসম-সন্তানৰ দুৰ্দ্দশা দেখি কবি-হৃদয় ভাগি চুৰমাৰ হৈছিল। আবেগপূৰ্ণ ভাষাত কবিৰ লেখনীৰ পৰা ওলাইছিল,

"আসাম কেৱল আজিও নিদ্ৰিত,
আসাম কেৱল আজিও ঘৃণিত
জড় বস্তু প্ৰায়, কিম্বা মৃতকায়
স্বৰূপ, আজিও আসামবাসী।
নাই পৰিশ্ৰম নাই কোনো চেষ্টা,
ভাবিছে আলস্য পৰম দেৱতা,
নাহিকে উন্নতি, মাত্ৰ অধোগতি,
বদন বিমৰ্ষ, নাহিকে হাঁসি।

ওপৰত লিখা স্বনামধন্য স্বদেশ হিতৈষী কেইজনৰ বাহিৰেও আৰু কেইজন প্ৰেমিক অসম সন্তানৰ সাহিত্যত স্বদেশপ্ৰেম জীৱন্ত ভাবে ফুটি ওলাইছে। যেয়ে এবাৰ স্বৰ্গীয় লম্বোদৰ বৰাৰ "আনন্দৰাম বৰুৱাৰ পাতনি" আৰু "জন্মভূমি" শীৰ্ষক প্ৰবন্ধ পঢ়িছে, তেৱেঁই হৃদয়ঙ্গম কৰিব পাৰিছে সেই স্বদেশ প্ৰেমিক জনৰ স্বদেশপ্ৰেম কিমান প্ৰবল আছিল। স্বৰ্গীয় সত্যনাথ বৰা আৰু চন্দ্ৰনাথ শৰ্ম্মাৰ অমৰ আত্মা আজি এই পৃথিৱীত নাই। কিন্তু তেওঁলোকে যিদৰে স্বদেশপ্ৰীতিপূৰ্ণ সাহিত্য সেৱা কৰি অসমীয়া সাহিত্য চহকী কৰি থৈ গৈছে তাৰ বাবে তেওঁলোকৰ স্মৃতি প্ৰত্যেক অসমীয়াৰ অন্তৰত জাগৰিত হৈ থাকিব।

এই সুজলা সুফলা অসমা নিৰুপমা অসম জননীৰ সুযোগ্য সন্তানসকলে স্বদেশৰ হকে অশেষ কৰি থৈ গৈছে। যাতে তেওঁলোকৰ সন্মান অটুত থাকে তাৰ চেষ্টা কৰাটোৱেই আজি প্ৰত্যেক অসমীয়াৰ লক্ষ্য হোৱা উচিত। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ প্ৰত্যেক অসমীয়াৰ কৰ্ণকুহৰত যেন প্ৰতিধ্বনিত হয়:—

"উত্তিষ্ঠত, জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত"

শ্ৰীদিনমণি দাস।

---

# কাব্য, ৰস, ছন্দ, অলঙ্কাৰ।

## কাব্য।

"বাক্যং ৰসাত্মকং কাব্যম্" —অৰ্থাত ৰসাত্মক (ক)* বাক্যৰ নাম কাব্য। কাব্য প্ৰধানতঃ দুবিধ; দৃশ্যকাব্য আৰু শ্ৰব্য কাব্য। দৃশ্যকাব্যে ঘটনাটো আগতে দেখুৱাই দিয়ে আৰু শ্ৰব্য কাব্যে ঘটনাৰ কথাটো কেৱল শুনাই যায়। নাটকাদি দৃশ্যকাব্য যেনে সীতা সয়ম্বৰ নাটক দধিমথন নাটক ইত্যাদি। পদমহাভাৰত ৰামায়ণাদিয়েই শ্ৰব্য কাব্য।

এই দুবিধত বাজে আৰু এবিধ কাব্য আছে তাৰ নাম চম্পু। এই চম্পু বাক্যত গদ্য পদ্য দুয়োবিধ থাকে এই নিমিত্তে কোনো কোনোৱে ইয়াক মিশ্ৰ কাব্যও বোলে।

শ্ৰব্য কাব্যবিলাক তিনি ভাগে বিভক্ত। যথা মহাকাব্য, গীতিকাব্য আৰু খণ্ডকাব্য। যি কাব্যত দেৱতা বা কোনো সদবংশৰ বৰ্ণনা কৰা যায় তাকে

(ক) * ৰসেই আত্মা হৈছে যাৰ। ৰস কি পাচত কোৱা যাব।



মহাকাব্য বোলে। মহাকাব্যত নানা বিষয়ৰ নানাবিধ বৰ্ণনা থাকে। ইয়াত আধ্যায় আঠোটাতকৈ বেচি থাকিব লাগে। আৰু কেৱাজনো ৰাজপুৰুষৰ চৰিত্ৰ বৰ্ণনা থাকিব লাগে। ব্যাসৰ মহাভাৰত, বাল্মীকিৰ ৰামায়ণ আৰু কালিদাসৰ ৰঘুবংশ মহাকাব্য। কোনো বিশেষ ঘটনা এটা লৈ লেখা সংক্ষিপ্ত ৰসাত্মক কাব্যকে খণ্ডকাব্য বোলে। ৺ৰমাকান্ত চৌধুৰীয়ে লেখা অভিমন্যুবধ কাব্যখনি খণ্ডবাক্য—ইয়াৰ ভিতৰৰ ৰজমতী শিৰ্ষক দীঘল কবিতাটিও খণ্ডবাক্য শ্ৰেণীস্থ। যি কাব্যক বাদ্যাদি লৈ সুৰ লগাই গাব পাৰি সেয়ে গীতিকাব্য। যেনে জয়দেৱৰ গীতগোবিন্দ আৰু অসমীয়া কবি নাৰায়ণদেৱৰ শুকনাৰায়ণী।

দৃশ্য আৰু শ্ৰব্য উভয়বিধ কাব্যকে আকৌ তিনি ভাগে বিভক্ত কৰা যায় যথা বিয়োগান্ত, মিলনান্ত আৰু প্ৰহসন। নায়ক আৰু নায়িকাৰ বিয়োগতে যি কাব্যৰ অন্ত হয় তাকে বিয়োগান্ত কাব্য; উভয়ৰ মিলনত যি কাব্যৰ অন্ত হয় তাকে মিলনান্ত কাব্য বোলে। আমাৰ ভাষাত এই দুই শ্ৰেণীৰ কাব্য আজিলৈকে কোনেও লিখা নাই। তথাপি ৰমাকান্ত চৌধাৰীৰ অভিমন্যু বধ কাব্যকে বিয়োগান্ত আৰু হৰিশ্চন্দ্ৰ নাটককে মিলনান্ত কাব্য বুলিব পাৰি। যি কাব্যত হাস্য ৰসেই প্ৰধান তাক প্ৰহসন বোলে। "শ্ৰীযুক্ত সোনাৰচাঁদ ডেকাবৰুৱাৰ" "বাহিৰে ৰং চং" আৰু 'কানীয়াৰ কীৰ্ত্তন' অসমীয়া ভাষাৰ প্ৰহসনৰ দুটি কীৰ্ত্তিস্তম্ভ।

## ৰস।

ওপৰত কোৱা গৈছে যে ৰসাত্মক বাক্যকে কাব্য বোলে। এই ৰস এটা মনৰ ভাব। কোনো গ্ৰন্থাদি পঢ়িলে মনত শোক ভয়াদি যি ভাবৰ সঞ্চাৰ হয়, আৰু কোনো নাটৰ ভাৱনাদি দেখিলে কেতিয়াবা অভিনয় কাৰ্য্য দেখি মনত যে এটা বেজাৰ লাগে বা খং উঠে বহুৱাৰ ৰহুৱালি দেখিলে যে হাঁহি উঠে এই এটাই-বিলাকৰে মূল ৰস। এই ৰস ন বিধ—আদি বা শৃঙ্গাৰ, বীৰ, কৰুণ, হাস্য, ৰৌদ্ৰ, ভয়ানক, বিভৎস, অদ্ভূত আৰু শান্ত।

১। প্ৰণয় বৰ্ণনাতেই প্ৰায় আদি ৰসৰ ব্যৱহাৰ হয়। কীৰ্ত্তনৰ হৰমোহন আদিৰসৰ উদাহৰণ। ৰাধা হৰণ কুমৰহৰণ, উষাহৰণ, এইবিলাক গ্ৰন্থৰো মূল ৰস আদি ৰস।

২। বীৰ ৰস—যুদ্ধৰ সময়ত যেতিয়া ৰাদ্য বাদনাদিৰ দ্বাৰাই বা উৎসাহসূচক বাক্যাদি প্ৰয়োগ কৰি ৰণুৱা সেনাবিলাকৰ অন্তৰৰ পৰা ভয় আঁতৰাই সিহঁতক যুদ্ধলৈ উদগাই দিয়া যায় তেতিয়াই সিহঁতৰ অন্তৰত বীৰৰসে কাৰ্য্য কৰে। যুদ্ধাদিলৈ সাজি-কাছি ওলোৱা আড়ম্বৰৰ কাৰ্য্যও বীৰৰসৰে আভাস মাথোন। যেনে—

"বিশাৰ কন্যাক, আগতে লৈ যায়:—
আৰ কি জীবাক লাগে।
প্ৰানক টাঙ্গিয়া, সবে দেঔ যুধ
যিবা আছে হোক ভাগে॥
এহি বুলি সবে কাচিয়া উঠিল
তেখনে আসন ছাড়ি।
সাজ সাজ বুলি দিল খৰসাৰ
তবলত দিয়া বাৰি॥
উসমিস কৰি লৰিল পদাতি
কৰ্কালত বান্ধি বস্ত্ৰ।
ধৰ মাৰ বুলি মাৰে ডেৱ ডাম্ফি
হাতত ধৰিয়া অস্ত্ৰ॥"

ৰুক্মিণী হৰণ।

৩। কৰুণৰস। কোনো প্ৰিয়বস্তু এটাৰ বিচ্ছেদ বা আন কোনো কাৰণত মনত বেজাৰ হলে, কৰুণৰসে তাক ব্যক্ত কৰে। যথা:—

"দেখা দেখা মোক দামোদৰ অনাথিনী নাই মোত পৰ
দেখিলে বিপত্তি কুৰু সমাজৰ লোকে॥
চুলে ধৰি দুঃশাসন বাঘে ধৃতৰাষ্ট্ৰ শশুৰৰ আগে,
ঘষাইলেক মোক অনাথিনী পৰবাসু।"

ৰামসৰস্বতী—উদ্যোগ পৰ্ব্ব।

৪। হাস্য বা অসঙ্গত কথা বা ভাব-ভঙ্গীৰ দ্বাৰাই লোকৰ মনত যি আনন্দসূচক ভাবৰ সৃষ্টি কৰে তাকে হাস্যৰস বোলে। বহুবাৰ বহুৱালি হাস্যৰসৰ উদাহৰণ। গ্ৰন্থৰ ভিতৰত 'বাহিৰে ৰং চং', "কানীয়াৰ কীৰ্ত্তন" আৰু "লিতিকাই" হাস্যৰস মূলক।

৫। ৰৌদ্ৰৰস। ক্ৰোধৰ পৰা উৎপন্ন হোৱা মনৰ ভাবকে ৰৌদ্ৰৰস বোলে। দক্ষযজ্ঞ নাশত মহাদেৱৰ কাৰ্য্য ৰৌদ্ৰৰসসূচক।

৬। ভয়ানক ৰস। যি বৰ্ণনা পঢ়িলে মনত ভয় ওপজে সেইয়েই ভয়ানক ৰস।

"দুই হাত জুৰি মাথাৰ উপৰে, পিঠিত লাগি নিলেক।
পাতাল সদৃশ, মুখ প্ৰকাশিয়া কামি গোট্ট তুলিলেক॥
জিহ্বাখন তাৰ, আলতা গুলিল, যেহেন গিৰি শিখৰ।
দুই চক্ষু দেখি, অৰুণ বৰণ, উদয় যেন ভাস্কৰ॥"

মাধৱ কন্দলী—লঙ্কা কাণ্ড।

৭। বিভৎস ৰস। যি বৰ্ণনা পঢ়িলে ঘিন লাগে সেয়ে বিভৎস ৰস ব্যক্ত কৰে।

হৰিশ্চন্দ্ৰ উপাখ্যানৰ শ্মশান বৰ্ণন বিভৎস ৰসৰ উদাহৰণ।

৮। অদ্ভুত ৰস। যি বৰ্ণনা পঢ়িলে বিস্ময় ভাবৰ উদয় হয়, সেয়ে অদ্ভুত ৰস বিধায়নী বৰ্ণনা।

ভীমকৰ্ত্তৃক দুঃশাসনৰ ৰক্তপানত অদ্ভুত ৰস বৰ্ণনা আছে।

৯। শান্তৰস। যি ৰচনাই মনত বৈৰাগ্য ভাবৰ উদয় কৰে তাতে শান্তৰস থাকে।

মাধৱ দেৱৰ 'দেহবিচাৰ' গীতসমূহ শান্তৰস মূলক।

## ছন্দ।

ৰচনা দুবিধ গদ্য আৰু পদ্য। গদ্য ৰচনা কোনো নিয়মৰ তলতীয়া নহয়, কিন্তু গদ্য ৰচনা যতি, মাত্ৰা, বৰ্ণ পৰিমান, বৰ্ণ-মিলন ইত্যাদি নিয়ম কেইবিলাকৰ তলতীয়া। এই যতি বৰ্ণ পৰিমানাদিৰ নিয়মকে ছন্দ বা বৃত্ত বোলে। ভাষাত যতিৰ নিয়ম নাই, মাত্ৰাৰ নিয়মো কচিৎ চলিত, কেৱল বৰ্ণ-পৰিমান আৰু বৰ্ণ মিলনেই ভাষাৰ ছন্দৰ মূল নিয়ম।

ছন্দ তিনি বিধ:—মিত্ৰাক্ষৰী, অমিত্ৰাক্ষৰী আৰু মাত্ৰা।

আমাৰ ভাষাত মিত্ৰাক্ষৰী ছন্দৰ ভিতৰত প্ৰধানত: পয়াৰ, ত্ৰিপদী, ছবি, লেচাৰী, মুক্তাৱলী, একাৱলী আৰু ঝুনাৰ ব্যৱহাৰ আছে।

পয়াৰ।—চতুৰ্দ্দশাক্ষৰী ৰচনাকে পয়াৰ বোলে। এই ছন্দত অন্ত্যবৰ্ণ আৰু অন্ত্যবৰ্ণৰ পূৰ্ব্ববৰ্ত্তী স্বৰবৰ্ণৰ মিল থাকিব লাগে। যেনে:—

"প্ৰথমে প্ৰনামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ। কীৰ্ত্তন।

ইয়াত প্ৰথম শাৰীৰ 'সনাতনৰ' 'ত'ৰ অকাৰ আৰু অন্ত্য-বৰ্ণ 'ন'ৰ লগত দ্বিতীয় শাৰীৰ নাৰায়ণৰ 'য়'ৰ অকাৰ আৰু অন্ত্যবৰ্ণ 'ন'ৰ মিল আছে। অন্ত্যবৰ্ণৰ পূৰ্ব্ববৰ্ত্তী স্বৰবৰ্ণৰ মিল নকৰিও কোনো কোনোৱে পয়াৰ লেখে; কিন্তু ছন্দ বিষয়ে সেই বিলাক পয়াৰ দোষনীয়।

* ত্ৰিপদী:—ত্ৰিপদীৰ দুটা ভাগ। ভাগেপতি তিনটা চৰণ থাকে। প্ৰথম আৰু দ্বিতীয় চৰণৰ বৰ্ণ ছুটি ছুটিকৈ। শেষৰ চৰণৰ বৰ্ণ আঠোটি। এইদৰে ছয় চৰণে এটা ত্ৰিপদী পূৰ্ণ হব। পয়াৰত যেনেকৈ অন্ত্য-বৰ্ণ আৰু অন্ত্যবৰ্ণৰ পূৰ্ব্ববৰ্ত্তী স্বৰবৰ্ণৰ মিল থাকিব লাগে এই ত্ৰিপদীটো প্ৰত্যেক ভাগৰ প্ৰথম আৰু দ্বিতীয় চৰণৰ বৰ্ণৰ তেনে মিল থাকিব লাগে। প্ৰথম ভাগৰ তৃতীয় চৰণৰ লগত দ্বিতীয় ভাগৰ তৃতীয় চৰণৰ বৰ্ণৰো তেনে মিল হব লাগে। যেনে:—

"পাছে ত্ৰিনয়ণ, দিব্য উপবন, দেখিলন্ত বিদ্যমান।
"ফল ফুল ধৰি, ঝকমক কৰি, আছে যত বৃক্ষমান॥"

—কীৰ্ত্তন।

* ত্ৰিপদী ছবি আৰু লেচাৰী তিনিওৰো ভাগ দুটা দুটা। ভাগে প্ৰতি তিনটাকৈ চৰণ।



প্ৰথম, দ্বিতীয় আৰু চতুৰ্থ, পঞ্চম চৰণৰ বৰ্ণৰ মিল নকৰাকৈয়ো ত্ৰিপদী লিখে। যেনে:—

"হৰিৰ নামৰ, শুনিয়ো মহিমা, সাবধান কৰি চিত্ত।"

—কীৰ্ত্তন।

ছবি।—বৰ্ণ মিলনৰ সকলো নিয়ম ত্ৰিপদীৰ দৰে। কেৱল ছবিৰ বৰ্ণ সংখ্যা বেচি। ছবিৰ প্ৰত্যেক ভাগৰ প্ৰথম আৰু দ্বিতীয় চৰণত বৰ্ণ আঠোটা আঠোটা আৰু তৃতীয় আৰু ষষ্ঠ চৰণত দহোটা দহোটা বৰ্ণ থাকে। যেনে:—

'বৃন্দাবন পোহৰাই বলো কানু দুই ভাই
গোধেনু চৰাই হেন কৰি।"

লেচাৰী—বৰ্ণ মিলন আদিৰ নিয়ম ত্ৰিপদীৰ দৰে, কিন্তু ইয়াৰ বৰ্ণ সংখ্যা বেচি। প্ৰথম, দ্বিতীয়, চতুৰ্থ আৰু পঞ্চম চৰণৰ বৰ্ণ দহোটা দহোটাকৈ। তৃতীয় আৰু ষষ্ঠ চৰণৰ বৰ্ণ চৈধ্যটা। যেনে:—

"দুয়োৰো ডিঙ্গিত দুয়ো ধৰি পাচে নৰেশ্বৰ নৰেশ্বৰী
বিলাপ কৰিলা কতেক ৰূপে বিনাই।"

মুক্তাৱলী—মুক্তাৱলীৰো বৰ্ণমালাদিৰ নিয়ম ছবি ত্ৰিপদিৰ দৰেই কিন্তু ইয়াৰ চৰণ প্ৰতিভাগে পাঁচোটা পাচোটা অৰ্থাৎ পুৰ্ণ মুক্তাৱলী এটাত দহোটা চৰণ থাকে। প্ৰথম ভাগৰ প্ৰথমৰ চাৰিটা আৰু দ্বিতীয় ভাগৰ প্ৰথমৰ চাৰিটা এই আঠোটা চৰণৰ বৰ্ণ ছটা ছটা। পঞ্চম আৰু দশম চৰণৰ বৰ্ণ চৈধ্যতা। যেনে:—

"উঠা প্ৰানেশ্বৰ, কৰিছোঁ কাতৰ, শ্ৰুতি সুখকৰ,
শ্ৰীমুখৰ সুৰ এ
কৰিয়া সাদৰ শুনোৱা বাৰেক মোক।"

মুক্তাৱলীৰ চতুৰ্থ আৰু নৱম চৰণৰ অন্তত প্লুত স্বৰ "এ" একোটা থাকে।

ঝুনা—ঝুনাত এঘাৰটা বৰ্ণ থাকে। বৰ্ণ মিলনৰ নিয়ম পয়াৰৰ দৰে। যেনে:—

"শঙ্কৰে শুনিলে প্ৰেমৰ ঝুনা।
সবে সভাসদে মন দি শুনা॥

একাৱলী—একাৱলীৰ বৰ্ণ দহোটা। বৰ্ণ মিলনৰ নিয়ম পয়াৰাদিৰ দৰেই। যেনে:—

দুষ্টমুখে পাতিলেক কাপ।
বাটভেটি থৈল ঘোৰ সাপ॥

এইবিলাকক এৰিও আৰু বহুত ছন্দ আছে। আজি কালিৰ লেখক বিলাকে নানাবিধ নতুন ছন্দৰেও পদ্য লেখিবলৈ ধৰিছে। সেই বিলাকৰ কোনো বিশেষ নাম নাই।

অমিত্ৰাক্ষৰী ছন্দ—ইয়াৰ বৰ্ণ পৰিমাণ পয়াৰৰ দৰে চৈধ্যটা চৈধ্যটা কিন্তু তাত মিলনৰ নিয়ম নাই। যেনে:—"সাবটী ধৰিয়া দুয়ো ঋষিৰ পদত
কান্দিয়া কান্দিয়া কলে-কৃপাময় দেৱ,
ভগবান, দয়ানিধি, আমি আগয়াণ
চিৰকাল পদ আশী চৰণৰ দাস,
উচিত কৰিলা দণ্ড মোক দোষ চাই"।

মাত্ৰাছন্দ—মাত্ৰাৰ লেখৰে যি ছন্দ হয় সেইয়ে মাত্ৰা ছন্দ। ইয়াত বৰ্ণ সংখ্যাৰ ঠিক নাই—ইয়াৰ বৰ্ণ মিলনৰ নিয়মো নাই।

মাত্ৰা দুবিধ লঘু বা হ্ৰস্ব আৰু গুৰু বা দীৰ্ঘ। লঘু মাত্ৰাৰ পৰিমাণ ১ আৰু দীৰ্ঘ মাত্ৰাৰ পৰিমাণ ২।

লঘুস্বৰ আৰু লঘুস্বৰযুক্ত ব্যঞ্জনবৰ্ণৰ মাত্ৰাও লঘু; আৰু দীৰ্ঘস্বৰ, দীৰ্ঘস্বৰ সংযুক্ত ব্যঞ্জনবৰ্ণ, অনুস্বাৰ আৰু বিসৰ্গ-যুক্ত বৰ্ণ, সংযুক্ত বৰ্ণৰ পূৰ্ব্ববৰ্ত্তী বৰ্ণ আৰু পদৰ চৰণৰ অন্তঃস্থ বৰ্ণ গুৰু আৰু তাৰ মাত্ৰাৰো পৰিমাণ ২। মাত্ৰা ছন্দ প্ৰায়েই গীতাদিত ব্যৱহৃত হয়। অসমীয়া বৰগীত বিলাক প্ৰায়েই মাত্ৰা ছন্দত ৰচিত। যেনে:—

"জয় জয় যাদৱ, জলনিধিজাধৰধাতা
হ্ৰতমাত্ৰাখিলত্ৰাতা" ।—বৰগীত।

## অলঙ্কাৰ।

মানুহে ধুনীয়া বস্ত্ৰৰে যেনেকৈ ধুন-পেচ কৰে, ধুনীয়া ধুনীয়া ভাব দি গ্ৰন্থৰো সেইদৰে সৌন্দৰ্য্য বঢ়োৱা যায়।

এই ধুনীয়া ভাববিলাকক গ্ৰন্থৰ অলঙ্কাৰ বোলে। অলঙ্কাৰ দুবিধ। শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ।

(ক) শব্দালঙ্কাৰ।—

শব্দালঙ্কাৰ তিনিবিধ। অনুপ্ৰাস, যমক, আৰু শ্লেষ। অনুপ্ৰাস।—ৰচনাত একেটা বা ততোধিক একে বৰ্ণৰ বাৰে বাৰে উচ্চাৰণ হলে তাক অনুপ্ৰাস বোলে। যেনে :—

"খুলন্তৰ লোকে সকলোকে কাতি কৰি।
পাটী পাৰি মাটিত বাগৰে গৰাগৰি"॥

ইয়াত দ্বিতীয় শাৰীৰ শেষ অংশত 'গ' আৰু 'ৰ' ৰ অনুপ্ৰাস হৈছে।

যমক। বেলেগ বেলেগ অৰ্থ বুজুৱা একেবিধ শব্দৰে পুনঃপুনঃ আবৃত্তি হলে যমক হয়। যেনে :—

"সুখ শিখৰৰ পৰা, বিপদ পোতত পৰা।
সংসাৰত সকলোৰে শ্মশানেহে গতি॥"

ইয়াত প্ৰথম শাৰীত 'পৰাৰ' যমক হৈছে। এনে শব্দ বিলাকক পদৰ আদি, অন্ত আৰু মাজত দি আদি-যমক, অন্ত্যযমক, আৰু মধ্যযমক কৰে। যেনে :—

অপাৰ সংসাৰ সিন্ধু আৰ বিষ্ণুসে সবাৰো পাৰ জানা
পাৰ আছে তাত পৰম্পৰমাত্মাৰূপে।
তেন্তে তুমি জানা বিষ্ণু পাৰ পৰপাৰ ভূত যত পাৰ
তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে॥ ঘোষা।

শ্লেষ। দুই বা ততোধিক অৰ্থ বুজাবৰ নিমিত্তে বাক্য ৰচনা কৰিলে শ্লেষ অলঙ্কাৰ হয়। যেনে :—

"কামৰূপেশ্বৰ, হৰিৰ কৰ্ণত কুপিত হইয়া পাছে।
অতি যত্ন কৰি নৃপৰসুতক, ঘনে ঘনে যুদ্ধ যাছে।"

ইয়াত "কামৰূপেশ্বৰ" শব্দৰ এটা অৰ্থ কামৰূপ দেশৰ ৰজা ভগদত্ত আৰু এটা অৰ্থ কামৰূপ অৰ্থাৎ কামৰূপ যাৰ অৰ্থাৎ ৰাক্ষসৰ ৰজা ৰাৱণ। "হৰিৰ কৰ্ণত" ইয়াৰ হৰি শব্দৰ এটা অৰ্থ শ্ৰীকৃষ্ণ, এটা বান্দৰ। "নৃপসুত" শব্দে এক অৰ্থত পাণ্ডুৰজাৰ পুতেক আৰু এক অৰ্থত দশৰথ ৰজাৰ পুতেক বুজাইছে। এই পদটিত ৰামায়ণ আৰু মহাভাৰত দুয়োৰো দুটা অৰ্থ হয়।

(খ) অৰ্থালঙ্কাৰ।

অৰ্থালঙ্কাৰ যিমান আছে, এটাইবিলাক লেখিবলৈ গ'লে এখন বৰ বিস্তৃত গ্ৰন্থ হৈ পৰে। আমি ইয়াত মুঠতে লাগতীয়াল কেইটামানৰ উল্লেখ কৰি থম।

উপমা :—একেগুণ বিশিষ্ট দুবিধ বেলেগ বস্তুৰ সাদৃশ্য দেখুৱাই বাক্যত যি অলঙ্কাৰ প্ৰয়োগ কৰা যায় তাকে উপমা বোলে যথা :—

"আজি সেই হাত ভৰি, বান্ধিছে মেৰাই জৰি,
• • •
মালতী মলাত যেন লোৰ তাৰ লগালে।"

উপমা অলঙ্কাৰত 'উপমান' আৰু 'উপমেয়' কি বুজিব লাগে। যাৰ লগত কোনো বস্তু তুলনা কৰা যায় বা উপমা দিয়া যায় তাক 'উপমান' আৰু যাক তুলনা কৰা যায় তাক উপমেয় বোলে। ওপৰত উদ্ধৃত পদটীত 'মালতী মলা' উপমান আৰু 'হাত ভৰি' উপমেয়।

ৰূপক :—য'ত উপমেয়ক উপমানৰূপে নিৰ্দ্দেশ কৰা যায়, ত'তে ৰূপক অলঙ্কাৰ হয়। যেনে :—

"তুমি শীতে পৰসিলে ধৰা
পত্ৰ ৰূপ বস্ত্ৰ পৰিহৰা"

উপমা আৰু ৰূপক এই অলঙ্কাৰ দুটাত পদন্যাসত সম্পূৰ্ণ বৈপৰীত্য হয়। ইয়াত পত্ৰ উপমেয়, বস্ত্ৰ উপমান; কিন্তু পদন্যাসত উপমেয় আগত আৰু উপমান পাচত ৰহিছে। উপমা অলঙ্কাৰত উপমান আগত আৰু উপমেয় পাচত ৰহিলহেতেন।

উৎপেক্ষা :—যি ঠাইত বৰ্ণনা কৰা বিষয়ৰ লগত তুলনা কৰা বিষয়টোৰ অভেদ কল্পনা কৰা যায়, তাতে উৎপ্ৰেক্ষা অলঙ্কাৰ কৰা হয়। যথা :—

"তলাতল; আজি তব দুখে দুঃখী হাবিয়ে।
আগুৰি তোমাক যেন ধৰিছেহি ঢাকিয়ে॥"



স্বভাবোক্তি :—কোনো বস্তুৰ মনোহাৰিত্ব শান্তি বিশিষ্ট যথাৰ্থ বৰ্ণনাত এই অলঙ্কাৰ হয়।

অৰ্থান্তৰন্যাস :—(১) কোনো সামান্য বস্তু এটাৰ দ্বাৰাই কোনো বিশেষ বস্তু এটাৰ বা (২) কোনো বিশেষ বস্তু এটাৰ দ্বাৰাই কোনো সামান্য বস্তু এটাৰ সমৰ্থন কৰিলে এই অলঙ্কাৰ হয়। যেনে :—

(১) তোলা ফুল কাঁইটক নকৰিবা ভয়।
নকৰিলে যতন ৰতন নিমিলয়॥
(২) বগ বাঢ়ে কাগাৰ মিলিলে দণ্ডোটাই।
ৰাজ্যে নষ্ট জোকাৰিলে নদা হই যায়॥

অতিশয়োক্তি :—যত উপমেয়ক একেবাৰেই নেদে-খুৱাই কেৱল উপমানেৰেই উপমেয়ক বুজাই, তাত এই অলঙ্কাৰ হয়। যেনে :—

"এইদৰে হায় হায় মৰাণৰ কষ্ট পাই,
বনমাজে শুকাল লৱঙ্গ-লতা অকালে!"

লৱঙ্গলতা উপমান :—ইয়াৰ দ্বাৰাইয়ে উপমেয়ক বুজাইছে।

অপহ্নুতি :—প্ৰকৃত বস্তুক লুকাই, অপ্ৰকৃত বস্তু এটাৰ দ্বাৰাই প্ৰকৃত বস্তু বুজালে এই অলঙ্কাৰ হয়। যেনে :—

"নিয়ৰ লোটক টুকি, কান্দি যেন চকুচকী।
ঝিলি শবদেৰে, কিবা দেখা দিলে ৰজনী।

ইয়াত প্ৰকৃত বস্তু ঝিলি শব্দ তাত অপ্ৰকৃত বস্তু ক্ৰন্দনটো আৰোপ কৰি অপহ্নুতি অলঙ্কাৰ কৰা গৈছে।

ভ্ৰান্তিমান্ :—সাদৃশ্য দেখুৱাবৰ নিমিত্তে সদৃশ বস্তুত সদৃশ বস্তুৰ ভ্ৰম হলে ভ্ৰান্তিমান অলঙ্কাৰ হয়। যেনে :—

"মধুলোভী ভোমোৰাই
পদ্মচকা দেখা পাই, ফুল বুলি ভ্ৰমে হায়!
ওপৰত পৰি, গুঞ্জৰি গুঞ্জৰি
ভুমুকি ভামাকি চায়॥"

নিদৰ্শনা :—সাদৃশ্য থকাৰ নিমিত্তে যদি কোনো বিষয়ৰ ওপৰত কোনো অসম্ভৱ ঘটনা এটাৰ আৰোপ কৰা যায়, তেতিয়া এই অলঙ্কাৰ হয়। যেনে :—

"চণ্ডালে ঋত্বিক খেদি, আজি যেন যজ্ঞবেদি,
মন্ত্ৰপূত পুণ্যস্থান অধিকাৰ কৰিছে"।

ব্যাজস্তুতি :— যত নিন্দাৰ ছলেৰে স্তুতি আৰু স্তুতিৰ ছলেৰে নিন্দা কৰা যায়, ত'তে এই অলঙ্কাৰ হয়। যেনে :—

"মোহোৰ ভগিনী কোনে দিবে মাধৱক।
ৰজা নোহে হৱো উগ্ৰসেনৰ সেৱক॥
নোহে ৰাজবংশী যদুকুল অনাচাৰী।
বিশেষতো কৃষ্ণে গৰু তিৰী আছে মাৰি॥
সক্ৰি হাতে বধি আছে সোদৰ মোমাই।
হেনয় কৃষ্ণক কন্যা দিতে জুগুৱাই॥"

(ৰুক্মিনী হৰণ)

এই কেকাকিত নিন্দাচলে কৃষ্ণৰ উৎকৰ্ষ বুজাইছে। অৰ্থাৎ "মোৰ ভনীক কোনে কৃষ্ণক দিব। তেওঁ ৰজা নহয়, উগ্ৰসেনৰ সেৱক। উগ্ৰসেন এজন মহাভক্ত, কৃষ্ণ তেওঁৰ সেৱক অৰ্থাৎ তেওঁ ভকতবৎসল। তেওঁ ৰাজ বংশী নহয়, অৰ্থাৎ ক্ষত্ৰিতকৈও শ্ৰেষ্ঠ, যি যদুকুল তাৰ ভিতৰত অনাচাৰী; অনাচাৰী অৰ্থ আচাৰ বৰ্জ্জিত, কৃষ্ণ ব্ৰহ্মৰূপ, তেওঁৰ কি আচাৰ আছে? কৃষ্ণ একেই উৎকৃষ্ট যদুকুলত উপজিছে, তাতে আকৌ আচাৰ বৰ্জ্জিত ব্ৰহ্ম স্বৰূপ। ইয়াৰ দ্বাৰাই তেওঁৰ আৰু বেছি উৎকৰ্ষতা বুজাইছে। তেওঁ দুৰন্ত দেনুকাসুৰ আৰু পূতনা ৰাক্ষসী নাশক। অত্যাচাৰী দেখি নিজ হাতে নিজৰ মোমায়েককে মাৰি ভূভাৰ গুচাইছে। এনে কৃষ্ণক আমি কন্যা দিব জুগুৱায় অৰ্থাৎ আমি এনে কৃষ্ণক কন্যা দিয়াৰ যোগ্য নহওঁ।

---

[ এই প্ৰবন্ধৰ লিখক "কবিতাহাৰ" প্ৰণেতা সুপ্ৰসিদ্ধ কবি আৰু প্ৰত্নতাত্বিক ৺ৰত্নেশ্বৰ মহন্ত। ইয়াত থকা কথাবিলাক হেতেথেতৰ নামত বোধ কৰোঁ এতিয়ালৈকে কতো প্ৰকাশ হোৱা নাই; সেই বাবেই সাহিত্য-সভা পত্ৰিকাত এই বাৰ প্ৰকাশ কৰা হল। ] সম্পাদক

# মানুহ কিনা কাকত।

অসমত বন্দা-বান্দী কিনা বিকা কৰা প্ৰথা বোধ হয় ইংৰাজৰ আমোলৰ প্ৰথম ছোৱাতো আছিল। সাঁচি পাতত লিখা এখন কাকতৰ নকল যেনেদৰে পোৱা হৈছে তেনেদৰেই তলত প্ৰকাশ কৰা হ'ল। সাঁচি পাতটো তিনি ভাজ কৰি এভাজত কথাখিনি আৰু ২ দুভাজত ৰাকীবিলাক লিখা আছে।

| | | |
|---|---|---|
| ১৭৪৯ শক—আশ্বিনৰ—১১ দিন | আত অৰ্থে সাক্ষি | সাধী শইকিয়া— ১ |
| গতে শ্ৰীশ্ৰীকম্পিল সাহাবৰ আমোলত | তাৰোথনৰ দিঘলা—১ | পেলন— ১ |
| মনুস্যে মনুস্যে ক্ৰয় বিক্ৰয় কৰে। | সাগৰ— ১ | বগিৰাম— ১ |
| চোলাধৰা ফুকনৰ ভাগৰ পটিয়া নিলাএ | দেহি বড়া— ১ | কাকতি পোআলী শৰ্ম্মা—১ |
| পুতেক বাছু টাভু এই তিনিজনে | মকৰা— ১ | নিগাইৰ আঙ্গুলি কস্তপা |
| বোআৰিএক মাণিকিক বিকে। শ্ৰীমথন | ৰাজখোৱা জইনাথ— ১ | আঙ্গুলি কস্তপাৰ মৰ্জদা গামোচা |
| বড়দলৈৰ পুত্ৰ শ্ৰীজাতিৰামে কিনে। | খঙ্গিয়া বকৰা বাক্কি—১ | শভাঅৰি তামোল পান |
| আতে তদ্মুল্য নগদ ৰূপ—৮ টাকা। | বাপুৰাম শৰ্ম্মা— ১ | লোণ—১ সেৰ। |
| কুলত কেঙোট। ক্ৰয় পত্ৰ কাগজ। | মণি নেওঁগ— ১ | |
| ইতি | | |

---

# অসম সাহিত্য সভাৰ বিবৃতি।

(১) ১৯৩৯ চনৰ ৮।৯ এপ্ৰিল তাৰিখে যোৰহাটত বহা অসম সাহিত্য সভাৰ বিশেষ সন্মিলনৰ বৈধতা সম্পৰ্কে আৰু সেই সন্মিলনত সংশোধিত নিয়মাৱলীৰ বিৰুদ্ধে কেইবা ঠাইৰ পৰা আপত্তি পোৱা হৈছিল; আৰু কেইখনমান আলোচনী আৰু বাতৰি কাকতত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আৰু বিশেষকৈ যোৰহটীয়া সভ্য-সকলৰ বিপক্ষে বিৰুদ্ধ সমালোচনা প্ৰকাশিত হৈছিল; আৰু এতিয়াও মাজে সময়ে তেনেকুৱা সমালোচনা প্ৰকাশ হৈ আছে। উপৰোক্ত বিশেষ সন্মিলনতে সেই সন্মিলনৰ বৈধতা সম্পৰ্কে প্ৰশ্ন উঠিছিল; আৰু বাহুল্য আলোচনাৰ পিচত সেই সন্মিলন বৈধ্য আৰু তাৰ কাৰ্য্যাৱলী সাধাৰণ সাহিত্য সন্মিলনৰ কাৰ্য্যাৱলীৰ দৰেই বলবং হ'ব বুলি মীমাংসা কৰা হৈছিল। (অষ্টম বছৰৰ প্ৰথম সংখ্যা সাহিত্য সভা পত্ৰিকাৰ ৭।৮ পিঠি দ্ৰষ্টব্য)। তথাপি এই বছৰ জুলাই মাহৰ ২৭।২৮ তাৰিখে যোৰহাটত পতা বাৰ্ষিক সাধাৰণ অধিবেশনত উক্ত আপত্তিবোৰৰ পুনৰ আলোচনা হৈছিল; আৰু বিস্তাৰিত আলোচনাৰ পিচত তলত লিখা প্ৰস্তাৱটি সৰ্ব্বসন্মতিক্ৰমে গৃহীত হৈছিল :—

"আজি অসম সাহিত্য সভাৰ এই প্ৰথম বাৰ্ষিক অধিবেশনে সিদ্ধান্ত কৰে যে ৮।৪।৩৯ আৰু ৯।৪।৩৯ তাৰিখে যোৰহাটত হৈ যোৱা সাহিত্য সভাৰ বিশেষ সন্মিলন



সম্পূৰ্ণ বৈধ্য আৰু আইনসঙ্গত, আৰু উক্ত সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ আৰু মীমাংসা সমূহো সম্পূৰ্ণ বৈধ আৰু আইনসঙ্গত, উক্ত সন্মিলনৰ কাৰ্য্যাৱলীৰ বিৰুদ্ধে পোৱা আপত্তিসমুহ সম্পূৰ্ণ অমূলক।"

অন্য এটি প্ৰস্তাৱৰ দ্বাৰাই এই বিষয়ে এটি সম্পূৰ্ণ বিবৃতি প্ৰকাশ কৰিবলৈ প্ৰধান সম্পাদকক নিৰ্দ্দেশ দিছিল। সেই নিৰ্দ্দেশ অনুসৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বাৰাই অনুমোদিত এই বিবৃতি প্ৰকাশ কৰা হ'ল।

(২) অসম সাহিত্য সভাৰ সম্পৰ্কে সকলোৱে জানিব লগীয়া প্ৰধান কথা এই যে এই সভাখন ১৮৬০ খৃষ্টাব্দৰ ২১ নং আইন অনুসৰি এখন ৰেজিষ্টৰী কৰা সভা; আৰু এই ৰেজিষ্টৰী কাৰ্য্য ১৯২৭ চনত যোৰহাটত বহা পঞ্চম সাহিত্য সন্মিলনৰ নিৰ্দ্দেশ অনুসৰি কৰা হৈছিল। সেই কাৰণেই এই সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সেই আইনৰ বিধান মানি চলিবলৈ বাধ্য। আইনৰ বান্ধোন ঢিলাই দিবলৈ কিম্বা উপেক্ষা কৰিবলৈ উক্ত সমিতিৰ কোনো ক্ষমতা নাই। সভা সংগঠনী দলিলৰ (Memorandum of Association) চতুৰ্থ ছেদ মতে এই সভাৰ কাৰ্য্যালয় যোৰহাটত থাকিব লাগিব; আৰু উক্ত দলিলৰ তৃতীয় ছেদ মতে সভাৰ সকলো কাৰ্য্যৰ ভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ওপৰত ন্যস্ত থাকিব। পূৰ্ব্বোক্ত মূল আইনৰ পঞ্চদশ ধাৰাত সভ্যসকলৰ সংজ্ঞা (definition) এই দৰে নিৰ্দ্দেশ কৰা আছে—"For the purposes of this act a member of a Society shall be a person, who, having been admitted therein according to the rules and regulations thereof, shall have paid a subscription or shall have signed the roll or list of members thereof, and shall not have resigned in accordance with such rules and regulations; but in all proceedings under this Act, no person shall be entitled to vote or be counted as a member whose subscription at the time shall have been in arrear for a period exceeding three months."

(৩) ইতি পূৰ্ব্বে হৈ যোৱা কেইবাখনো সন্মিলনত মূল আইনৰ এই বাধ্যতামূলক বিধানলৈ আওকাণ কৰি পূৰ্ব্ব প্ৰচলিত ৰেজিষ্টৰী কৰা নিয়মাৱলী সাল-সলনি ক্ৰমে অবৈধ ভাবে সংশোধিত হৈছিল। সভাৰ নিয়মাৱলী এইদৰে সংশোধিত হৈ থকা বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আশানুৰূপ অৰ্থ সংগ্ৰহ কৰিব পৰা নাছিল আৰু সভাৰ যাবদীয় কাৰ্য্য সুচাৰু ৰূপে চলোৱাৰ সম্পৰ্কে অনেক অসুবিধা ঘটিছিল।

(৪) ১৯৩৩ চনৰ বৰদিনৰ বন্ধত উত্তৰলক্ষীমপুৰত বহা চতুৰ্দ্দশ সাহিত্য সন্মিলনত সভাৰ নিয়মাৱলী সংশোধনৰ অৰ্থে এটি সমিতি গঠিত হৈছিল, আৰু সেই সমিতিয়ে প্ৰস্তাৱিত সংশোধনাখিনি সন্মিলনৰ অনুমোদনৰ অৰ্থে দাখিল কৰিছিল। কিন্তু সময়ৰ অভাৱত উক্ত নিয়ম-সমিতিৰ প্ৰস্তাৱিত সংশোধনখিনি সন্মিলনত আলোচিত নহৈ পৰৱৰ্ত্তী সাহিত্য সন্মিলনলৈ স্থগিত থাকিল। ১৯৩৪ চনৰ বৰদিনৰ বন্ধত মঙ্গলদৈত বহা পঞ্চদশ সাহিত্য সন্মিলনত পূৰ্ব্ব প্ৰস্তাৱিত নিয়মাৱলী সংশোধনৰ কথাৰ উল্লেখ কৰা হৈছিল; আৰু আগ বছৰৰ পৰা এৰা পৰি থকা সেই গুৰুতৰ বিষয়টিৰ আলোচনাৰ নিমিত্তে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ তৰফৰ পৰা সন্মিলনৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল; কিন্তু দুৰ্ভাগ্য ক্ৰমে সময়ৰ অভাৱত বিষয়ৰ গুৰুত্ব বুজি উক্ত সন্মিলনে এই কাৰ্য্য পুনৰ পৰৱৰ্ত্তী সাহিত্য সন্মিলনলৈ স্থগিত ৰাখিলে। (পঞ্চদশ সাহিত্য সন্মিলনৰ অষ্টাদশ প্ৰস্তাৱ—ষষ্ঠ বছৰৰ প্ৰথম সংখ্যা সাহিত্য সভা পত্ৰিকা—৬৩ পৃষ্ঠা দ্ৰষ্টব্য)।

১৯৩৬ চনৰ ইষ্টাৰৰ বন্ধত তেজপুৰত বহা ষোড়শ সাহিত্য সন্মিলনতো নিয়মাৱলী সংশোধনৰ আৱশ্যকতা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বাৰাই আৰু অন্যান্য সভ্য আৰু স্বীকৃত সভাৰ প্ৰতিনিধি সকলৰ দ্বাৰাই প্ৰকাশিত হৈছিল, আৰু সেই কাৰণে চতুৰ্দ্দশ সাহিত্য সন্মিলনৰ পৰা দুবছৰ পৰি থকা নিয়ম-সমিতিৰ সংশোধন খিনি সন্মিলনৰ মীমাংসাৰ নিমিত্তে উপস্থাপিত কৰা হৈছিল। এই সন্মিলনত মাত্ৰ

কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ গঠনৰ সম্পৰ্কে গোৱালপাৰাত বহা একাদশ সাহিত্য সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ সংশোধন কৰা হৈছিল; আৰু নিয়মাৱলীৰ অন্যান্য সংশোধন কৰিবৰ নিমিত্তে সাতজন সভ্যেৰে এখন নিয়ম সমিতি পুনৰ গঠন কৰা হৈছিল। (ষোড়শ সাহিত্য সন্মিলনৰ ২৩নং প্ৰস্তাৱ অসম সাহিত্য সভা পত্ৰিকা ষষ্ঠ বছৰৰ দ্বিতীয় সংখ্যা ৭২পৃষ্ঠা দ্ৰষ্টব্য।)

(৫) ১৯৩৬ চনৰ ২৮ জুলাই তাৰিখৰ পৰা ৩১ জুলাই তাৰিখলৈকে ক্ৰমান্বয়ে চাৰিদিন উক্ত নিয়ম-সমিতিৰ অধিবেশন হৈছিল; আৰু উত্তৰ লক্ষীমপুৰ সাহিত্য সন্মিলনৰ পৰা তেজপুৰ সাহিত্য সন্মিলনলৈকে আলোচনাৰ অৰ্থে পোৱা আৰু পূৰ্ব্বে উত্তৰ লক্ষীমপুৰ সাহিত্য সন্মিলনৰ নিয়ম-সমিতিৰ দ্বাৰাই প্ৰস্তাৱিত হোৱা সংশোধন সমূহ আদিৰ পৰা অন্তলৈকে সেই সময়ৰ চলিত নিয়মাৱলীৰে সৈতে মিলাই চাইছিল আৰু সভা সংগঠনী দলিলৰ (Memorendum of Association) আৰু মূল আইনৰ (Act XXI of 1860) চত্ত আৰু ধাৰা বোৰেৰে সৈতে সম্পূৰ্ণ সামঞ্জস্য ৰক্ষা কৰি সভাৰ নিয়ম প্ৰণয়ণ হোৱা উচিত বুলি বুজি সাহিত্য সন্মিলনৰ ওপৰঞ্চি, **সভাৰ বাৰ্ষিক সাধাৰণ অধিবেশনৰ** আৰু তাত কৰিবলগীয়া কাৰ্য্যৰ ব্যৱস্থা কৰি নিয়মাৱলীত এটি নতুন ছেদ ভুক্ত কৰিছিল।

(৬) সাহিত্য সভাৰ দিনে দিনে পৰি অহা আৰ্থিক অৱস্থাৰ বিষয়ে আলোচনা কৰিবৰ নিমিত্তে ২০।৬।৩৬ তাৰিখে বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে পৰৱৰ্ত্তী ২।৮।৩৬ তাৰিখে সেই সমিতিৰ বিশেষ অধিবেশন পাতিবলৈ স্থিৰ কৰে। এই বিশেষ অধিবেশনত "বিশিষ্ট সভ্য" মনোনীত কৰিবলৈ বিধান কৰা হল আৰু পূৰ্ব্বে ৰেজেষ্টৰী হোৱা নিয়মাৱলীৰ মতে সভ্যৰ পক্ষে বাৰ্ষিক বৰঙণি আকৌ ৩৲ তিন টকাকৈ আৰু স্বীকৃত সভাৰ বাৰ্ষিক বৰঙণি ১০৲ দহ টকাকৈ ধাৰ্য্য কৰিবলৈ স্থিৰ কৰা হয়; আৰু ইতিপূৰ্ব্বে উল্লেখ কৰা নিয়ম সমিতিৰ দ্বাৰাই প্ৰস্তাৱিত বাৰ্ষিক অধিবেশনৰ ব্যৱস্থা এই বিশেষ অধিবেশনতো অনুমোদিত হয়। শেহত ১৫।১২।৩৭ তাৰিখে পূৰ্ব্বোল্লিখিত নিয়ম সমিতিৰ শেষ অধিবেশন হয় আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বিশেষ অধিবেশনত অনুমোদিত হোৱা সংশোধন খিনি অন্তৰ্ভুক্ত কৰি পৰৱৰ্ত্তী গুৱাহাটী সাহিত্য সন্মিলনত উপস্থাপিত কৰিবলৈ সংশোধিত নিয়মাৱলী সম্পূৰ্ণকৈ প্ৰস্তুত কৰা হয়। ১৯৩৭ চনৰ বৰদিনৰ বন্ধত গুৱাহাটীত হোৱা সপ্তদশ সাহিত্য সন্মিলনত পূৰ্ব্বোক্ত তেজপুৰ সন্মিলনত গঠিত হোৱা নিয়ম সমিতিৰ দ্বাৰাই প্ৰণীত, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বাৰাই অনুমোদিত নতুন নিয়মাৱলী সন্মিলনৰ আলোচনাৰ অৰ্থে দাখিল কৰা হৈছিল; আৰু সেই সন্মিলনত প্ৰধান সম্পাদক ডাঙৰীয়াই পাঠ কৰা কাৰ্য্য বিবৰণীত এই বিষয়টিৰ কথা বিশেষ ভাৱে উল্লেখ কৰিছিল। কিন্তু সন্মিলনৰ নানা তৰহৰ কাৰ্য্য সমূহৰ বাবেই এই বাৰো সময়ৰ অভাৱতেই নিয়ম সংশোধন কাৰ্য্য তাত হৈ নুঠিল। নিয়ম সমিতিয়ে তৈয়াৰ কৰা নিয়মাৱলীৰ তলত সেই সন্মিলনৰ সভাপতি শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই নিয়ম সংশোধনৰ কাৰ্য্য পিচৰ সন্মিলনলৈ আকৌ স্থগিত ৰাখিছিল।

("এই সংশোধন পৰৱৰ্ত্তী সন্মিলনৰ বিষয়-বাছনী সমিতিত দিব."

স্বাক্ষৰ, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
২৮।১২।৩৭)।



(৭) গুৱাহাটী সন্মিলনে গুৱালপৰীয়া ৰাইজৰ নিমন্ত্ৰণ গ্ৰহণ কৰি পৰৱৰ্ত্তী সাহিত্য সন্মিলন গুৱালপাৰাত পাতিবলৈ স্থিৰ কৰিছিল আৰু অষ্টাদশ সাহিত্য সন্মিলন ১৯৩৮ চনৰ বৰদিনৰ বন্ধত গুৱালপাৰাত হব লাগিছিল। কিন্তু শেহত দেখা গল যে নিমন্ত্ৰণ কাৰ্য্যৰ বাহিৰে সন্মিলন পতাৰ সম্পৰ্কে গুৱালপৰীয়া ৰাইজৰ কোনো উদ্যোগ প্ৰকাশ নাপালে আনকি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশ মতে প্ৰধান সম্পাদকে লিখা চিঠিৰো কোনো আশাপ্ৰদ উত্তৰ পোৱা নহ'ল।

(৮) সাহিত্য সভাৰ আৰ্থিক অৱস্থা কেইবা বছৰৰ আগৰ পৰা শোচনীয় হৈ পৰা বাবে, বাৰে বাৰে সোঁৱৰণী চিঠি দিও সভ্যসকলৰ পৰা বা স্বীকৃত সভাবোৰৰ পৰা অৰ্থ সংগ্ৰহ কৰিব নোৱাৰি প্ৰধান সম্পাদকে শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট ফণ্ড আৰু শ্ৰীকমলাদেৱী ট্ৰাষ্ট ফণ্ডৰ পৰা ধাৰ স্বৰূপে কিছু টকা লৈ সভাৰ আপীচ চলাব লগা হৈছিল; আৰু শেহত উক্ত ট্ৰাষ্ট ফণ্ড আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ডৰ অৱৰক্ষক সমিতিক (Board of Trustees) সভাৰ আপীচ চলোৱা কাৰ্য্যৰ নিমিত্তে সহায় খুজিবলৈ বাধ্য হৈছিল। এই তিনিওটি অৱৰক্ষক সমিতিয়ে নিজৰ আয় অনুসৰি মাসিক সাহায্য মঞ্জুৰ কৰি দি সভাৰ দুৰ্দ্দিনত কথমপি অস্তিত্ব ৰক্ষা কৰিবলৈ সহায় কৰিছিল। সভাৰ এনে আৰ্থিক দুৰৱস্থাৰ সম্পৰ্কে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ৪।১।৩৯ তাৰিখৰ অধিবেশনত আলোচনা হৈছিল; আৰু বৰদিনৰ বন্ধত গুৱালপাৰাত হব লগীয়া সাহিত্য সন্মিলন নোহোৱা বাবে আৰু সোনকালে হোৱাৰ কোনো আশা নথকা বাবে, সেইদিনা কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সেই সময়ৰ প্ৰচলিত (১৯৩৬ চনত প্ৰকাশিত হোৱা দশম সংস্কৰণ নিয়মাৱলী, ৭ পৃষ্ঠা) নিয়মাৱলীৰ ষষ্ঠ ছেদৰ প্ৰথম নিয়ম অনুসৰি পৰৱৰ্ত্তী ৮।৯ এপ্ৰিল তাৰিখে "সভাৰ স্থায়ীত্ব ৰক্ষাৰ নিমিত্তে সময়োপযোগী দিহা কৰাৰ উদ্দেশ্যেৰে" বিশেষ সন্মিলন পাতিবলৈ স্থিৰ কৰে; (৪।১।৩৯ তাৰিখৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ৩(খ) প্ৰস্তাৱ।) আৰু সেই অধিবেশনত উক্ত প্ৰচলিত নিয়মাৱলীৰ তৃতীয় ছেদৰ ৬(খ) নিয়ম অনুসৰি "একেৰাহে ডবছৰ বৰঙণি নিদিয়া সাধাৰণ সভ্যসকলৰ নাম কাটিবলৈ সৰ্ব্বসন্মতিক্ৰমে স্থিৰ কৰা হয়। (৪।১।৩৯ তাৰিখৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ পঞ্চম প্ৰস্তাৱ)।

(৯) উক্ত বিশেষ সন্মিলন হোৱাৰ আগতে প্ৰধান সম্পাদকে "অসম সাহিত্য সভা সমন্ধে জানিব লগা কথা" শীৰ্ষক পাণনিৰে সৈতে নিয়মিত ৰূপে বৰঙণি আদায় কৰি থকা, সভাৰ সক্ষম সভ্যসকলৰ আৰু স্বীকৃত সভা বিলাকৰ তালিকা প্ৰকাশ কৰিছিল; আৰু তাত কোনো ভুল থাকিলে শুধৰণিৰ নিমিত্তে আপত্তি আহ্বান কৰিছিল। (সপ্তম বছৰৰ চতুৰ্থ সংখ্যা অসম সাহিত্য সভা-পত্ৰিকাৰ ১৭২-১৭৪ পৃষ্ঠা)। নিয়মিতৰূপে বৰঙনি নিদিয়া দোষত আগৰেপৰা ঘটা অক্ষমতা (disqualification due to cessation of membership) গুচাবলৈ আগ্ৰহ থকা সহানুভূতিসম্পন্ন ইচ্ছুক লোকসকলক বাকী পৰা বৰঙণি আদায় কৰি সক্ষম হবলৈ আৰু বিশেষ সন্মিলনত যোগ দিবলৈ সুবিধা দিয়াই উক্ত তালিকা প্ৰকাশ কৰাৰ উদ্দেশ্য আছিল।

(১০) এই বিশেষ সন্মিলনলৈ সভাৰ নিয়মাৱলী অনুসৰি নিমন্ত্ৰণ কৰিবলগীয়া সভ্যসকলক আৰু স্বীকৃত সভাবিলাকক নিমন্ত্ৰণ কৰা হৈছিল; কিন্তু কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আশা কৰা মতে বিশেষ সন্মিলনত সভ্যসকলৰ আৰু প্ৰতিনিধিসকলৰ উপস্থিতি নহল। তথাপি সভাৰ অস্তিত্ব ৰক্ষা কৰিবৰ অৰ্থে এই সন্মিলনত মূল আইনৰ (Act XXI of 1860) ধাৰাৰে আৰু সভা সংগঠনী দলিলৰ (Memorandum of Association) সৰ্ত্তেৰে সৈতে সামঞ্জস্য ৰক্ষা কৰি নিয়মাৱলী সংশোধন কৰা হল। এই সন্মিলনত নিয়ম সংশোধনৰ ভবিষ্যত সাৰ্থকতাৰ সম্পৰ্কে বাহুল্য আলোচনা হৈছিল আৰু ইয়াৰ কাৰ্য্য বিবৰণী সাহিত্য সভা পত্ৰিকাত (অষ্টম বছৰৰ প্ৰথম সংখ্যা সাহিত্য সভা পত্ৰিকাৰ ৭-৯ পৃষ্ঠা) আৰু বাতৰি কাকতত প্ৰকাশ কৰা হৈছিল।

(১১) সংশোধিত নিয়মাৱলীত সাহিত্য সন্মিলনৰ উপৰিও যি বাৰ্ষিক অধিবেশনৰ ব্যৱস্থা কৰা হৈছিল সি

সম্পূৰ্ণ আইনসঙ্গত। মূল আইনৰ ( Act XXI of 1860 ) চতুৰ্থ ধাৰাত এনে বাৰ্ষিক অধিবেশনৰ সূচনা কৰা আছে। সাহিত্য সন্মিলন সভাৰ সাহিত্য-চৰ্চ্চাৰ আৰু প্ৰচাৰ সম্পৰ্কীয় এটি অনুষ্ঠান মাথোন। এজন নিৰ্ব্বাচিত বিশিষ্ট সাহিত্যিকৰ সভাপতিত্ব আৰু আন আন সাহিত্যিকসকলৰ উপস্থিতিৰ সুযোগ লৈ ভাষা আৰু সাহিত্য প্ৰচাৰৰ নিমিত্তে জাতীয় উদগনি সৃষ্টি কৰাই এনে সন্মিলনৰ প্ৰধান উদ্দেশ্য; আৰু এনে সন্মিলনত সভাৰ সভ্য হওক বা নহওক সৰ্ব্বসাধাৰণে যোগ দিয়ে—যদিও সভ্য নহলে ভোটৰ অধিকাৰ নাথাকে। এনে সন্মিলনে বাৰ্ষিক সাধাৰণ অধিবেশনৰ ঠাই পূৰাব নোৱাৰে। সভাৰ মূল আইনৰ বিধান অনুসৰি বাৰ্ষিক অধিবেশন বছৰৰ অন্তত হব লাগে। গত বছৰৰ আয়-ব্যয়ৰ হিচাব গ্ৰহণ, নতুন বছৰৰ আয়-ব্যয়ৰ প্ৰস্তাৱিত হিচাব ( Budget ) অনুমোদন, নতুন কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠন, সভাৰ কৰ্ত্তব্য আৰু কাৰ্য্যপদ্ধতি নিৰূপন আদি আৱশ্যকীয় কাৰ্য্য সমূহ বাৰ্ষিক অধিবেশনতে কৰিব লাগে। মূল আইনৰ ১৫ ধাৰা অনুসৰি সক্ষম সভ্যইহে এই বাৰ্ষিক অধিবেশনত যোগ দিব পাৰে।

( ১২ ) পূৰ্ব্বৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে সাহিত্য সন্মিলন আগৰে পৰা আশা কৰা মতে প্ৰত্যেক বছৰত নিয়মিত সময়ত হৈ নুঠে। আগে হৈ যোৱা সন্মিলনৰ পৰা পিচৰ হোৱা সন্মিলনলৈ এবছৰ অতীত হৈ ডেৰ বছৰ কি ওবছৰো হয়গৈ। কাৰণ, সন্মিলন সভাৰ সম্পৰ্কে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সম্পূৰ্ণ স্বাধীনতা থাকিব নোৱাৰে; উক্ত সমিতিয়ে অন্য ঠাইৰ অভ্যৰ্থনা সমিতিৰ মুখাপেক্ষী হৈ থাকিব লাগে। কোনো ঠাইৰ অভ্যৰ্থনা সমিতিয়ে সৰহীয়াকৈ অৰ্থসংগ্ৰহ নোহোৱাকৈ সন্মিলন পাতিবলৈ সাহ কৰিব নোৱাৰে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়েও অভ্যৰ্থনা সমিতিৰ সুবিধালৈ চাবলৈ বাধ্য। এনেকুৱা কাৰণৰ বাবেই পূজাৰ বন্ধৰ পৰা বৰদিনৰ বন্ধলৈ, আকৌ বৰদিনৰ বন্ধৰ পৰা ইষ্টাৰৰ বন্ধলৈ সন্মিলন হোঁহোকাই নিও সময় মতে সন্মিলন পাতিব নোৱাৰা দৃষ্টান্ত বহুদিনীয়া পুৰণি কথা নহয়। তদুপৰি পূৰ্ব্ব প্ৰচলিত ত্ৰিদিনীয়া সাহিত্য সন্মিলনৰ বহল কাৰ্য্য তালিকা আৰু বহুধুণীয়া আন্দোলনৰ মাজত বাৰ্ষিক অধিবেশনত কৰিব লগীয়া কাৰ্য্যসমূহ সুচাৰুৰূপে সমাধা হোৱা আশা কৰিব নোৱাৰি। পূৰ্ব্ব পূৰ্ব্ব সন্মিলন বিলাকৰ সময়ৰে অভাৱত অতি আৱশ্যকীয় বিষয়ৰ আলোচনা স্থগিত হৈ থকা কথা সৰ্ব্বসাধাৰণ ঘটনাৰ দৰে সদায় ঘটি থকা প্ৰকাশ পাইছিল। ইত্যাদি অৱস্থা আৰু কাৰণবশতঃ সাহিত্য-সন্মিলনৰ পৰা সুকীয়াকৈ সভাৰ বাৰ্ষিক অধিবেশন পাতিবলৈ তেজপুৰত গঠিত হোৱা নিয়ম সমিতিয়ে প্ৰস্তাৱ কৰে, কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অনুমোদন কৰে আৰু বিশেষ সন্মিলনে গ্ৰহণ কৰে।

( ১৩ ) এই নিয়মাৱলী সংশোধনৰ সম্পৰ্কে শ্ৰীযুত খনীন্দ্ৰচন্দ্ৰ বৰুৱা বি, এ, ই, এ, সি, ডাঙ্গৰীয়াই যোৱা ৫ শাওণ তাৰিখৰ "তৰুণ অসম"ত দীঘলীয়া সমালোচনা প্ৰসঙ্গতে প্ৰকাশ কৰিছিল যে—'নতুন নিয়মাৱলী সম্পূৰ্ণ বেআইনী বুলি ধাৰ তেজপুৰ অধিবেশনত গৃহীত হোৱা নিয়মাৱলীয়েই গুৱাহাটী অধিবেশনত পুনৰ গৃহীত হয়।" তেজপুৰ আৰু গুৱাহাটী সন্মিলনত নিয়মাৱলী সংশোধনৰ সম্পৰ্কে যি হৈছিল তাক ওপৰত লিখা হৈছে। তাৰ পৰাই প্ৰকাশ পাব যে "তৰুণ অসম"ত প্ৰকাশিত উক্ত মন্তব্য আৰু সমালোচনা অমূলক আৰু কাল্পনিক।

( ১৪ ) সভাৰ বিৰুদ্ধে যিবোৰ বিৰুদ্ধ সমালোচনা প্ৰকাশ পাইছিল আৰু এতিয়াও মাজে সময়ে প্ৰকাশ হৈ আছে সেইবোৰ সমালোচনাৰ পৰা ৰাইজৰ মাজত প্ৰচাৰিত হোৱা সন্দেহ বা ভুল ধাৰণা আঁতৰাবৰ অৰ্থে এই বিবৃতি প্ৰকাশ কৰা হল। এই বিবৃতিত লিখা প্ৰকৃত কথাখিনিয়ে সভ্যসকলৰ, স্বীকৃত সভাবিলাকৰ আৰু সৰ্ব্ব-সাধাৰণৰ মনৰ পৰা সন্দেহ বা ভুল ধাৰণা আঁতৰাব বুলি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আশা কৰে।

শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা পাঠক
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

# ১৯৪১ চনৰ মানুহ পিয়ল।

অসমত আহোম ৰজাৰ দিনতো সময়ে সময়ে মানুহ পিয়ল হৈছিল। বৰ্ত্তমান ইংৰাজ গবৰ্ণমেণ্টৰ দিনতো প্ৰত্যেক দহ বছৰে বছৰে মানুহ পিয়ল কৰা প্ৰথা চলি আহিছে। ১৯৪১ চনত হব লগা পিয়লৰ কাৰ্য্য এতিয়াৰে পৰা চলিছে। বৰ্ত্তমানত কেৱল লোক সংখ্যা উলিয়াবৰ কাৰণেই মানুহ পিয়ল কৰা নহয়। শিক্ষিত অশিক্ষিত, ভাষা-ভাষী, ব্যৱসায় আদিৰ লোকৰ সংখ্যাও লগতে লেখ লোৱা হয়। ১৯৩১ চনৰ মানুহ পিয়লত বিশেষকৈ ভাষা ভাষী লোকৰ সংখ্যাই অসমত গুৰুতৰ চাঞ্চল্যৰ সৃষ্টি কৰিলে।

অসমত অসমীয়া মানুহৰ বাহিৰে আন সকলোকে বঙ্গালী বোলা এটা ধৰণ চলি আহিছে আৰু গাৱেঁ-ভূঞেঁ এতিয়াও আছে। বঙ্গ দেশৰ পৰা চাহ বাগিচাবিলাকত কুলি কাম কৰা লোক অতি কমহে আছে। কিন্তু সেই সকলো বিলাককে বঙ্গালী বোলে। তাৰ বাহিৰেও মাৰোৱাৰি, বৰেৱালা, কাবুলী আদিও বঙ্গালী আখ্যাৰ পৰা বাদ নপৰে। ইপিনে ছাত্ৰবৃত্তি স্কুলবিলাকক বঙ্গলা স্কুল বুলি এতিয়াও বহুলোকে কয়। তাৰ উপৰিও আজি কালিও অনেকে "ইংৰাজী পঢ়িছানে বঙ্গলা পঢ়িছা" এনে প্ৰশ্নও কৰে; "ইংৰাজী পঢ়িছানে অসমীয়া পঢ়িছা" শিক্ষিতৰ মুখতহে শুনা যায়। আৰু এটা কথা সাঁচ-পতীয়া পুথি হলে অসমীয়া পুথি আৰু সেই পুথিয়েই ছপা হৈ ওলালে বঙ্গালী কিতাপ হৈ পৰে। এই দৰেই বঙ্গালী শব্দটোৰ অনেক অপব্যৱহাৰ হোৱা অসমত পোৱা যায়। এনে বিলাক বেমেজালিতে অনেক অসমীয়া মানুহেও "কোন ভাষা জান?" প্ৰশ্নৰ উত্তৰত "বঙ্গালী" বুলি উত্তৰ দিয়া সম্ভৱপৰ। ১৯৪১ চনৰ মানুহ পিয়লত যেন এনে কোনো বেমেজালি ঘটিবলৈ নেপায় তাৰ বাবে পিয়ল কৰা কৰ্ম্মচাৰী সকলক সময় থাকোঁতেই সতৰ্ক কৰি দিয়া উচিত।

বুৰঞ্জীয়ে কয় যে যেই কোনো দেশৰ অধিবাসী কেৱলমাত্ৰ সেই দেশৰ আদিমবাসী বিলাকৰ দ্বাৰাই গঠিত নহয়। পমুৱা স্বৰূপে নাইবা আক্ৰমণকাৰীৰূপে যিবিলাক লোক আহি কোনো দেশত বস-বাস কৰে তেওঁলোকো সেই দেশৰ অধিবাসী হয়। দেশৰ আদিমবাসীসকলৰ লগত ভাৱৰ আদান-প্ৰদান কৰিব লগা হোৱাত দুয়ো ভাষাৰ ভিতৰত দিয়া থোৱা কৰি যি ভাষাৰ সৃষ্টি হয় সেয়ে সেই সময়ৰ পৰা দুয়ো পক্ষৰ ভাষা হয় আৰু তাকে দেশীয় ভাষা বোলে। ইংলণ্ডৰ ইংৰাজী ভাষা ব্ৰিটন, নৰমান এঙ্গোলা, চেক্ চন, জুট ইত্যাদি ভাষাৰ সংমিশ্ৰণ মাথোন। সেইদৰেই অসমীয়া ভাষাতো আহোম, চুতীয়া, বড়ো পাচীয়ান ইত্যাদি ভাষাৰ অনেক শব্দ আৰু প্ৰত্যয় পোৱা যায়। এই কথা যদি সচা হয় তেন্তে বৰ্ত্তমানত যি বিলাক লোক অসমত বস-বাস কৰিবৰ কাৰণে মাটি বাৰী লৈ ঘৰ-দুৱাৰ কৰি আছে আৰু যি বিলাক নিজ নিজ দেশলৈ উভতি যোৱাৰ সম্ভৱ নাই সেই বিলাকে এই দেশৰ প্ৰচলিত ভাষাকে গ্ৰহণ কৰি ভাৱ আদান-প্ৰদান কৰা যুক্তিযুক্ত আৰু তেনে কৰিলেহে দেশৰ কি সামাজিক, কি অৰ্থনৈতিক, অনেক সমস্যা সুচল হয়। নিজৰ দেশ একেবাৰেই এৰি আহি অসমত স্থায়ী ভাৱে বসতি কৰা লোকসকলে অসমীয়া বুলি পৰিচয় দিয়া বিধেয়। তাকে নকৰাটোহে অত্যন্ত বিৰুদ্ধ। যেনেকৈ এৰি অসমত বসতি কৰিবলৈ প্ৰথমতে অহা লোকসকলে অসমীয়া ভাষা শিকিবলৈ আগ্ৰহ কৰিছিল আৰু তেওঁবিলাকৰ মাজত স্থাপিত হোৱা পঢ়াশালি বিলাকতো অসমীয়া ভাষা প্ৰচলিত হৈছিল। কিন্তু দেশত স্থায়ী ঘৰ বান্ধি অসমত ব্যৱসায় কৰিবলৈ অহা কিছুমান লোকৰ উদগনিত পৰি তেওঁবিলাকৰ মত পৰিৱৰ্ত্তন কৰাটো স্বভাৱিক হৈছে বুলি অনুমান নহয়, কিয়নো সেইবিলাক লোকে অসমত বসতি কৰি অসমীয়া মানুহৰ লগত যে ভাৱৰ আদান প্ৰদান দৈনন্দিন কৰিব লাগিব।

স্থায়ীভাবে বসতি কৰা লোকসকল দেশৰ নাম মতেহে সচৰাচৰতে অভিহিত হয়, ভাষাৰ নাম মতে নহয়।

এমেৰিকাত যদিও ইংৰাজ, ফৰাচী, জাৰ্ম্মেন আদি অনেক জাতিৰ প্ৰজা আছে সকলোকে পৃথক পৃথক নামেৰে অভিহিত নকৰি এমেৰিকানহে বোলে। তাত যদিও ইংৰাজী ভাষা প্ৰচলিত প্ৰজাক ইংৰাজ নোবোলে। সেইদৰেই বিহাৰী, পঞ্জাবী, মাদ্ৰাচী ভাষা বুলি ভাষা নাই, কিন্তু সেই সেই দেশত বাস কৰা লোকক সেই সেই নামেৰে অভিহিত কৰা হয়। সেই বিলাক দেশত চৰ্কাৰী স্কুলত প্ৰাদেশিক ভাষাতহে প্ৰাইমেৰী শিক্ষা দিয়া হয়। অন্য প্ৰদেশৰ পৰা আহি বসতি কৰা লোক সকলৰ নিমিত্তে সেই সেই দেশৰ প্ৰাদেশিক ভাষাত শিক্ষা দিয়াৰ বন্দোবস্ত চৰ্কাৰে নকৰে। ছিলেট জিলাখন বাদ দি অসম প্ৰদেশ গঠিত হোৱা হলে অসমতো সেই একে কথাই বোধ হয় হল হেতেন। ছিলেটৰ লগত সাঙোৰ খাই চুৰমা উপত্যকা গঠিত হোৱা বাবে প্ৰকৃততে অসমীয়া চিলচাৰৰ লোক সকলে বঙ্গলা ভাষা গ্ৰহণ কৰিবলৈ বাধ্য হল। সেই দৰেই যদিও কোচবেহাৰ ৰংপুৰ আদিৰ পুৰণি ভাষা বঙ্গালীতকৈ অসমীয়াৰ লগত বেচি মিল পোৱা যায় তথাপি গুৱালপাৰলৈকে গোটেই গও ইংৰাজৰ আমোলৰ প্ৰথম ছোৱাত বঙ্গদেশৰ লগত জাপ খুৱাই থোৱা বাবে সেই অঞ্চলতো বঙ্গালী ভাষা প্ৰচলিত হল আৰু তাকে গ্ৰহণ কৰিবলৈ প্ৰজাও বাধ্য হল। কাচাৰ জিলাৰ অধিকাংশ প্ৰজাই ইংৰাজৰ আমোলৰ আগত অসমীয়া ভাষা আৰু কোচবেহাৰ ৰংপুৰ অঞ্চলৰ প্ৰজাই কামৰূপী ভাষা, মাতৃ ভাষা আছিল বুলি এতিয়াও স্বীকাৰ কৰিবলৈ কুণ্ঠিত নহব। এনে দৰে চেনা থাই যি খণ্ডত বৰ্ত্তমান অসমীয়া ভাষা প্ৰচলিত আছে তাৰ অধিবাসীসকলকো যদি ভুল ক্ৰমে বঙ্গালী ভাষা ভাষী বুলি চেনচাচ পিয়লত দেখুওৱা হয় তেনেহলে অসমীয়া মানুহৰ সংখ্যা কম নহৈ বেচি হব কেনেকৈ? ১৯৪১ চনত হব লগা মানুহ পিয়লত যেন অসম উপত্যকাত স্থায়ী ভাবে বসতি কৰা সকলো লোককে অসমীয়া বুলি ধৰি লোৱা হয়, মানৰ উপদ্ৰৱত পলাই গৈ জিলট চিলচাৰ আৰু পাৰ্ব্বত্য অঞ্চলত বসতি কৰা অসমীয়া মানুহক আৰু চিলচাৰৰ আদিম অধিবাসী সকলক অসমীয়া বুলি গণনা কৰা হয়। তাৰ বাহিৰে অসম উপত্যকাৰ চাহ বাগিছা বিলাকত থকা কুলি বিলাকে সচৰাচৰতে অসমীয়া মানুহৰ লগত কিনা বেচা আদি কাম চলাব লগা হোৱাত বঙ্গালী ভাষাতকৈ অসমীয়া ভাষা বেচি জানে। সেই বিলাককো অসমীয়া ভাষা-ভাষী বুলি গণনা কৰিলে বোধ হয় ভুল নহব। এনে দৰে মানুহ পিয়ল কৰিলেহে অসমীয়া আৰু অসমীয়া ভাষা-ভাষী মানুহৰ সংখ্যা নিৰ্ভুল হৈ ওলাব।

---

# সম্পাদকীয়।

## অসম সাহিত্য সভা।

অসম সাহিত্য সভাখনি এটি জাতীয় অনুষ্ঠান। সাহিত্য ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰিবলৈ চেষ্টা কৰাই ইয়াৰ প্ৰধান কৰ্ত্তব্য। এই কৰ্ত্তব্য সাধন কৰিবলৈ যি কেইটি উদ্দেশ্য লৈ এই সভা স্থাপিত হৈছিল তাৰ কোনোটিয়েই এতিয়ালৈকে সুচাৰুৰূপে সাধিত হোৱা নাই। অৰ্থৰ অনাটন আৰু উপযুক্ত কৰ্ম্মীৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ। ভাবি চাবলৈ গলে অসমত কোনোটিৰেই অভাৱ নাই। অসমৰ দুৰ্ভাগ্য যে অসম সাহিত্য সভাখনি স্থাপিত হোৱাৰ লগে লগেই ভাৰত ব্যাপী ৰাজনীতি ক্ষেত্ৰত অসহযোগ আন্দোলনৰ উদ্ভৱ হয়। এই আন্দোলনে শিক্ষিত অশিক্ষিত প্ৰায় লোকৰে মন আকৰ্ষণ কৰাত কি ধৰ্ম্ম, কি সাহিত্য, আন সকলো সমস্যালৈ নজৰ অৱহেলা নহলেও আওকাণ হয়। অন্যান্য প্ৰদেশৰ অসহযোগকাৰী নাইবা ৰাজনীতি ক্ষেত্ৰত আগৰণুৱা সকলে সাহিত্য ক্ষেত্ৰতো যথেষ্ট যোগান ধৰি থকা দেখা গৈছে। কিন্তু অসমত দুই চাৰি জনৰ বাদে আন তেনে লোকৰ সাহিত্য ক্ষেত্ৰলৈ আওকাণ এতিয়াও ভগা নাই। সাহিত্য সেৱা কৰিব পৰা উপযুক্ত লোকৰ সংখ্যা অসমত এনেয়ে তাকৰ তাতে যদি সৰহ সংখ্যক লোক এই সম্বন্ধে উদাসীন হৈ থাকে তেনেহলে অসমে সাহিত্য ক্ষেত্ৰত গা কৰে কেনেকৈ? আন ফালে কাম নেদেখিলে ধনী সম্প্ৰদায়ে ধনৰ মোনা সটকাই মুকলি নকৰে। সাহিত্য ক্ষেত্ৰত ধন নহলে কাম হোৱা টান। এই সমস্যা সমাধান কৰিবলৈ হলে সভাৰ কেইজন মান উদাৰচিতীয়া পৃষ্ঠপোষক থকা একান্ত আৱশ্যক। সৌভাগ্য ক্ৰমে অসম সাহিত্য সভাই যন্মকালতে তেনে পৃষ্ঠপোষক তিনজন লাভ কৰিলে। অতি পৰিতাপৰ বিষয় যে আজি যৌৱন কালতো তেনে পৃষ্ঠপোষক তিনিজনৰ ঠাইত চাৰিজন হোৱা নাই। সভাই কাম কৰিবলৈ উলগনি পাওক বুলি অলপ সৰহীয়াকৈ টকা দি আজীৱন সভ্য হোৱা লোক কেইজনো সভাই শৈশৱ অৱস্থাত লাভ কৰা লোকহে। মুঠতে কবলৈ গলে অসম সাহিত্য সভাই এতিয়াও ওপজা মুখ মলাব পৰা নাই।

যেই কোনো অনুষ্ঠানেই শক্তি লাভ কৰিবলৈ হলে উপযুক্ত সংখ্যক সভ্য সংগ্ৰহ কৰিব লাগে প্ৰত্যেক সভ্যই অনুষ্ঠানটিৰ একো একোটি অঙ্গ। সভ্যসকলে নিৰ্দ্ধাৰিত বৰঙণি সময় মতে আদায় কৰি অনুষ্ঠানটিৰ আৰ্থিক অৱস্থা উন্নতিশীল কৰাৰ বাহিৰেও সেই সম্পৰ্কে নিজ নিজ কৰ্ত্তব্য সাধন কৰি অনুষ্ঠানটি যাতে সৰ্ব্বাঙ্গ পুৰঠ আৰু সুন্দৰ হয় তাৰ বাবে চেষ্টা কৰা উচিত। অসম সাহিত্য সভা সম্পৰ্কে এই কথা কিমান দূৰ ঘটিছে এই সংখ্যা পত্ৰিকা পঢ়ি পাঠকে গম পাব।

অসমৰ কেইগৰাকীমান লোকেল আৰু মিউনিচিপেল ব'ৰ্ডৰ পৰা, যৎসামান্য আৰু গৱৰ্ণমেণ্টৰ পৰা পত্ৰিকাৰ কাৰণে কিছু বৰঙনি পাই সৰিয়হৰ তেলৰ চাকিৰে মুখ পোহৰাই থকা দৰে, অসম সাহিত্য সভাই কোনোমতে অস্তিত্ব ৰক্ষা কৰি থকা কালতো সভাৰ ওপৰত কৰ্ত্তব্যৰ বোজা জাপি দিবলৈ, আৰু সেইবিলাক কৰ্ত্তব্য কৰিবলৈ বৰ্ত্তমান সভা অপাৰগ হোৱাত সভাক গৰিহণা দিবলৈ বা সভাৰ কুৎসা ৰটিবলৈ আগ বঢ়া লোক বিৰল নহয়। তেনেলোকৰ ওচৰত আমাৰ নিবেদন এয়ে যে তেওঁলোকে যেন নিজে নিজেই ভালকৈ গম চায় —অসম সাহিত্য সভাৰ কাৰণে তেওঁলোকে আচলতে কি কি কাম কৰিছে? বাহ্যিক চকুৰে আন সকলোকে দেখে কিন্তু নিজক নেদেখে; মনৰ চকুৰে নিজ পৰ সকলোকে সমভাৱে চাব পাৰে।

# নিবেদন।

অসম সাহিত্য সভা পত্রিকাৰ কাৰণে গবেষণামূলক প্ৰবন্ধৰ আৱশ্যক। পূৰ্ব্বে প্ৰকাশিত নোহোৱা যেই কোনো বিষয়ৰে তেনে প্ৰবন্ধ সাদৰেৰে গ্ৰহণ কৰা হব।

সম্পাদক।


# অসম সাহিত্য-সভা পত্ৰিকা

পুহ—চ'ত ১৮৬২ শক

নৱম বছৰ } মুঠ সংখ্যা—৪০ { তৃতীয় সংখ্যা


## কানিৰ অপকাৰিতা *

মাৰাত্মক মাদক দ্ৰব্য বোৰৰ ভিতৰত কানিও এবিধ বিশাক্ত মাদক দ্ৰব্য। ই দেখিবলৈ ক'লা,—আফু নামেৰে গছৰ এঠাৰে তৈয়াৰী। ইয়াক খালে মদ ভাঙৰ দৰে গাত নিছা লাগে। অৱশ্যে ইয়াৰ নিছা সুকীয়া। কিন্তু কানি খাই অভ্যাস হলে মানুহে হঠাতে তাক এৰিব নোৱাৰে। সেই কাৰণেই কানিয়ে মানৱ জীৱনৰ অ'হিত্ব পৰ্য্যন্ত ধ্বংস কৰিব পাৰে। ই প্ৰাণলৈ হতাশ আৰু পৰাধীনতা আনে। কানি বিহৰ নিচিনা, ই মানুহ মাৰিবও পাৰে মানুহক পঙ্গু কৰিবলৈ ইয়াৰ যিমান শক্তি আন বাগীয়াল বস্তুৰ সিমান নাই। ই উৎসাহ শক্তিটো (spirit) তেনেই লোপ কৰে। প্ৰাণত নিষ্কম অশান্তি আৰু অসহ্য কাপুৰুষতা আনি দিয়ে। মানুহৰ মনুষ্যত্ব বিকাশৰ সকলো পথেই এই কানিয়ে ৰোধ কৰে। ই কলেৰা বা বসন্ত ৰোগতকৈও কঠিন আৰু মাৰাত্মক। কানি খাবলৈ তিতা আৰু ইয়াৰ পৰিণামো বিহৰ দৰে তিতা।

কানিৰ অপকাৰিতা সম্পৰ্কে বহুতো বিশেষজ্ঞই নিজৰ মত প্ৰকাশ কৰিছে। Practice of Medicine নামৰ বিখ্যাত কিতাপ এখন আমেৰিকাৰ ইলিনয়ছ কলেজৰ চিকিৎসা শাস্ত্ৰৰ অধ্যাপক খ্যাতনামা চিকিৎসাবিদ্ ফ্ৰেদাৰিক টাইছে প্ৰকাশ কৰিছে। তাত ডাক্তৰ টিকেনে কানিৰ বিশাক্ত পৰিণাম সম্পৰ্কে ৮ম খণ্ডত এইদৰে আলোচনা কৰিছে:—"সৰহ দিন কানি ব্যৱহাৰ কৰিলে মনৰ বল কমে, নিজৰ ইচ্ছা শক্তি নোহোৱা

* এই প্ৰবন্ধটি সাহিত্য সন্মিলনৰ তেজপুৰ অধিবেশনৰ আগতে লিখা হৈছিল। প্ৰতিযোগিতাত এই প্ৰবন্ধই প্ৰথম স্থান অধিকাৰ কৰে আৰু লিপকে ইয়াৰ বাবে এটি পদক পায়। প্ৰবন্ধটি অসম সাহিত্য সভা পত্ৰিকাত আগতে প্ৰকাশ হব লাগিছিল। বৰ্ত্তমানত সময়োপযোগী হব যেন অনুমান কৰি প্ৰবন্ধটি প্ৰকাশ কৰা হল।

সম্পাদক।